সেই কালাম মাংস
হ'ল আৰু অনুগ্ৰহ
আৰু সত্যতাৰে
পৰিপূৰ্ণ হৈ আমাৰ
মাজত বসতি
কৰিলে।

(যোহন ১:১৪ আয়াত)

# ঈছা-মছীহৰ জীৱনী



(১ম খণ্ড)

জন্ম ও শৈশৱকাল

**জৰ্জ ফৰ্ড**

# ঈছা-মছীহৰ জীৱনী

(১ম খণ্ড)

## জন্ম ও শৈশৱকাল

জৰ্জ ফৰ্ড

ইংৰাজীৰ পৰা অনূদিত

**দ্বাৰ-উল-মছীহ,**

**অসম**

# মছীহৰ জীৱনী (১ম খণ্ড) জন্ম ও শৈশৱকাল

Assamese Translation of "The Life of Christ (Book-1) His Birth and Early Years." A detail biography of Jesus Christ. This book was originally in Arabic which is translated into English by George Ford and published by 'Call of Hope, Stuttgart, Germany. The same is translated into Assamese by Tamjid Jalal Ahmed, edited by Khursheed Alam and published by ***'Dar-Ul-Masih'***, Guwahati-1, Price Rs. 25/- Only.

@ Call of Hope
P.O. Box No: 100 827
7000 Stuttgart 10. W. Germany.

প্ৰথম অসমীয়া সংস্কৰণ ঃ আগষ্ট, ২০০৮

দ্বাৰ-উল-মছীহ

ডাক বাকচ নং : ২৩৪

গুৱাহাটী-৭৮১ ০০১, অসম।

মূদ্ৰণ: ১০০০ কপি।

দাম: ২৫/ টকা মাত্ৰ।

বিঃ দ্ৰঃ কোৰাণ শ্বৰীফৰ অসমীয়া উদ্ধৃতি সমূহ, "*অসমীয়া ইছলামী সাহিত্য প্ৰকাশন সমিতি, হেদায়েৎ পুৰ, গুৱাহাটী - ৩*" ৰ পৰা প্ৰকাশিত, **অধ্যাপক ছৈয়দ ছামচুল হুদা, (এম. এ.)** অনুদিত "**কোৰাণ বোধ**"ৰ পৰা লোৱা হৈছে।

Printed at **ComPress**, Ambari,Guwahati-1



**সেই কালাম মাংস হ'ল আৰু অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ হৈ আমাৰ মাজত বসতি কৰিলে।**

(যোহন ১:১৪ আয়াত)

আৰু মৰিয়মৰ ওপৰত কি প্ৰভাৱ পেলাইছিল?

১৬। ঈছা-মছীহৰ ১২ বছৰৰ পৰা ৩০ বছৰ বয়সৰ জীৱন কাল সমন্ধে কিতাবুল মোকাদ্দছ নীৰৱতাৰ সম্ভাব্য কাৰণ কি?

১৭। "মোৰ পিতৃৰ ঘৰত মই থাকিব লাগিব"— ঈছা-মছীহৰ এই কথাৰ পৰা আপুনি কি বুজিব?

১৮। ইয়াহিয়াৰ ওচৰত ঈছা-মছীহৰ এই কথাৰ পৰা আপুনি কি জ্ঞান লাভ কৰিব—"কাৰণ খোদাৰ ইচ্ছা এইদৰেই আমি পূৰণ কৰা উচিত"?

১৯। ঈছা-মছীহৰ ত্বৰীকাৰ সময়ত কিদৰে আমি পৱিত্ৰ তিনিটা তত্বৰ উপস্থিতি দেখা পাওঁ?

মছীহি ঈমান সম্বন্ধীয় আপোনাৰ প্ৰশ্ন থাকিলে আমি আনন্দৰে সেইবোৰৰ উত্তৰ দিম। খামৰ ওপৰত আৰু চিঠিত আপোনাৰ নাম-ঠিকনা স্পষ্টকৈ লিখিব।


*দ্বাৰ-উল-মছীহ*

ডাক বাকচ নং : ২৩৪

গুৱাহাটী-৭৮১ ০০১, অসম।


**তেওঁলোক ধন্য, যিসকলে খোদাৰ কালাম শুনে আৰু সেই মতে কাৰ্য কৰে।**

(লূক ১১:২৮)



*উঠা, দীপ্তি দিয়া কিয়নো তোমাৰ নূৰ আৰু মাবুদৰ জালাল তোমাৰ ওপৰত উদয় হ'ল। কিয়নো, চোৱা অন্ধকাৰে পৃথিৱীক আৰু ঘোৰ এন্ধাৰে লোকসমূহক ঢাকিব, কিন্তু মাবুদ তোমাৰ ওপৰত উদয় হ'ব আৰু তেওঁৰ জালাল তোমাৰ ওপৰত প্ৰকাশিত হ'ব*

*(ইশাইয়া ৬০ঃ ১-২)*

বিষয় সূচী


| | | |
|---|---|---|
| এক | ঃ | ভূমিকা |
| দুই | ঃ | মছীহৰ ব্যক্তিত্ব |
| তিনি | ঃ | মছীহৰ কাহিনীৰ উৎস |
| চাৰি | ঃ | ঈছা-মছীহৰ বংশ তালিকা |
| পাঁচ | ঃ | জিব্ৰাইল-এ জাকাৰিয়াৰ ওচৰত সু-খবৰ ঘোষণা কৰা |
| ছয় | ঃ | জিব্ৰাইল-এ মৰিয়সৰ ওচৰত সুখবৰ ঘোষণা কৰা |
| সাত | ঃ | মছীহৰ জন্ম |
| আঠ | ঃ | পণ্ডিত সকলে শিশু মছীহক দৰ্শন কৰা |
| ন | ঃ | ঈছা মছীহৰ শৈশৱকাল |
| দহ | ঃ | ব্যপ্‌তিস্মদাতা ইয়াদিয়া পথ প্ৰস্তুত কৰা |
| এঘাৰ | ঃ | অভীক্ষা |




# প্ৰশ্ন উত্তৰ

আপুনি যদি এই কিতাবটি মনোযোগ দি পঢ়িছে, তেনেহ'লে তলৰ প্ৰশ্নবোৰৰ উত্তৰ সহজেই দিব পাৰিব। আপোনাৰ উত্তৰ ডাকযোগে আমালৈ পঠাই দিয়ক। কমপক্ষেও বাৰটা প্ৰশ্নৰ উত্তৰ দিব পাৰিলে আমি পুৰস্কাৰ হিচাবে আমাৰ প্ৰকাশিত আন এটি কিতাব পঠিয়াই দিম। অনুগ্ৰহ কৰি আপোনাৰ নাম ও ঠিকনা শুদ্ধকৈ লিখিব।

১। মুছাৰ চৰিয়ত মানৰ জাতিক নাজাত কৰিবলৈ সক্ষম হোৱা নাই কিয়?

২। মছীহক আমাৰ প্ৰয়োজন, তাক দেখুৱাবলৈ দুটা কাৰণ দিয়ক।

৩। মছীহৰ বে-গুণাহ ব্যক্ত কৰা পীলাতৰ সাক্ষ্যটো লিখক।

৪। লূকৰ পেচা কি আছিল আৰু তেওঁ কাৰ কাৰণে ইঞ্জিলৰ বিৱৰণটি লিখিছিল।

৫। 'কালাম' (Logos) শব্দটো ঈছা মছীহৰ বাবে উপযুক্ত কিয়?

৬। জাকাৰিয়া কিয় বোবা হৈ গৈছিল?

৭। খোদাই প্ৰত্যেকৰ মোনাজাতৰ উত্তৰ নিদিয়ে কিয়?

৮। কুমাৰী মৰিয়ম কিদৰে গৰ্ভৱতী হৈছিল?

৯। মৰিয়ম গৰ্ভৱতী, এইকথা জনাৰ পিছত ইফচুফে কি কৰাৰ চিন্তা কৰিছিল?

১০। মৰিয়মে দেখা কৰিব যোৱাৰ পিছত এলিজাবেতৰ গৰ্ভত শিশুটিয়ে কি কৰিছিল?

১১। ঈছা-মছীহৰ জন্মৰ আগত কি কাৰণত ইউচুফ আৰু মৰিয়মে নাচৰতৰ পৰা বেথলেহেম লৈ যাব লগা হৈছিল?

১২। ভেড়া ৰখীয়াসকলৰ ওচৰত ফিৰিস্তাসকল কিয় প্ৰথমে আৱিৰ্ভূত হৈছিল?

১৩। মৰিয়মৰ লগত ঘটিব বুলি চামাউনে কি ভৱিষ্যতবাণী কৰিছিল?

১৪। ঈছা-মছীহৰ জন্ম-বিষয়ক ভৱিষ্যতবাণীটো লিখক?

১৫। পণ্ডিতসকলৰ আগমন হেৰোদ ৰজা, বেথলেহেমবাসী, ইউচুফ

যেন মছীহৰ লগত জৰিত থকাৰ **কাৰণে** খোদাৰ নিৰ্দোষীতা আমালৈ আহে" (২ কৰিন্থীয়া ৫ঃ১২)।

দ্বিতীয়তে পৰিচৰ্য্যাৰ কাৰণে মছীহৰ তৃৰীকা গ্ৰহণ প্ৰয়োজন আছিল। নতুন ৰাজ্যৰ শাসনকৰ্তা হিচাবে তেওঁ মুক্ত ধৰণে তেওঁৰ পৰিচৰ্য্যাত প্ৰৱেশ কৰিবলৈ গৈছিল, যি ৰাজ্যৰ প্ৰতিষ্ঠাপক আৰু শাসনকৰ্তা তেওঁ নিজে। মছীহৰ জীৱনৰ তাৎপৰ্য্য এয়ে যে, মানুহক তেওঁ নতুন মন আৰু বেহেস্থী জীৱন দিয়াৰ ক্ষমতা আছে। তৃৰীকা গ্ৰহণত সেয়ে তেওঁ আনুষ্ঠানিকভাৱে নবী, ইমাম আৰু শাসনকৰ্তা হিচাবে অধিষ্ঠিত হৈছিল।

পিতৃৰ লগত সম্পূৰ্ণ একাত্মা হৈ ঈছা-মছীহ পানীৰ পৰা উঠি আহিছিল। তেওঁৰ ওপৰত পাক ৰূহ নামি অহাৰ কাৰণে তেওঁ মোনাজাত কৰিছিল। সঁচাকৈ আকাশ ফৰকাল হৈ তেওঁৰ মোনাজাতৰ উত্তৰ আহিছিল। এটি পাৰ চৰাই তেওঁৰ ওপৰত পৰিছিল আৰু এইদৰে এটি আৱাজ আহিছিল, "এওঁৱে মোৰ প্ৰিয় ৰূহানী পুত্ৰ, এওঁত মই পৰম সন্তুষ্ট।" (মথি ৩ঃ১৭)।

মছীহক চিনিব পাৰে তাৰ বাবেই ইয়াহিয়াৰ ওচৰত এটা চিন আছিল, "যাৰ ওপৰত পাক ৰূহ নামি অহা দেখা পাবা, তেৱেঁই সেইজন, যিয়ে পাক ৰূহুত তৃৰীকা দিব। মই সেইয়া দেখিছো আৰু সাক্ষী দিছো যে এওঁৱে খোদাৰ ৰূহানী পুত্ৰ" (ইউহোন্না ১ঃ৩-৪)। পাক ৰূহ পাৰ চৰাইৰ আকাৰত নামি অহাৰ বাবে এই প্ৰতিশ্ৰুতি উপযুক্ত প্ৰমান। তৃৰীকাদাতা ইয়াহিয়াই পাৰ চৰাই দেখা মাত্ৰেই নিঃসন্দেহে বুজিব পাৰিলে যে, তেওঁৰ আগত ঠিয় হৈ থকা জনেই তেওঁ, যিজন তেওঁৰ পিছত আহিব— যিজন তেওঁৰ আগতো আছিল আৰু এতিয়াৰ পৰা পাক ৰূহুত তৃৰীকা দিব।

পাৰ চৰাইটো দেখা হোৱাৰ সময়তে এটি কণ্ঠস্বৰত শুনা গ'ল ঃ "এওঁৱে মোৰ প্ৰিয় ৰূহানী পুত্ৰ, এওঁত মই পৰম সন্তুষ্ট।" (মথি ৩ঃ১৭)। তিনিটা কথাৰ এইটো হ'ল প্ৰথমটো, যেতিয়া পুত্ৰৰ ক্ষেত্ৰত সাক্ষী দিবলৈ বেহেস্তৰ পিতৃৰ কণ্ঠস্বৰ শুনা গৈছিল। আমি দেখা পাওঁ ইয়াৰ ভিত্তিতে ঈছা-মছীহ তেওঁৰ ৰছূলসকলক তেওঁত ঈমান আনিব খোজাসকলক 'পিতৃ, পুত্ৰ আৰু পাক ৰূহৰ নামত তৃৰীকা দিবলৈ আদেশ কৰিছিল (মথি ২৪ঃ২৯)।



# পাতনি

আজিৰ দ্ৰুত গতিৰ যুগত আকাশী যান সমুহে দূৰ-দূৰণিৰ দেশ সমুহ ওচৰ কৰি তুলিছে। বহুতে দেশে-বিদেশে সহজে সহজে গৈছে আৰু আহিছে। পুস্তক, দূৰদৰ্শনৰ আৰু অনাতাঁৰ কাৰ্য্যসূচী আদিৰ নিচিনা প্ৰতিদিনৰ বিষয় সমূহৰ প্ৰভাৱত আমাৰ মনবোৰ প্ৰভাম্বিত হোৱাত আমি এখন গোলকী গাৱঁত পৰিণত হৈছো। এইবোৰে কেতিয়াবা জগতৰ মানুহক কেনা লগাইছে আৰু সময়ত নিৰাশাত ভোগাইছে। বিবিধ সমস্যাই আজিৰ জগতখনৰ কোলাহলৰ সৃষ্টি কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই ইমান অবিশ্বাস্য ৰূপে উন্নতি সাধন কৰাৰ এই যুগতো কিন্তু সেই একেটা পুৰণি প্ৰশ্নই এতিয়াও বাহাল আছে, অনাদি অনন্ত কালৰ সত্যটোনো কি?

পঢুৱৈ সমাজৰ জ্ঞাতাৰ্থে জনাওঁ যে, এই কিতাব খনি "মূল ইংৰাজী" ''The Life of Chirst (Book-1) His Birth and Early Years'' ৰ প্ৰথম অসমীয়া সংস্কৰণ। অনুবাদ কাৰ্যত ভাই তমজীদ জালাল আহমেদে সহায় কৰা কাৰণে তেওঁলৈ ধন্যবাদ। কিতাব খনিত এনে কিছুমান উৎস বা ঐতিহাসিক ঘটনাৰ উল্লেখ আছে যিবোৰৰ লগত পঢুৱৈ সমাজে সুপৰিচিত নহবও পাৰে। কিন্তু কিতাবখনে আমাৰ মুছলমান ভাই ভনী তথা পঢ়ুৱৈ সকলক ঈছা মছীহৰ বিষয়ে অধ্যয়ন কৰিবলৈ নিশ্চয় উপকৃত কৰিব।

অসমীয়া সংস্কৰণত অজানিতে বৈ যোৱা ভুলৰ বাবে ৰাইজে ক্ষমা কৰে যেন। শেষত কওঁ, কিতাবখনে পঢুৱৈ সমাজক এই বিষয়ে সামগ্ৰিক দিশত উপকৃত কৰিব পাৰিলে আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাৱিম। মহান খোদাৰ মহব্বত, হজৰত ঈছা মছীহৰ অনুগ্ৰহ ও পাক ৰূহৰ সহভাগিতা আপোনালোক সকলোৰে লগত থাকক। খোদা হাফিজ।

**খুৰছিদ আলম**, সম্পাদক
*দাৰ-উল-মছীহ*
গুৱাহাটী, ২৭ আগষ্ট, ২০০৮ চন।

**কাৰণ আল্লাই জগতক ইমান মহব্বত কৰিলে যে, তেওঁ নিজৰ একমাত্ৰ ৰূহাণী পুত্ৰক দান কৰিলে, যাতে যিকোনোৱে তেওঁত ঈমান আনে, তেওঁ নষ্ট নহয়, কিন্তু বেহেস্তী জীৱন পায়।**

**(ইউহোন্না ৩:১৬ আয়াত)**



তেওঁ কথা কৈছে। ইহুদী ইমামসকলৰ প্ৰতি তেওঁ বেছি কঠোৰ আছিল। তেওঁ এইকথাৰে তেওঁলোকক সম্বোধন কৰিছিল, "সাপৰ বংশধৰসকল, খোদাৰ যি শাস্তি নামি আহিছে, তাৰ পৰা ৰক্ষা পাবলৈ তোমালোকক কোনে বুদ্ধি দিলে?" (মথি ৩ঃ৭)। অথচ মছীহৰ আগত তেওঁ নিজকে বৰ বিনয়ী কৰিব পাৰিছিল।

মছীহই জানিছিল, জগতত আৰ্হি দেখুৱাবলৈ তেওঁক ত্বৰীকা দিয়াৰ কাৰণে এজন ব্যক্তিৰ প্ৰয়োজন। এনে নম্ৰতাই তেওঁৰ মহত্বৰ প্ৰমান। তেওঁ কৈছিল, "এতিয়া এইদৰেই হওঁক, কাৰণ খোদাৰ ইচ্ছা আমি এইদৰেই পূৰণ কৰা উচিত।" (মথি ৩ঃ১৫)।

ঈছা-মছীহৰ ওপৰত উল্লেখ কৰা বাক্যটি আমাৰ কাৰণে গুৰুত্বপূৰ্ণ বুলি কিছু সময় এইটো লৈ গভীৰ চিন্তা কৰা ভাল হ'ব। "...উচিত", এই কথাৰ পৰা আমি বুজিব পাৰো যে, তেওঁৰ প্ৰয়োজন বুলি নহয়, কিন্তু সেইয়া প্ৰকৃততে কৰিব লগা বুলিয়ে তেওঁ ত্বৰীকা ল'বলৈ বিচাৰিছিল। ইয়াহিয়াৰ ওচৰত ঈছা-মছীহই ত্বৰীকা গ্ৰহণ কৰা প্ৰয়োজন নাছিল, যিদৰে ইয়াহিয়াৰ প্ৰয়োজন আছিল বুলি তেওঁ কৈছে। মছীহই ইয়াহিয়াৰ পৰিচৰ্য্যাক উৎসাহিক কৰাৰ বাবেই তেওঁৰ ওচৰত ত্বৰীকা গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছিল। এনেদৰে মছীহৰ কাৰণে পথ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত তেওঁও ইয়াহিয়াক সহায় কৰিছিল।

ইয়াহিয়াৰ ত্বৰীকা দুই ধৰণে অৰ্থযুক্ত আছিল। 'পাপৰ পৰা পৱিত্ৰ হোৱাৰ' আৰু 'পৰিৱৰ্তন'ৰ প্ৰতীক।

ঈছা-মছীহ তেওঁৰ পাপৰ কাৰণে ত্বৰীকা গ্ৰহণ কৰা নাছিল, তেওঁ গ্ৰহণ কৰিছিল 'পৰিৱৰ্তন'ৰ চিনস্বৰূপে। কাৰণ পাপৰ ৰূপ ধাৰণ কৰাৰ সময়তহে তেওঁ প্ৰত্যেকজন পাপীৰ স্থান গ্ৰহণ কৰিছিল, কিন্তু তেওঁ আছিল নিষ্পাপ। ইহুদীসকলৰ বিশ্বাস মতে, অপৱিত্ৰ বস্তুৰ স্পৰ্শ হ'লে পৱিত্ৰবোৰকো অপৱিত্ৰ বুলি ধৰা হৈছিল। ঠিক তেনেদৰে মানৱ শৰীৰ ধাৰণ কৰা বাবে ঈছা-মছীহকো অপৱিত্ৰ বুলি ধৰা হৈছিল। "তেওঁক অধাৰ্মিকসকলৰ লগত ধৰা হ'ল"(ইচাইয়া ৫৩ঃ১২)। এইদৰেই তেওঁ আমাৰ প্ৰতিনিধিহৈ আৰ্হি হিচাবে মন পৰিৱৰ্তনৰ ত্বৰীকা গ্ৰহণ কৰিছিল। ৰচুল পৌলে কৈছে, "ঈছা-মছীহৰ মাজত কোনো পাপ নাছিল; কিন্তু খোদাই আমাৰ পাপ তেওঁৰ ওপৰত তুলি দি তেওঁকে পাপৰ ঠাইত ঠিয় কৰায়,

যি কণ্ঠস্বৰ অৰণ্যত বাজি উঠিছিল, দেশৰ গোটেই ঠাইতে শুনা গৈছিল। তেওঁৰ সুনামে হেৰোদ এণ্টিপাচৰ লগতে সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ কৰি তুলিছিল। ত্ৰিশ বছৰ প্ৰস্তুতিৰ শেষত এদিন জৰ্দান নদীৰ পাৰত মছীহে ইয়াহিয়াৰ ওচৰলৈ আহিল। তেওঁৰ ব্যক্তিত্বৰ মৌলিক সত্বা ইমানদিন লুকাই আছিল। কিন্তু এতিয়া মাটিত বীজৰ পুলি গজি উঠাৰ দৰে সত্য প্ৰকাশ হোৱাৰ সময় হ'ল।

### ইয়াহিয়াৰ ওচৰত মছীহৰ ত্বৰীকা গ্ৰহণ

পিছত ঈছাই ত্বৰীকা গ্ৰহণ কৰাৰ বাবে গালীলৰ পৰা জৰ্দান নদীৰ পাৰত ইয়াহিয়াৰ কাষলৈ আহিল। ইয়াহিয়া কিন্তু এইকথা কৈ তেওঁক বাধা দিবলৈ চেষ্টা কৰিলে, "মইহে আপোনাৰ ওচৰত ত্বৰীকা গ্ৰহণ কৰিব লাগে, অথচ আপুনিহে মোৰ ওচৰলৈ আহিছে।"

ঈছাই তেওঁক ক'লে, "এতিয়া এইদৰেই হওঁক, কাৰণ খোদাৰ ইচ্ছা আমি এইদৰেই পূৰণ কৰা উচিত।" (মথি ৩ঃ১৫)। তেতিয়া ইয়াহিয়াই মছীহক ত্বৰীকা দিবলৈ মান্তি হ'ল।

ত্বৰীকা গ্ৰহণ কৰাৰ পিছত ঈছা পানীৰ পৰা উঠি অহাৰ লগে লগে বেহেস্থৰ দুৱাৰ মুকলি হ'ল। তেওঁ খোদাৰ ৰূহুক পাৰ চৰাইৰ দৰে উৰি আহি তেওঁৰ মূৰত পৰা দেখিলে। তেতিয়া বেহেস্তৰ পৰা কোৱা হ'ল, "এওঁৰে মোৰ প্ৰিয় ৰূহানী পুত্ৰ, এওঁত মই পৰম সন্তুষ্ট।" (মথি ৩ঃ১৭)।

ঈছা মছীহে দেখিবলৈ পালে নিজৰ পাপ স্বীকাৰ কৰিবলৈ ইয়াহিয়াই মানুহবিলাকক ভাল উপদেশ দিছে। ইয়াহিয়াই মছীহৰ নিখুট পৱিত্ৰতা সম্পৰ্কে জ্ঞাত আছিল আৰু সেয়ে তেওঁক ত্বৰীকা দিব নিবিচাৰিলে। তেওঁ এনে কথা কৈ মছীহক উভতোৱাৰ চেষ্টা কৰিলে। "মইহে আপোনাৰ ওচৰত ত্বৰীকা গ্ৰহণ কৰাৰ প্ৰয়োজন, অথচ আপুনিহে আহিছে মোৰ ওচৰলৈ" (মথি ৩ঃ১৪)।

ইয়াহিয়া সম্ভ্ৰান্ত বংশৰ মানুহ আছিল। তেওঁ আহিছিল পৱিত্ৰ স্থান এহুদিয়াৰ এক প্ৰশংসনীয় বংশৰ পৰা। তেনেস্থলতো তেওঁ মছীহক প্ৰাৰ্থনাৰ সুৰত সম্বোধন কৰিছে বুলি শুনি, আচঁৰিত হ'বলৈ একো নাই। তেওঁ জানিছিল, যাৰ আগমনৰ কথা তেওঁ ঘোষণা কৰিছিল, সেই মছীহৰ লগতে



# ভূমিকা

# মছীহৰ প্ৰয়োজনীয়তা

শুদ্ধতা আৰু সিদ্ধতাৰ পৰা ক্ৰমান্বয়ে দূৰত যোৱাৰ কাৰণে মানুহৰ অবিচাৰ আৰু দুৰ্দশা বাঢ়ি গৈছে। শুদ্ধতা অৰ্জন বা তাৰ অৱস্থাৰ উন্নয়নক সহায় কৰিবলৈ মানৱীয় দৰ্শন আজি ব্যৰ্থ হৈ পৰিছে। প্ৰখ্যাত গ্ৰীক দাৰ্শনিক চক্ৰেটিছে তেওঁৰ শিষ্য আল্‌কি বিয়াদিছক কৈছিল, "সৰ্ব্বোচ্চ উত্তমতা অৰ্জনৰ পথ মই তোমাক দেখুৱাব নোৱাৰো; কাৰণ মই সেইটো নেজানো। কিন্তু মই দৃঢ়প্ৰত্যয়ী (বিশ্বাসী) যে, সৃষ্টিকৰ্তা মঙ্গলময়। তেওঁৰ মঙ্গলময়তাৰে তেওঁ এই উত্তমতা অৰ্জনৰ পথ মানৱ জাতিক শিক্ষা দিবৰ কাৰণে যথা সময়ত এজন শিক্ষক প্ৰেৰণ কৰিব।"

তেওঁৰ অভিজ্ঞতাই নিজকে এনে শিক্ষা দিছিল যে, মানুহে নিজ প্ৰচেষ্টাৰে কাকো সংস্কাৰ কৰিব নোৱাৰে।

এজন আৰবীয় কবিয়ে কৈছে ঃ

কলুষিতসকলৰ লগত সংস্কাৰৰ কি আশা কৰা যায়?
কেৰেলাৰ মাজত মৌ ৰস বিছাৰি পোৱা নাযায়!

বিভিন্ন জাতিৰ নেতাসকলে মানুহৰ অৱস্থাৰ উন্নতিৰ কাৰণে— নিয়ম-নীতি নিৰ্ধাৰণ কৰিছে। গ্ৰীক দাৰ্শনিক হাম্মুৰাবি, মিচৰৰ পণ্ডিতসকল, ৰোমান আইন প্ৰণেতাসকল, পাৰস্যৰ জ্ঞানী পুৰোহিতসকল, ভাৰতবৰ্ষৰ ব্ৰাহ্মণসকল আৰু অন্যান্য বহুতে সেইটোৰে কৰিছে; কিন্তু যিটো প্ৰয়োজন সেইটো সম্পন্ন কৰোতে তেওঁলোকৰ সকলো জ্ঞানেই বিফল হৈছে। মুছাৰ চৰিয়ত যদিও আচ্‌মানী, তথাপি সেইটোৰ দ্বাৰাও মানুহৰ সম্পূৰ্ণ পৰিবৰ্ত্তন সাধন কৰিব পৰা নাই; কাৰণ মানুহৰ ভ্ৰান্তিবিলাক বুজিব দিয়া আৰু সিদ্ধতাৰ উদ্দেশ্যে প্ৰাণেপন চেষ্টা কৰাই আছিল ইয়াৰ উদ্দেশ্য। আল্লাহৰ নিৰূপিত একমাত্ৰ মাধ্যমৰ বাহিৰে মানুহৰ বাবে সিদ্ধতাত উপনীত হোৱাৰ আৰু কোনো পথ নাছিল। সেই পথটি হ'লঃ বেহেস্তৰ মানৱ আৰু আল্লাহৰ ৰূহানী পুত্ৰ ঈছা মছীহ। তেওঁ মানৱ জাতিলৈ এনে এটা গুণলৈ

আহিছিল; যিটো আন আন কোনেও আনিব পৰা নাছিল। তেওঁ যে কেৱল এটা মহিমামণ্ডিত ও পৰিপূৰ্ণ চৰিয়ত লৈ আহিছিল সেইটো নহয়, কিন্তু তেওঁৰ কথা, চিন্তা ও কৰ্মত তেওঁ আছিল সম্পূৰ্ণ নিখুঁট। আনে যি কৰিব কয়, সেইটো তেওঁ নিজে পৰিপূৰ্ণ কৰিছে। কথা আৰু কৰ্ম দুয়োটাৰ মাজত সামঞ্জস্য অৰ্জনৰ ক্ষেত্ৰত তেওঁ অতঃলনীয়।

সিদ্ধতাৰ পৰিপূৰ্ণতাৰ পথ নিৰ্দেশকক নহয়, বৰং আমাৰ একান্ত প্ৰয়োজন এনেকুৱা এজনক, যিজনে আমাৰ পৰিচালক হৈ আমাৰ লগত যাত্ৰা কৰিব; যাৰ আদৰ্শ আৰু পথ আমি অনুসৰণ কৰিব পাৰো। মৰিয়ম পুত্ৰ ঈছা-মছীহৰ বাহিৰে আন কোনো সিদ্ধ ও পৱিত্ৰ মানৱ এই দুনীয়াৰ বুকুত পৰিভ্ৰমণ কৰা নাই।

মুখৰ কথাৰ শিক্ষা আৰু জীৱনাদৰ্শনৰ শিক্ষাৰ মাজত কি ডাঙৰ ব্যৱধান। কথাৰ দ্বাৰা শিক্ষাদান তত্বভিত্তিক, কিন্তু আদৰ্শৰ দ্বাৰা শিক্ষা দিয়াটো বাস্তৱ। ঈছা-মছীহে যিহেতু মুখৰ কথা ও জীৱন দৃষ্টান্ত এই দুয়োটা মাধ্যমতে শিক্ষা দিছে; সেই বাবেই এই কলুষিত জগতত তেওঁৰেই নৈতিক উৎকৰ্ষৰ চুড়ান্ত অভিব্যক্তি। দুনিয়াক তেওঁ উত্তমতা, সুখ আৰু পৰিপূৰ্ণতাৰ এটা মানদণ্ড দিছে । মছীহে আমাৰ কাৰণে কি কৰিছে আৰু তেওঁ কি শিক্ষা দিছে সেইটো বুজিবলৈ অপেক্ষা কৰাটোৱে আমাৰ কাৰণে গুৰুত্ব পূৰ্ণ বিষয়। তেতিয়াহে ব্যক্তিগত জীৱনৰ পৰিৱৰ্ত্তনৰ উপায় আৱিষ্কাৰৰ কাৰণে আৰু আমাৰ কাঙ্খিক সুখৰ কাৰণে তেওঁৰ জীৱন অধ্যয়ন কৰা গুৰুত্বপূৰ্ণ বিষয়। সম্পূৰ্ণ নিখুত ও মহান এইজন ব্যক্তিৰ গুনাগুণ বৰ্ণনা কৰাৰ প্ৰচেষ্টাত প্ৰত্যেক বাগ্মীৰ ভাষাতে কমকৈ দেখা যায়। এই কাৰণে আত্মাসমূহৰ (জীৱনৰ) পালক ও অধ্যক্ষ আৰু বেহেস্তৰ বাৰ্তাবাহক ঈছা-মছীহৰ ওচৰত মানুহক পৰিচালিত কৰাই মানুহৰ ইচ্ছা আৰু আশা। প্ৰকৃত পৰিপূৰ্ণতা অৰ্জন কৰিবলৈ, বিনামূল্যাই নাজাতৰ অভিজ্ঞতা লাভ কৰিবলৈ আৰু বেহেস্তৰ মহিমাত তেওঁৰ লগত পৱিত্ৰ আৰু চিৰস্থায়ী এক জীৱন উপভোগ কৰিবলৈ একমাত্ৰ তেওঁৰেই আমাক সক্ষম কৰি তুলিব পাৰে। জনৈক কবি আমাৰ প্ৰভূ ঈছা-মছীহক এইভাৱে বৰ্ণনা কৰিছেঃ

জাগি উঠা, হে গায়ক-বাদক দল।



প্ৰদানৰ সময়ৰ বিজুলী মৰাৰ দৰে শব্দ। তেওঁ তেওঁৰ অনুসৰণকাৰীসকলক প্ৰশ্ন কৰিছিল, “খোদাৰ যি শাস্তি নামি আহি আছে তাৰ পৰা পলাবলৈ এই বুদ্ধি তোমালোকক কোনে দিলে” (লূক ৩ঃ৭)?

তেওঁ দৃঢ়ভাৱে কৈছিল যে, ইব্ৰাহিমৰ বংশধৰ হোৱাৰ বাবেই তেওঁলোকে খোদাৰ পুত্ৰ গন্য নহব, কাৰণ খোদাই শিলৰ পৰা ইব্ৰাহিমৰ সন্তান-সন্ততি সৃষ্টি কৰিব পাৰে। ইব্ৰাহিমৰ ধৰ্মৰ অবিশ্বাসী মানুহক তেওঁৰ বংশধৰ বুলি ধৰিব ল’ব নোৱাৰে। ইয়াহিয়াৰ প্ৰচাৰ ইমানেই কাৰ্য্যকৰী আছিল যে, অসংখ্য মানুহ তেওঁৰ কথা শুনিবলৈ আহিছিল। সকলো শ্ৰেণীৰ মানুহৰ ওপৰতেই তেওঁৰ প্ৰভাৱ পৰিছিল আৰু তেওঁলোকৰ প্ৰশ্নবোৰৰ উত্তৰ তেওঁ দিছিল।

মছীহৰ উত্তম কৰ্মৰ আগতীয়া আভাষ ইয়াহিয়াই দিছিল। তেওঁ কৈছিল, যদিও তেওঁ পানীত তৃৰীকা দিছিল, সেইটো আছিল পাক ৰূহৰ তৃৰীকাৰ আগতীয়া ছবি মাত্ৰ। একমাত্ৰ খোদাইহে পাক ৰূহৰ তৃৰীকা দিব পাৰে। আন ভাষাত ক’বলৈ গ’লে, তেওঁ এই কথাই কৈছিল যে, মছীহেই খোদাবন্দ, কাৰণ সাধাৰণ মানুহে পাক ৰূহৰ তৃৰীকা দিব নোৱাৰে। তাৰ বাহিৰে যিজন আহিছে, সেই মছীহ অতীততো আছিল আৰু আগলৈও থাকিব। তেওঁৰ এই বাক্যৰ দ্বাৰা তেওঁ এইটো প্ৰমান কৰিব বিচাৰিছিল যে, মছীহই খোদাবন্দ।

কোনো সন্দেহ থাকিব নোৱাৰে যে, তৃৰীকাদাতা ইয়াহিয়াই মছীহৰ বাবে পথ প্ৰস্তুত কৰিছিল, কাৰণ তেওঁৰ প্ৰচাৰৰ দ্বাৰা বহু মানুহ মছীহৰ শিক্ষা শুনাৰ আৰু ভৱিষ্যতে তেওঁক গ্ৰহণ কৰাৰ বাবে প্ৰস্তুত আছিল। মছীহে নিজেই তেওঁৰ প্ৰকাশ্য পৰিচৰ্যাৰ আৰম্ভণিতে যি কথা কৈছিল, ইয়াহিয়াও ঠিক সেই কথাই কৈছিল, “পাপৰ পৰা মন ঘূৰোৱা, কাৰণ বেহেস্তী ৰাজ্য ওচৰ চাপিছে” (মথি ৪ঃ১৭)।

নাজাতদাতা মছীহৰ পথ প্ৰস্তুত কৰিবলৈ খোদাই ইমাম শ্ৰেণীৰ পৰা তৃৰীকাদাতা ইয়াহিয়াক মনোনীত কৰিছিল। তৌৰাত আৰু ইঞ্জিল শৃৰীফৰ তেওঁ সংযোগকাৰী আছিল। খোদাই তেওঁক এজন নবী হিচাবে পঠাইছিল। তেওঁক তৌৰাত শৃৰীফৰ শেষ নবী আৰু ইঞ্জিল শৃৰীফৰ প্ৰথম প্ৰচাৰক মনোনীত কৰা হৈছিল।

"আৰু যিসকল জ্ঞানী, তেওঁলোক আকাশৰ পোহৰৰ দৰে,
আৰু যিসকলে আনক ধৰ্মৰ পথলৈ আনে তেওঁলোক
তৰাবোৰ দৰে, চিৰদিন জিলিকি থাকিব" (দানিয়েল ১২ঃ৩)

ইয়াহিয়া কেঁচুৱা থকাতে তেওঁ মাক-বাপেকৰ মৃত্যু হৈছিল। তেওঁৰ ভাই-ভনী নাছিল। ডাঙৰ হোৱাৰ পিছত তেওঁ বাপেকৰ দৰে ইমাম নহ'ল। তেওঁ জানিছিল যে তেওঁ নাচৰতীয় হ'ব লাগিব। তেওঁ অৰণ্যত বাস কৰি কঠোৰ সন্যাস ব্ৰতৰ জীৱন পদ্ধতি অনুসৰণ কৰিছিল। তেওঁৰ সাজ-পাৰ আছিল উটৰ নোমেৰে তৈয়াৰী। কঁকালত চামৰাৰ বেল্ট পিন্ধিছিল, খাইছিল কীট-পতঙ্গ আৰু বনৰ মৌ ৰস। ত্ৰিশ বছৰ বয়সলৈকে ইয়াহিয়াৰ অতীত জীৱন সম্বন্ধে ইঞ্জিন শ্বৰীফে আমাক একো কোৱা নাই। এই সময়চোৱাৰ এটি মাত্ৰ উল্লেখ পোৱা যায়, লূক ১ঃ৮০ আয়াত, "পিছত ইয়াহিয়া বাঢ়ি অন্তৰত শক্তিশালী হ'ব ধৰিলে। ইস্ৰায়েলীসকলৰ আগত মুক্তভাৱে প্ৰৱেশৰ আগমুহূৰ্তলৈ তেওঁ অৰণ্যত আছিল।"

মছীহ ও ইয়াহিয়াৰ বাহ্যিক আচৰণত সাদৃশ্য নথকা সত্বেও পৰস্পৰে জীৱনৰ আত্মিক মূলবোধৰ প্ৰতি অধিক মনোযোগী আছিল। মানুহবিলাকক সংস্কাৰ কৰা আৰু সত্য কথা কোৱাত দুয়োজনে আগ্ৰহী আছিল।

মছীহৰ আগমন নিশ্চিত, ব্যাপকভাৱে প্ৰচলিত এই বিশ্বাসেই আছিল নিঃসন্দেহে তৃৰীকদাতা ইয়াহিয়াৰ ওচৰত জনতাৰ আকৰ্ষণৰ কাৰণ। ইয়াহিয়াই যেতিয়া ঘোষনা কৰিলে যে মছীহ আহি আছে, তেতিয়া ধৰ্মীয় আগ্ৰহ আৰু বাঢ়ি গ'ল। অগণন মানুহ তেওঁৰ ওচৰলৈ আহিব ধৰিলে। এইদৰে তেওঁ নবীহিচাবে তেওঁৰ পৰিচয় সুনিশ্চিত কৰিছিল যে, "অৰণ্য অঞ্চলত আল্লাহৰ পৰা এজনে ঘোষণা কৰিছে" বুলি বৰ্ণনা কৰা ব্যক্তিজন তেৱেঁই। মানুহবিলাকক নিৰ্দেশ দিওতা তেওঁ আছিল খোদাৰ এজন বাৰ্তাবাহকহে। "গছৰ গুৰিত কোৰ লাগিয়ে আছে। যি গছত ভাল ফল নধৰে, সেইবোৰ কাটি জুইত পেলাই দিয়া হ'ব।" তেওঁলোকক সাৱধান কৰি তেওঁ কৈছিল, শস্য জাৰিবলৈ কুলা তেওঁৰ হাতত আছে, তেওঁ শস্যবোৰ ভড়ালত চপাব আৰু তুহবোৰ দপদপীয়া জুইত পুৰি পেলাব।

"অৰণ্য অঞ্চলত এজনে চিঞৰি জনাইছে"—সেইটোৱেই আছিল ইয়াহিয়াৰ কণ্ঠস্বৰ। ইয়াহিয়াৰ এই কণ্ঠস্বৰ আছিল চিনায় পৰ্বতত চৰিয়ত



গোৱা হে প্ৰিয় মুক্তিদাতাৰ গান।
প্ৰাৰ্থনা কৰা, সু-ললিত সুৰে,
তেওঁ আশ্চৰ্য্য, তেওঁৱেঁই জ্যোতিষ্মান।
উচ্চকৃত তেওঁ নিজ মহিমাময়;
চৰিত্ৰত তেওঁ অতুলনীয় ক্ষয়হীন।
সকলো বস্তুৰে স্ৰষ্টা তেওঁ,
সকলো জীৱৰে অস্তিস্ত তেওঁৰে দান।
তেওঁ অনন্ত, তেওঁ চিৰজীৱিত
সৃষ্টিৰ আগৰ পৰাই অস্তীত্ব শীল।
দয়ালু আৰু পৱিত্ৰতম তেওঁ—
ধৰ্ম সূৰ্য্য সদায় দীপ্তিমান।
উজ্জ্বল প্ৰভাতৰ নক্ষত্ৰ তেওঁ,
তেওঁৱেঁই একমাত্ৰ পূৰ্ণ পূণ্যৱান,
তেওঁৰ তুলনা কাৰো সতে নহয় সমান।

তেওঁৰ আগমনৰ ৭০০ বছৰ পূৰ্বে ইশাইয়া নবীৰ এটা ৰহী ঈছা-মছীহে পাঠ কৰিব ল'লে, য'ত লিখা আছে ঃ

আল্লাহৰ ৰুহ মোৰ ওপৰত আছে, কাৰণ তেওঁৱেঁই মোক মনোনীত কৰিলে; যাতে মই দৰিদ্ৰ সকলৰ ওচৰত সু-খবৰ প্ৰচাৰ কৰো। তেওঁ মোক বন্দীসকলৰ কাৰণে স্বাধীনতাৰ কথা, অন্ধসকলৰ বাবে দেখা পোৱাৰ কথা ঘোষণা কৰিবলৈ পঠাইছে। যিসকলৰ ওপৰত অত্যাচাৰ হৈ আছে, তেওঁ মোক সেইসকলক মুক্ত কৰিবলৈ পঠাইছে। ইয়াৰ বাহিৰেও আল্লাই মোক ঘোষণা কৰিবলৈ পঠাইছে যে, এতিয়া তেওঁৰ ৰহমত দেখুৱাৰ সময় হৈছেঃ (লূক ৪ঃ১৮,১৯)

ইঞ্জিল শ্বৰীফত ঈছা-মছীহ সম্বন্ধে এইদৰে লেখা আছে ঃ

**আমাৰ বিশ্বাসৰ আদি আৰু সিদ্ধি কৰ্ত্তা ঈছালৈ চাই থাকোহঁক। তেওঁ তেওঁৰ আগত থকা আনন্দৰ নিমিত্তে অপমানকে হেয় জ্ঞান কৰি সলীব যন্ত্ৰণা সহন কৰি আল্লাহৰ সিংহাসনৰ সোঁফালে বহিল। এতেকে তোমালোকে যেন নিজ নিজ প্ৰাণৰ ক্লান্তিত ক্লান্ত নোহোৱা, এই কাৰণে**

যি জনাই নিজৰ বিৰুদ্ধে কৰা গুণাহগাৰবিলাকৰ এনে প্ৰতিবাদ সহন কৰিছিল, তেওঁলৈ মনোযোগ কৰাহঁক। তোমালোকে গুণাহৰ লগত যুদ্ধ কৰি এতিয়াও তেজ বোৱালৈকে প্ৰতিৰোধ কৰা নাই (ইব্ৰী ১২ঃ২-৪)।

কাৰণ তাৰ নিমিত্তই তোমালোকক আমন্ত্ৰিত হলা; কিয়নো তোমালোক যেন মছীহৰ খোজৰ অনুগামী হোৱা, এই কাৰণে তেওঁ তোমালোকৰ অৰ্থে দুঃখ-ভোগ কৰি তোমালোকৰ কাৰণে এটি আৰ্হি ৰাখি গ'ল" (১ পিতৰ ২ঃ২১)।

এই কাৰণে আমি এই কথা কওঁ যে, নিম্নোক্ত কাৰণ সমূহৰ বাবে মছীহক আমাৰ প্ৰয়োজন।

১। মছীহ মানৱৰ ৰূপত আল্লাহৰ কালাম বা তেওঁৰ ৰূহানী পুত্ৰ। সেইবাবেই তেওঁৰ বেহেস্তৰ পিতাৰ ভাৱধাৰাৰ বাহিৰে আৱিৰ্ভাৱ হোৱা তেওঁৰ পক্ষে সম্ভৱ নহয়। ইঞ্জিল শ্বৰীফত বৰ্ণিত 'মহব্বত' শব্দটিয়ে সেইটোকে পূৰ্ণভাৱে বৰ্ণনা কৰে। বিশ্বাস সম্পৰ্কত বেহেস্তৰ পৰা আহি অসীম মহব্বতৰ গৰাকী ঈছা-মছীহে প্ৰকাশ কৰিছে যি যিসকলে তেওঁক মহব্বত কৰে সেইসকলৰ কাৰণেই কেৱল নহয়, কিন্তু যিসকল তেওঁৰ শত্ৰু সেইসকলৰ কাৰণেও তেওঁ আহিছে। সকলোৰ প্ৰতি, আনকি শত্ৰুসকলৰ প্ৰতিও মহব্বতৰ নীতিটো সমগ্ৰ মানৱজাতিয়ে তেওঁৰ পৰাই পাইছে। এই নীতিটোকে তেওঁ নিজৰ শিক্ষামালাত বিধিবদ্ধ কৰিছে; তেওঁৰ আচৰণ পদ্ধতিত প্ৰত্যায়িত কৰিছে আৰু ঘোষণা কৰিছে যে, মহব্বতেই চৰিত্ৰৰ পূৰ্ণতা।

২। অনন্ত কালৰ পৰা মছীহ খোদাৰ মনোনীত ব্যক্তি। খোদাৰ অসীম আৰু বৰ্ণনাতীত মহব্বত ঘোষণা কৰাৰ কাৰণে আৰু মানৱজাতিৰ পাপৰ কাৰণে সলীবত মৃত্যুবৰণ কৰাৰ কাৰণে উপযুক্ত সময়ত তেওঁ খোদাৰ দ্বাৰা প্ৰেৰিত হৈছিল।

৩। নাজাত দাতা মছীহ এই কাৰণে নিজৰ ইচ্ছাত মানৱ ৰূপ লৈছিল, যাতে তেওঁ মানুহৰ প্ৰতি সহানুভূতিশীল হ'বলৈ আৰু মুক্তি কৰ্ম সমাধা কৰিব পাৰে।

৪। মানুহৰ কাণত সোমোৱা শ্ৰেষ্ঠতম সু-সংবাদ ইঞ্জিল শ্বৰীফৰ বিষয়বস্তু হ'ল ঈছা মছীহ। সেয়া হ'ল উপযুক্ত সময়ত আৰু চিৰকালৰ



যোগ্য নহওঁ। তেওঁ পাক ৰূহ আৰু জুইত তোমালোকক তৰীকা দিব। তেওঁৰ হাতত কুলা আছে। মৰণা মাৰি ফচল চপাই নিজেই পৰিষ্কাৰ কৰিব। তেওঁ নিজৰ শস্য ভড়ালত চপাব, কিন্তু ঘূলাবোৰ নচপাব, সেইবোৰ জুইত পুৰি পেলাব (মথি ৩ঃ১-১২)।

ঈছা-মছীহে নিজৰ সম্পৰ্কে কৈছিল, "মইয়েই জগতৰ নূৰ" (ইউহোন্না ৮ঃ১২)। এই নূৰ আৱিৰ্ভাৱ হোৱাৰ আগতে তৰীকাদাতা ইয়াহিয়া বহুদিন আগত ঘোষনা কৰিছিল, "মোৰ পিছতে এজন আহি আছে। তেওঁ মোতকৈ শক্তিশালী। উবুৰি হৈ তেওঁৰ ভৰিৰ জোতাৰ ফিতা খুলিবৰো যোগ্য মই নহওঁ" (মাৰ্ক ১ঃ৭)। মছীহৰ আগমণৰ আগতে এনে ভৱিষদ্বানী কৰা হৈছিল। ইচাইয়া ৪০ঃ৩, মলাখী ৩ঃ১ আৰু ৪ঃ৫। তেওঁৰ বিষয়ে ঈছা-মছীহে কৈছিল, "ইয়াহিয়া আছিল সেই চাকি য'ত জ্বলি পোহৰ দিছিল" (ইউহোন্না ৫ঃ৩৪)। ৰচুল ইহোন্নাই কৈছে, তৰীকাদাতা আছিল মছীহৰ সম্পৰ্কে সাক্ষী দিয়াৰ বাবে খোদাই পঠোৱা এক ব্যক্তি (ইউহোন্না ১ঃ৮)।

প্ৰথমতে সাধাৰণ জনগনৰ মাজত তৰীকাদাতা ইয়াহিয়া জনপ্ৰিয় হৈছিল। ইহুদীসকল, তেওঁলোকৰ নেতাসকলৰ মাজত আনকি নিষ্ঠুৰ ৰজা হেৰোদ এণ্টিপাচৰ ওচৰতো তেওঁ সোনকালেই নিৰ্ভৰযোগ্য আত্মিক ব্যক্তি হৈ উঠিছিল। ইহুদীসকলৰ মনত প্ৰশ্ন জাগিছিল, "এওঁৱেই মছীহ নেকি?" ইহুদীসকলে মছীহৰ সম্পৰ্কে যিমানবোৰ চিনৰ আশা কৰিছিল সেইবোৰৰ অবিহনেই ইয়াহিয়াই এনে সুখ্যাতি অৰ্জন কৰিছিল।

মছীহৰ সাক্ষী ইয়াহিয়াৰ বাবে গুত্বপূৰ্ণ সমৰ্থন। ইহুদীসকলক ঈছা-মছীহে এইদৰে কৈছিল, "অৰণ্যত সেইয়া কি চাব গৈছিল? কোনোবা নবীক? হয়, মই আপোনালোকক কৈছো, তেওঁ নবীতকৈয়ো ডাঙৰ। ইয়াহিয়া তেনে ব্যক্তি যাৰ বিষয়ে কিতাবত লিখা আছে— "চোৱা, মই তোমাৰ আগত মোৰ সংবাদদাতা পঠাইছো। তেওঁৱে তোমাৰ আগে আগে তোমাৰ পথ প্ৰস্তুত কৰিব"। মই আপোনালোকক সঁচাকৈ কৈছে, মানুহৰ মাজত তৰীকদাতা ইয়াহিয়াতকৈ ডাঙৰ আৰু কোনো নাই। কিন্তু বেহেস্তী ৰাজ্যত যি সকলোতকৈ সৰু, তেৰোঁ ইয়াহিয়াতকৈ মহান।" (মথি ১১ঃ৯-১১)। ইয়াহিয়াৰ মহত্ব আছিল দানিয়েল নবী বৰ্ণনা কৰাৰ দৰে:

কাৰণ এইটোৱে তেওঁৰ প্ৰথম লিপিবদ্ধ উক্তি। "মোৰ পিতৃৰ গৃহত মই থাকিব লাগিব।" এই কথাৰ পৰাই তেওঁৰ বাকী জীৱনৰ উদ্দেশ্যৰ আভাস পাব পাৰি। তেওঁৰ আত্মচেতনাৰ আৰম্ভনিৰ পৰা জীৱনৰ কৰ্তব্য সমাপ্ত আৰু বেহেস্ততত প্ৰৱেশ কৰালৈকে এবাৰো সেই উদ্দেশ্যৰ পৰা ল'ৰচৰ হোৱা নাই।

## তৃৰীকাদাতা ইয়াহিয়াই পথ প্ৰস্তুত কৰা

পিছত তৃৰীকাদাতা ইয়াহিয়া এহুদিয়াৰ সৰু অঞ্চলত আহি এই বুলি প্ৰচাৰ কৰিব ধৰিলে, "পাপৰ পৰা মন ঘূৰাই লোৱা, কাৰণ বেহেস্তী ৰাজ্য ওচৰ চাপিছে।"

এই ইয়াহিয়াৰ বিষয়েই নবী ইচাইয়াই কৈছে—

"মৰু অঞ্চলত এজনৰ কণ্ঠই চিঞৰি কৈছে,

পথ ঠিক কৰা তেওঁৰ ৰাস্তা পোন কৰা।"

ইয়াহিয়াই উটৰ নোমৰ কাপোৰ পিন্ধিছিল আৰু তেওঁৰ কঁকালত চামৰাৰ বেল্ট আছিল। তেওঁ ফৰিং আৰু বনৰীয়া মৌ ৰস খাইছিল। জেৰুচালেম, গোটেই এহুদিয়া আৰু জৰ্দান নদীৰ চাৰিওফালৰ মানুহবোৰ সেই সময়ত তেওঁৰ ওচৰলৈ আহিব ধৰিলে। এই মানুহবোৰে যেতিয়া নিজৰ পাপ স্বীকাৰ কৰিলে তেতিয়া ইয়াহিয়াই জৰ্দান নদীত তেওঁলোকক তৃৰীকা দিলে।

ইয়াহিয়াই দেখিলে, বহুতো ফৰীচি আৰু চদ্দুকী তৃৰীকা গ্ৰহণ কৰিবলৈ তেওঁৰ ওচৰলৈ আহিছে। তেওঁ সেইসকলক ক'লে, '..... সৰ্পৰ বংশধৰসকল। খোদাৰ গজবৰ পৰা ৰক্ষা পাবৰ কাৰণে এই বুদ্ধি তোমালোকক কোনে দিলে? ঠিকে আছে, তোমালোকে যি পাপৰ পৰা মন ঘুৰাইছা, তাৰ উপযুক্ত ফল তোমালোকৰ জীৱনত দেখিবলৈ পাবা। তোমালোক ইব্ৰাহিমৰ বংশৰ মানুহ বাবেই নাজাত পাবা বুলি নাভাবিবা। মই তোমালোকক কৈছো, খোদাই শিলবোৰৰ পৰাও ইব্ৰাহিমৰ বংশধৰ সৃষ্টি কৰিব পাৰে। গছৰ গুৰিত কুঠাৰ লাগিয়ে আছে। যি গছত ফল নধৰে, সেইডাল কাটি জুইত পেলাই দিয়া হ'ব। মন ঘূৰাইছা বুলি মই তোমালোকক তৃৰীকা দিছোহঁক। কিন্তু মোৰ পিছত যিজন আহি আছে, তেওঁ মোতকৈ অধিক শক্তিশালী। মই তেওঁৰ জোতাৰ ফিতা খুলিবৰো



কাৰণে লিখিত তেওঁৰ সৃষ্টি মানৱ জাতিৰ কাৰণে খোদাৰ অকৃত্ৰিম প্ৰেম।

কোনো কোনো ধৰ্মীয় জনগোষ্ঠীয়ে তেওঁলোকৰ আৰাধ্য দেৱতাৰ সৰ্বশক্তিমান সত্তাৰ ওপৰত, কোনো কোনোৱে তেওঁৰ পৱিত্ৰতাৰ ওপৰত, কিছু সংখ্যাকে তেওঁৰ জ্ঞানৰ ওপৰত, আৰু অন্যান্য বহুতে তেওঁৰ দয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ সকলোখিনি স্বীকাৰ কৰি লৈ মছীহীয়াতে ঈছা-মছীহৰ বাণীৰ ওপৰত বিশেষ জোৰ দি থাকে। সেয়া হ'ল ঃ সমগ্ৰ মানৱজাতিৰ প্ৰতি খোদাৰ মহব্বত। তেওঁ সমগ্ৰ মানুহক আনকি, জঘন্য পাপীকো তেওঁৰ ফালে ঘূৰাই আনি দোজখৰ পৰা বচাব বিছাৰিছে (ইউহোন্না ৩ঃ১৬)।

সকলো মানুহৰ প্ৰতি মহব্বতৰ নীতিৰে যিজনে জীৱন-যাপন নকৰে, তেওঁৰ মছীহী ঈমানৰ আজ্ঞাধাৰী হোৱাৰ কোনো অধিকাৰ নাই। এজন প্ৰকৃত মছীহী আনৰ সেৱা কৰিবলৈ, সিহঁতৰ কাৰণে ত্যাগ স্বীকাৰ কৰিবলৈ আৰু তেওঁৰ চুবুৰীয়াসকলৰ ভাল হোৱাৰ প্ৰতি সদায় সচেতন থাকিব লাগিব।

# মছীহৰ ব্যক্তিত্ব

নিজৰ সম্বন্ধে কোনো ব্যক্তিৰ দাবীবোৰ যিমান বেছি ডাঙৰ তেওঁৰ কাৰণে সেইবোৰ প্ৰমান কৰা সিমানেই বেছি কষ্ট সাধ্য হয়। এই কাৰণে, কোনো কোনো জ্ঞানীয়ে নিজৰ বিষয়ে সত্য বিষয়বোৰো দাবী কৰাৰ পৰা বিৰত থাকে এই ভাবি যে, তেওঁ হয়তো সময়ত সেইবোৰ প্ৰমান কৰিবলৈ বিফল হ'ব আৰু মানুহৰ ওচৰত হাহিঁয়াতৰ পাত্ৰ হ'ব।

মছীহী ঈমানত ঈছা-মছীহ সম্পৰ্কে অবিশ্বাস্য যেন দাবীবোৰ কৰি থকা দেখা যায়। এইবোৰ দাবী যদি সত্য হয়, তেনেহ'লে এইটোৱেই ঈশ্বৰলৈ যোৱা একমাত্ৰ পথ আৰু ইয়াৰ প্ৰৱৰ্ত্তক ঈছা মছীহ ৰজা সকলোৰো ৰজা। মছীহীয়াতৰ দাবীবোৰ প্ৰমাণিত আৰু ইয়াক জানিবলৈ মছীহৰ জীৱনী অধ্যয়ন প্ৰয়োজন। তেওঁ নিজেই কৈছে, "সিহঁতৰ কৰ্ম্মফলৰ দ্বাৰাই তোমালোকে সিহঁতক চিনিবা। মানুহে কাঁইট গছৰ

পৰা দ্ৰাক্ষাগুটি, বা পঁচলি কাঁইটৰ পৰা ডিমৰু গুটি পাৰেনে" (মথি ৭ঃ১৬)? তেওঁৰ চাহাবাসকলৰ বৰ্ণনা বা শত্ৰুসকলৰ সমালোচনা আৰু মছীহৰ নিজৰ উক্তি বা কাৰ্য্যসমূহ চালি-জাৰি চাই কোনো ব্যক্তিয়ে মছীহৰ প্ৰকৃত মহত্ব সম্পৰ্কে সিদ্ধান্ত **লব** পাৰে।

মছীহ এজন বিশুদ্ধ গালীলীয় 'ৰাব্বি (শিক্ষাগুৰু) আছিল। সেই সময়ত তেওঁৰ শত্ৰু, ইহুদী ধৰ্মীয় নেতাসকলে তেওঁক গ্ৰেপ্তাৰ কৰি নিৰ্দয় ৰোমান ৰাষ্ট্ৰপতি পীলাতৰ ওচৰলৈ লৈ গৈ তেওঁক বন্দীশালত বন্দী কৰিবলৈ অনুৰোধ জনাইছিল। বিচাৰ কৰাৰ পিছত পীলাতে ঈছা মছীহ দোষ শূন্য বুলি ঘোষণা কৰি তেওঁৰ অভিযোগকাৰীসকলক কৈছিল, "...*মই এই মানুহত একো দোষ নাপাও*" (লূক ২৩ঃ৪)। যি হওঁক, সিহঁত ইমান নাচোৰবান্দা আছিল যে, সিহঁতৰ সিদ্ধান্তকেই ৰাষ্ট্ৰপতিয়ে মানি লব লগা হৈছিল।

পাছে পীলাতে প্ৰধান ইমামসকল, শাসনকৰ্ত্তাসকল আৰু মানুহসকলক মাতি গোটাই, তেওঁবিলাকক ক'লে, "*মানুহবিলাকক অপথে নিওঁতা বুলি এই মানুহজনক মোৰ ওচৰলৈ আনিলা, কিন্তু চোৱা, মই তোমালোকৰ আগত সোধ-বিচাৰ কৰি, তোমালোকে অপবাদ দিয়া কথাত তেওঁৰ একো দোষ নাপালো। হেৰোদেও নাপালে, কিয়নো তেওঁ আকৌ আমালৈ তেওঁক পঠাই দিলে; আৰু চোৱা এওঁ প্ৰানদণ্ডৰ যোগ্য কোনো কৰ্ম কৰা নাই'* (লুক২৩ঃ১৩-১৫)।

পীলাতৰ স্ত্ৰীয়ে ঈছা মছীহ নিৰ্দোষী বুলি এটা সপোন দেখিছিল। তেওঁ বিচাৰিছিল যেন পীলাতে তেওঁৰ ক্ষেত্ৰত একোকে নকৰে (মথি ২৭ঃ১৯)। এইকাৰণে পীলাত তিনিবাৰ জনতাক উদ্দেশ্যি কৈছিল, "এওঁ কি দোষ কৰিলে? *প্ৰানদণ্ডৰ কোনো কাৰণ মই এওঁত* পোৱা নাই; *এই হেতুকে এওঁক* শাস্তি দি এৰি দিম" (লুক২৩ঃ২২)। কিন্তু ইহুদীসকলৰ দাবীৰ ওচৰত তেওঁ অনিচ্ছাৰে পৰাজয় স্বীকাৰ কৰি বন্দীশালৰ পৰা মছীহক আনি সিহঁতৰ হাতত অৰ্পণ কৰিছিল। অস্থিৰ মনটোক শান্ত কৰাৰ কাৰণে পীলাতে হাত ধূই শেষবাৰৰ বাবে মানুহবিলাকক এইকথা কৈছিল, "…এই ধাৰ্ম্মিক জনৰ ৰক্তপাতত মই নিৰ্দোষী; তাক তোমালোকেই চাবা (মথি ২৭ঃ২৪)।



বাবে তেওঁ তাতে ৰৈ গৈছিল। চিন্তাগ্ৰস্ত মা-বাবাই সেয়ে ঘূৰি গ'ল চহৰলৈ। সম্ভাব্য সকলো ঠাইত বিচাৰ কৰিও তেওঁলোকে মছীহক নাপালে। অৱশেষত, তৃতীয় দিনা তেওঁলোকে তেখেতক পালে তেওঁলোকৰ আলিমসকলৰ মাজত। তেওঁক বিচাৰি পাই চিন্তামুক্ত হ'লেও তেওঁৰ মা মৰিয়মে সহজভাৱে খং দেখুৱাই কৈছিল, "বাবা তুমি আমাক কিয় এনে কৰিলা? তোমাৰ পিতৃ আৰু মই কিমান ব্যাকুল হৈ তোমাৰ বিচাৰিলো।"

এটা সৰল ইতিকিং মিশ্ৰিত উত্তৰ আছিল ঈছা-মছীহৰ পৰা: "...তোমালোকে নাজানা নেকি; মোৰ পিতৃৰ গৃহত মই থাকিব লাগিব?" তেওঁ নিজক সমৰ্থন কৰা নাই বা ক্ষমাও বিচৰা নাই। তেওঁ সহজভাৱে কৈছিল যে, তেওঁৰ প্ৰকৃত মাক-বাপেকৰ ইচ্ছাৰ আগত পিতৃ খোদাৰ ইচ্ছা পালন কৰাই তেওঁৰ কাম। ইউচুফ তেওঁৰ বাপেক নাছিল। তেওঁ আছিল তেওঁৰ পিতৃৰ যাৰ আত্মাৰ পৰা তেওঁ জন্মিছিল। বাৰ বছৰ বয়সৰ এজন ল'ৰাৰ ক্ষেত্ৰত অচিনাকি ঠাইত এইদৰে আচৰণ কৰা স্বাভাৱিকভাৱে যুক্তিসংগত নহয় "...তোমালোকে নাজানা নেকি যে, মোৰ পিতৃ গৃহত মই থাকিব লাগিব?"

এই তথ্যৰ একমাত্ৰ উৎস মৰিয়ম। তেওঁৰ ল'ৰাই এই কথাৰে কি বুজাব বিচাৰিছিল মৰিয়মে সেইটো বুজিব পাইছিল বুলি ভাৱ হয়, কিন্তু এইবোৰ তেওঁৰ অন্তৰত ৰাখি দিছিল। তেওঁৰ এই আচহুৱা ঘটনাটোৰ হুবহু ছবি ইঞ্জিল লেখক লূকে আমাৰ ওচৰত দাঙি ধৰিছে।

ইঞ্জিলৰ অংকিত ল'ৰাটিত আমি মানবীয় আৰু খোদায়ী-দুয়োটা চৰিত্ৰই দেখা পাওঁ। এইকথা আমি মানি ল'লে "...মই আৰু মোৰ পিতৃ এক..." এইষাৰ কথা বুজিবলৈ কোনো জটিলতাই নাথাকে। কাৰণ তেওঁ তেওঁৰ মাকক মনত পেলাই দিছিল যে, ইউচুফ নহয়, কিন্তু খোদাহে তেওঁৰ পিতৃ। তেওঁৰ খোদায়ী চৰিত্ৰৰ কাৰণে, আন ল'ৰাৰ দৰে ঈছা-মছীহ মৰিয়ম বা ইউচুফৰ প্ৰতি বাধ্য হ'ব লগা নিয়মৰ ভিতৰত নাছিল। তেওঁৰ উত্তৰৰ পৰা ইঞ্জিল লেখক লূকে আমাক এই কথা বুজাব বিচাৰিছে যে, ঈছা-মছীহে জানিছিল, তেওঁ খোদাৰ পুত্ৰ, যি কথা তেওঁৰ মাক-বাপেকে বোধ হয় বুজিব পৰা নাছিল।

ঈছা-মছীহৰ এই কথাৰ প্ৰতি আমি বিশেষ গুৰুত্ব দিয়া উচিত,

কথা মনত গাঠি ৰাখিলে। ঈছা জ্ঞানত, বয়সত আৰু খোদা ও মানুহৰ মৰমৰ-চেনেহত বাঢ়িব ধৰিলে (লূক ২ঃ৫১-৫২)।

সেই বছৰ ঈদুল ফিৎৰ আছিল ফাগুন (ইংৰাজী এপ্ৰিল) মাহৰ ৮ তাৰিখ। বাৰ বছৰৰ তলৰ ল'ৰাৰ বাবে ঈদত যোৱাটো বাধ্যতামূলক নাছিল। ঈছাৰ যিহেতু বাৰ বছৰ হৈছিল, সেয়ে তেওঁৰ মা-দেউতাই তেওঁক প্ৰথমবাৰৰ বাবে ঈদত জেৰুচালেমলৈ লৈ গ'ল। নাচৰতৰ জেৰুচালেমলৈ তলৰ দুটি পথৰ যি কোনো এটা পথেৰে যাব পাৰিঃ (১) চমৰীয়া মাজেৰে, যি পথেৰে গ'লে চমৰীয়াসকলৰ আক্ৰমণৰ বলী হোৱাৰ সম্ভাৱনা; (২) জৰ্দান নদীৰ পূবফালৰ দীঘলীয়া পথ অতিক্ৰম কৰা, যি পথেৰে নদীটো দুবাৰ পাৰ হৈ যাব লাগে। ধৰ্মপ্ৰাণ ইহুদীসকলে দ্বিতীয় পথটিকে বেছি পচন্দ কৰিছিল। যি পথেৰেই নাযাওক কিয়, জেৰুচালেমলৈ যাবলৈ ৪-৫ দিন লাগিছিল।

এবাদতখানা দেখি আৰু জেৰুচালেমৰ পথচাৰীসকলৰ হামদ ও জবুৰ-প্ৰশংসা গীত শুনি ঈছা মছীহ নিঃসন্দেহে আনন্দিত হৈছিল। এবাদতখানাত অনুষ্ঠিত ঈদৰ বিভিন্ন দোৱা প্ৰাৰ্থনা অনুষ্ঠানত বিশেষকৈ উপহাৰ ও কোৰবানী উচৰ্গাত সাধ্য অনুসৰী যোগদান কৰি ইউচুফ, মৰিয়ম আৰু বালক ঈছা-মছীহে আনবোৰ হজ্ব কৰা ব্যক্তিৰ দৰেই ঘৰমুৱা হৈছিল। তেওঁ জানিছিল যে, এই উৎসৱৰ বিষয়ে খোদাৰ ভেড়া পোৱালী হিচাবে তেওঁ নিজকে উৎসৰ্গ কৰিব লাগিব। উৎসৱৰ অনুষ্ঠানবোৰত প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ তেওঁৰ নিজৰ আত্মা সঁচাকৈয়ে আনন্দ ও মুগ্ধ হৈছিল।

জেৰুচালেমত যিসকলে এই ল'ৰাটিৰ লগত ভাৱ বিনিময় কৰিছিল, তেওঁলোক সকলোৱে তেৱেঁই যে প্ৰতিশ্ৰুত মছীহ, এয়া অনুমান কৰিব পৰা নাছিল। ভালেই হৈছিল যে, তেওঁলোকে সেয়া বুজিব পৰা নাছিল। কাৰণ বুজিব পাৰিলে তেওঁলোকে মছীহক পৰ্বৰ শেষত নাচৰতলৈ ঘূৰি আহিব নিদিলেহেঁতেন আৰু ইয়াৰ ফলত তেওঁৰ মহান কৰ্মৰ বাবে নিজকে সাজু কৰিব নোৱাৰিলেহেঁতেন।

ঈদৰ উৎসৱ শেষ হ'ল। পৰিয়ালটো নাচৰতলৈ ঘূৰি আহিল। কিন্তু কোনেও নাজানিলে, ঈছা-মছীহ দলৰ মাজত নাই। ইহুদী আলিমসকলৰ কথা শুনাৰ বাবে আৰু তেওঁলোকৰ সৈতে প্ৰশ্ন-উত্তৰ কৰাৰ



মছীহক সোধ-পোছ কৰাৰ সময়ত পীলাতে আবিষ্কাৰ কৰিছিল যে, তেওঁ আছিল নিৰ্দোষী। মছীহৰ বাস্তৱ জীৱনৰ শেষত পীলাতে যি সিদ্ধান্তত উপনীত হৈছিল, সেইয়া প্ৰত্যেকৰ কাৰণে অতি প্ৰয়োজন। পীলাত আৰু তেওঁৰ স্ত্ৰীয়ে মছীহ নিৰ্দোষ বুলি বৰ্ণনা কৰিছে। এই কথাৰ জনৰৱ উঠিছিল যে, পীলাত আৰু তেওঁৰ স্ত্ৰীয়ে তেওঁলোকৰ সিদ্ধান্ত সমগ্ৰ সমাজৰ আগত ঘোষণা কৰিবলৈ প্ৰস্তুত আছিল।

ঈছা-মছীহৰ ব্যক্তিত্ত্ব সম্পৰ্কীয় ধাৰণাবোৰৰ মাজত বিভিন্ন অমিল থকা কাৰণে যুক্তিসন্মত বাখ্যাৰ প্ৰয়োজন? মছীহৰ সত্তা আৰু পৰিত্ৰাতাৰ ওপৰত জগতৰ বিচাৰৰ লগত আমাৰ নিম্নোক্ত বিষয়বোৰৰ বিশ্লেষণ কৰিব পাৰি ঃ

১। নিজৰ সম্পৰ্কীয় তেওঁৰ দাবীসমূহ
২। তেওঁ কৰা কামসমূহ
৩। মানুহে তেওঁৰ বিষয়ে বনৰ্ণা কৰা কথা ও কামসমূহ

আমি জানো যে, অধিকাৰী নোহোৱাকৈ কোনেও নিজৰ সম্বন্ধে এনে অসাধাৰণ দাবী নকৰে; কৰিলেও শেষত বিবুদ্ধিত পৰি বাতিল কৰাৰ বাহিৰে অন্য উপায় নাথাকে।

মহৎ গুণসমূহৰ মাজত নম্ৰতা অন্যতম। নিজৰ দোষ ত্ৰুটি উপলব্ধি কৰিব পৰাটো অত্যন্ত তাৎপয্যপূৰ্ণ বিষয়। নৈতিকতাই মানুহৰ বিবেকৰ প্ৰতিবেদনশীলতা বা স্পৰ্শকাতৰতাক তীব্ৰতৰ কৰি তোলে। উদাহৰণস্বৰূপে, বৰ্বৰসকলে যি অৱস্থাত বেছি আনন্দ পায়, সভ্য মানুহবোৰে সেই অৱস্থাক লেতেৰা বুলি বিবেচনা কৰিব। যিবোৰ মানুহ ধৰ্মীয় ভাৱৰ নহয়, সেইসকলে এনেভাৱে আচাৰ ব্যৱহাৰ কৰে যে কোনোবা ধাৰ্ম্মিক ব্যক্তিও লাজত পৰিবলগা হয়।

মুছা, দানিয়েল, হজৰত পিতৰ ও পৌলৰ দৰে মহান নবী-ৰছুলসকলৰ বিনম্ৰ স্বীকাৰোক্তি আৰু বৰ্ণনাসমূহ আমি কিতাবুল মোকাদ্দছত পাওঁ। তেওঁলোকৰ কোনোৱে নিজকে শ্ৰেষ্ঠতম বা বে-গুণাহ বুলি কোৱা নাই। কিন্তু এই সকলোৰে ভিতৰত ঈছা মছীহ সম্পূৰ্ণ বেলেগ। এই বিভিন্নতাৰ বাবেই আমি প্ৰশ্ন কৰো: 'এই মছীহজনা কোন?' এই প্ৰশ্নৰ সঠিক উত্তৰ আমাৰ প্ৰয়োজন।

মন কৰিবলগা কথা যে, যিসকলে ঈছা-মছীহক সম্পূর্ণ বেগুণাহ বুলি বৰ্ণনা কৰিছে, তেওঁলোক চাৰে-তিনিবছৰ তেওঁৰ লগত আছিল। মছীহৰ বিষয়ে তেওঁলোকে ভালদৰে জানিছিল। মছীহৰ দোষ-ত্রুটি ঢাকি ৰখা বা সেইবোৰৰ সম্বন্ধে নীৰবে থকাৰ মানুহ তেওঁলোক নাছিল। আচলতে মছীহৰ জীৱন বৰ্ণনা কৰাৰ আৰু তেওঁৰ বেগুণাহ নিশ্চিত কৰাৰ ক্ষেত্রত তেওঁলোকে নিজৰ বিফলতা আৰু অপাৰগতা উল্লেখ কৰিছে। এইবোৰ তেওঁলোকৰ অকৃত্রিম প্রেম আৰু ধার্মিকতাৰ প্রমান। সেয়ে ঈছা-মছীহ সম্বন্ধে তেওঁলোকৰ সাক্ষ্যসমূহ সন্মানসহ কিতাবুল মোকাদ্দছত সন্নিৱিষ্ট কৰা হৈছে।

ই বৰকৈ আঁচৰিত যে, নানা ঘাত-প্রতিঘাতৰ মাজত মছীহী ঈমানে অকল বৰ্তী থকাই নহয়, বিকাশো লাভ কৰি আহিছে। অতীতৰ দৰে বৰ্ত্তমানেও ইয়াৰ শত্রুৰ সীমা নাই। সকলোৱে বিচাৰে ইয়াৰ ধ্বংস অথবা সীমাবদ্ধতা।হেৰোদ ৰজাই শিশু ঈছাক বেৎলেহেমত হত্যা কৰিব বিচাৰিছিল। নোৱাৰিছিল। আজিও মছীহীয়াতৰ শত্রুসকলে হেৰোদৰ দৰে নানা ধৰণেৰে মছীহী শিষ্যসকলৰ জামাতৰ আৰু ইয়াৰ শিক্ষাৰ বিৰুদ্ধে যুদ্ধ কৰাৰ পৰা বিৰত হোৱা নাই।

ইতিহাসে সোঁৱৰাই দিয়ে যে, মছীহী শিক্ষা আৰু ঈমানৰ বিৰোধীতাৰ সূচনা হৈছিল মছীহীয়াতৰ আৰম্ভণিৰ পৰাই। ৰছুলসকলৰ দিনৰ পৰাই সেয়া গোপনে বৃদ্ধি হৈ আহি এতিয়া পৃথিৱীৰ এক তৃতীয়াংশ জনসংখ্যাত পৰিণত হৈছে। বিৰোধী নেতাসকলে ভাৱিছিল, মছীহী ধর্মৰ ভেটী তেওঁলোকে ধ্বংশ কৰি পেলাইছে। তেওঁলোকে আত্ম অহংকাৰত কয় যে শীঘ্রেই ইয়াৰ পৰিসমাপ্তি দেখা যাব। তেওঁলোকে দাবী কৰে বাইবেল বিশ্বাস কৰা লোকসমূহে এটা সময়ত ইয়াৰ গুৰুত্বপূর্ণ শিক্ষাবোৰ প্রত্যাখ্যান কৰিব। কিন্তু ঈছা-মছীহৰ ব্যক্তিত্ব সম্পৰ্কীয় শিক্ষাসমূহ সকলো পৰীক্ষা বাধা অতিক্রম কৰি জনপ্রিয়তাৰ শীৰ্ষত ৰৈ আছে।

এবাৰ মোনাজাতৰ সময়ত মছীহই কৈছিল, "*আৰু একমাত্র সত্য খোদা যি তুমি, তোমাক আৰু তুমি পঠোৱা ঈছা মছীহক জনা, এয়েই অনন্ত জীৱন'* (ইউহোন্না ১৭:৩)। ৰছুল পৌলে কৈছে, "*এনেকি*



গাঁওবিলাকৰ বাহিৰলৈ যোৱা নাছিল। নাতি দূৰৰ কান্না নগৰৰ নথনেলও তেওঁৰ বিষয়ে শুনা নাছিল। কান্না চহৰতকৈ দূৰ কফৰনাহুম বা বৈৎচাদৰ মানুহ বিলাকেও শুনা নাছিল। ঈছা-মছীহৰ এই সময়চোৱাৰ ইতিহাস ইঞ্জিলৰ লিখক হজৰত লূকে সাৰাংশ হিচাবে লিখিছে, "শিশু ঈছা বয়স বাঢ়ি শক্তিশালী হৈ উঠিল আৰু জ্ঞানেৰে পূর্ণ হৈ পৰিল। তেওঁৰ ওপৰত খোদাৰ অনুগ্রহ আছিল' (লূক ২:৪০)। ঈছা-মছীহ স্বাভাৱিকভাৱেই মানুহৰ মাজত মৰমীয়াল হৈ পৰিছিল। মানুহবোৰে তেওঁক কিমান মৰম কৰিছিল কিয়নো তেওঁলোকক সহায় কৰিবলৈ তেওঁ সদায় প্রস্তুত আছিল।

**এবাদতখানাত বালক ঈছা-মছীহ**

ঈদুলফিৎৰৰ সময়ত ঈছাৰ পিতৃ-মাতৃ প্রতি বছৰে জেৰুচালেমলৈ গৈছিল। ঈছাৰ বাৰ বছৰ বয়সত সেই নিয়মৰ দৰে তেওঁলোক ঈদত গ'ল। ঈদৰ শেষত তেওঁলোক যেতিয়া ঘৰলৈ ঘূৰি আহিছিল তেতিয়া ঈছা পিতৃ-মাতৃৰ অগোচৰে জেৰুচালেমতে থাকি গ'ল। তেওঁ লগৰ মানুহবিলাকৰ মাজত আছে বুলি ভাৱি তেওঁলোক এদিনৰ ৰাস্তা গুছি গ'ল। পিছত তেওঁলোকে নিজৰ আত্মীয়সকলৰ মাজত ঈছাক বিচাৰিবলৈ ধৰিলে। কিন্তু নাপাই তেওঁলোকে ঈছাক বিচাৰি আকৌ জেৰুচালেম লৈ উভতি গ'ল।

তিনি দিন পিছত তেওঁলোকে ঈছাক এবাদতখানাত পালেগৈ। তেওঁ ইহুদী ইমামসকলৰ মাজত বহি তেওঁলোকৰ কথা শুনি আছিল আৰু প্রশ্ন সোধা-পোছা কৰি আছিল। ঈছাৰ কথা শুনা আটাইবোৰে তেওঁৰ বুদ্ধি দেখি আৰু তেওঁৰ উত্তৰ শুনি আচঁৰিত হৈছিল। তেওঁৰ মাকে তেওঁক ক'লে, "বাবা, তুমি আমাৰ লগত কিয় এনে কৰিলা? তোমাৰ পিতৃ আৰু মই কিমান যে ব্যাকুল হৈ তোমাক বিচাৰিলো।"

ঈছাই তেওঁলোকক ক'লে, "তোমালোকে কিয় বাৰু মোক বিচাৰিছা? তোমালোকে নাজানা নেকি মোৰ পিতৃৰ ঘৰত মই থাকিব লাগিব? ঈছাই যিবোৰ কথা ক'লে, তেওঁৰ পিতৃ-মাতৃয়ে সেইবোৰে বুজি নাপালে" (লূক ২:৪১:৫০ )

**জ্ঞান আৰু ৰহমতত ঈছা-মছীহৰ বৃদ্ধি**

ইয়াৰ পিছত ঈছা তেওঁৰ পিতৃ-মাতৃৰ সৈতে নাচৰত লৈ ঘূৰি গ'ল আৰু তেওঁলোকৰ বাধ্য হৈ থাকিল। তেওঁৰ মাক মৰিয়মে এই সকলো

তেওঁলোকক লক্ষ্য কৰিছিল আৰু তেওঁলোকৰ পৰাই শিক্ষা লৈছিল। নাচৰত আছিল ফোনেচিয়াৰ পৰা মিচৰলৈ আৰু ভূমধ্যসাগৰৰ পৰা অভ্যন্তৰৰ অঞ্চলত যোৱাৰ প্ৰধান ঠাই। সেয়ে ঈছা-মছীহক নানা ধৰণৰ ৰীতি-নীতি ও সাংস্কৃতিক বিষয়ৰ জ্ঞাণ লাভ কৰাৰ সুবিধা হৈছিল। নাচৰতৰ দৰে এখন দুখীয়া গাঁৱত জীৱন-যাপন কৰাৰ ফলতে ঈছা-মছীহ অতি নম্ৰ আৰু ধৰ্মীয় গুণাবলীত মোহিত হৈছিল। তেওঁ জেৰুচালেমৰ ধৰ্মীয় জীৱনৰ পৰা বহু দূৰত আছিল। তাত ভণ্ডামি, দ্বন্ধ, কাজিয়া আৰু নিয়ম-নীতি অমান্য কৰাই বিদিত আছিল। এইবোৰে প্ৰকৃত ধাৰ্মিক হোৱাত বাধাৰ প্ৰাচীৰ আছিল আৰু ধৰ্মীয় মনৰ লোকসকলৰ উশাহ-নিশাহ বন্ধ কৰিছিল। কাৰণ চৰিয়তৰ নিয়মবোৰৰ প্ৰতি জেৰুচালেমৰ ইহুদীসকল বৰকৈ উদাসীন আছিল। দৰাচলতে এইটোৱে হ'ব সেই ঠাই যত ঈছা-মছীহে ভৱীষ্যত্তত এই বিষয়বোৰত কঠোৰ মন্তব্য কৰিব, এনেকি যন্ত্ৰণাদায়ক ভাষাৰে ঈমামসকলৰো বিচাৰ কৰিব।

ঈছা-মছীহৰ বাল্যকালৰ বছৰবোৰত তেওঁৰ বেহেস্তী প্ৰতিজ্ঞাৰ কথা তেওঁৰ মাতৃ-পিতৃৰ মনৰ পৰা যেন মৰহি গৈছিল। তেওঁলোকে ঈছা-মছীহক কেৱল মানৱীয় চিন্তাৰে বিবেচনা কৰিছিল, কাৰণ বালক হিচাবে তেওঁৰ জীৱন তেওঁৰ বয়সৰ অন্যান্য বালকসকলৰ দৰেই আছিল। তেওঁৰ কৰ্ম জীৱন আৰম্ভ নোহোৱালৈকে তেওঁ তেওঁৰ সমপৰ্যায়ৰ বালকসকলৰ লগত সহজভাৱে চলিছিল আৰু তেওঁলোকৰ বিভিন্ন অভিজ্ঞতা ও পৰীক্ষাৰ সমভাগী হৈছিল।

আমাৰ অকনো সন্দেহ নাই যে, আনৰ দুখ কষ্টৰ প্ৰতি তেওঁ আছিল আন্তৰিক চিন্তাৰ আৰু দয়াৰে পূৰ্ণ বালক। তেওঁৰ জীৱনৰ পৰীক্ষা কেন্দ্ৰ নাচৰতত তেওঁক যে কেনে ধৈৰ্য্য ও সংযম ৰক্ষা কৰিব লগা হৈছিল সেয়া সচাঁকৈয়ে বিস্ময়জনক।

ঈছা-মছীহ কাঠমিস্ত্ৰী হিচাবে কাম কৰি জীৱিকা উপাৰ্জন কৰিব লগা হৈছিল। সেয়ে বহুতে তেওঁক মাত্ৰ এজন 'কাঠমিস্ত্ৰী' বা 'মৰিয়মৰ পুত্ৰ' বুলিয়ে ভাবে। তেওঁ বয়োজ্যেষ্ঠসকলৰ ওচৰত সৰু হৈ কাম শিকিছিল। তেওঁৰ বাস্তৱ জীৱন আছিল দুখৰ। তেওঁৰ ভাতৃসকলে প্ৰথমে তেওঁৰ ওপৰত বিশ্বাস অনা নাছিল আৰু তেওঁৰ সুনাম আনকি নিকটৱৰ্তী



*মোৰ প্ৰভু ঈছা মছীহৰ জ্ঞানৰ উত্তমতাৰ কাৰণে মই সকলোকে হানি যেনহে মানিছোঁ;আৰু মোৰ নিজ ধাৰ্ম্মিকতা অৰ্থাৎ ছৰীয়তৰ পৰা পোৱা ধাৰ্ম্মিকতাৰে ধাৰ্ম্মিক নহৈ ঈছা মছীহত ঈমান অনাৰ দ্বাৰাই যি ধাৰ্ম্মিকতা অৰ্থাৎ আল্লাহৰ পৰা পোৱা বিশাসমূলক ধাৰ্ম্মিকতাৰেই ধাৰ্ম্মিক হৈ যেন মছীহক লাভ কৰোঁ।"* (ফিলিপীয়া ৩ঃ৮-৯)। ইউহোন্নাই লিখা ইঞ্জিলত মছীহৰ এটা আচৰিত বৰ্ণনা দিছে, "*কিন্তু ঈছা যে আল্লাহৰ ৰুহানী পুত্ৰ ইয়াক যেন তোমালোকে বিশ্বাস কৰা আৰু বিশ্বাস কৰি তেওঁৰ নামত যেন জীৱন পোৱা, এই নিমিত্তে এইবোৰ কথা লিখা হ'ল।*" (ইউহোন্না ২০ঃ৩১)।

ঈছা মছীহ মানৱ জাতিৰ মুক্তিদাতা; তেওঁ সম্পূৰ্ণৰূপে মানৱও হয়। সেইজন মুক্তিদাতাৰ ওপৰত যদি সকলোৱে নিজৰ ঈমান স্থাপন কৰে, তেতিয়া পৃথিৱীত শান্তি স্থাপন হ'ব। মছীহত ঈমান অনাসকলৰ কাৰণে ইঞ্জিল শ্বৰীফত অনন্ত জীৱন বা বেহেস্থী জীৱনৰ নিশ্চয়তা দিয়া হৈছে। সেই মছীহ সম্বন্ধে হজৰত পৌলে কৈছেঃ

*"এই হেতুকে বেহেস্হত, পৃথিৱীত আৰু পৃথিৱীৰ তলত নিবাস কৰা সকলোৱে যেন ঈছাৰ নামত আঁঠু লয় আৰু ঈছা মছীহ যে খোদাবন্দ, ইয়াক যেন মাৰুদ আল্লাহৰ গৌৰৱৰ অৰ্থে সকলো জিবাই স্বীকাৰ কৰে, এই কাৰণে আল্লাহে তেওঁক অতি ওখ পদ দিলে, আৰু সকলো নামতকৈ সেই শ্ৰেষ্ঠ নাম তেওঁক দান কৰিলে।"* (ফিলিপীয়া ২ঃ৯-১১)।

# ঈছা মছীহৰ কাহিনীৰ উৎস

মছীহৰ জীৱনৰ কাহিনীৰ উৎস মূলত: চাৰিটা। এইবোৰ হ'ল— মথি, মাৰ্ক, লুক আৰু ইউহোন্নাৰ লিখিত ইঞ্জিলসমূহ। Gospel মূলতঃ গ্ৰীক শব্দ, যিটো আৰবীত ইঞ্জিলৰূপে অনুদিত হৈছে। অসমীয়াত ইয়াৰ অৰ্থ সু-সংবাদ, শুভবাৰ্তা বা সু-খবৰ। তেওঁলোকৰ শিক্ষাসমূহৰ *মূল* উদ্দেশ্য আছিল ঈছা-মছীহৰ দ্বাৰা পৃথিৱীলৈ কেনেকৈ খোদাৰ নাজাত

আহিল তাক বৰ্ণনা কৰি তবলীগ কৰা। ইয়াত মছীহৰ জীৱন ও কৰ্মৰ বৰ্ণনা আছে যাৰ মাজতে লুকাই আছে তেওঁৰ আধ্যাত্মিক শিক্ষাসমূহ।

ইঞ্জিল বা সুখবৰ বুলিলে অকল নিজৰ নহয়, কিন্তু সামগ্ৰিক ভাবে নিজৰ আৰু সমাজৰ সকলোৰে বাবে মঙ্গলজনক বাণী বা খবৰক বুজায়। ইঞ্জিল লিপিবদ্ধ হোৱাৰ আগেয়ে ৰছুল আৰু চাহাবাসকলৰ মুখে মুখে সমগ্ৰ ৰোমান সাম্ৰাজ্যত বিস্তাৰ লাভ কৰিছিল। ইঞ্জিলৰ বাণীসমূহ খোদাবন্ধ ঈছা-মছীহে নিজ হাতে লিখা নাই। তেওঁৰ শিষ্যসকলে ঈছাৰ ইন্তেকালৰ প্ৰায় চল্লিছ-পঞ্চাছ বছৰ পাছত প্ৰয়োজন অনুভৱ কৰি ৰোমান সাম্ৰাজ্যত সিঁচৰিত হৈ পৰা মছীহী ঈমানদাৰ সকলৰ বাবে লিখিছিল। তেওঁলোকে যি দেখিছিল তাকে সকলো লোকক জনাবলৈ এইবোৰ লিখিছিল। ৰছুল পৌলে মছীহক আল্লাহৰ কালাম (ইব্ৰাণী ১ঃ১-২) ৰূপে প্ৰতিপন্ন কৰিছে। হজৰত ইউহোন্নাই তেওঁৰ প্ৰথম পত্ৰৰ আৰম্ভণিতে কৈছে যে, তেওঁ যিবোৰ শুনিছে, দেখিছে আৰু স্পৰ্শ কৰিছে সেইবোৰকে তেওঁ দুনিয়াৰ মাজত ঘোষণা কৰিছিল (১ ইউহোন্না ১ঃ১)। এইদৰে সু-খবৰ আশা আৰু নাজাতৰ বাণী ৰূপে তেওঁলোকে দুনীয়াত প্ৰচাৰ কৰিছিল।

মছীহীসকলৰ কাৰণে মছীহৰ সত্য জীৱন কাহিনী লিপিবদ্ধ কৰাৰ প্ৰয়োজনীয়তা মছীহী নেতাসকলে অনুভৱ কৰিছিল, যেন মুখে মুখে চলি থকা কাহিনীৰ বিকৃত বা দূষিত হব নোৱাৰে। ৰছুলসকলেই যে তেওঁলোকৰ অভিজ্ঞতাসমূহ লিপিবদ্ধ কৰিবলৈ আৰম্ভ কৰিছিল, কাৰণ তেওঁলোক আছিল প্ৰত্যক্ষদৰ্শী। তেওঁলোকে আনৰ ওচৰলৈ পঠিওৱাৰ আগতে নিজৰ ভিতৰতে সেইবাণীসমূহ বিস্তাৰ কৰিছিল। এনেকৈয়ে পাক ৰূহৰ অনুপ্ৰেৰণাত তেওঁলোকে ইঞ্জিলৰ চাৰিটী বিৱৰণ লিপিবদ্ধ ও সংৰক্ষণ কৰিছিল, যিবোৰ এতিয়া কিতাবুল মোকাদ্দছত অন্তৰ্ভুক্ত হৈ আছে। ইঞ্জিল বা সু-খবৰ এটাই যি আমাৰ ওচৰলৈ আহিছে চাৰিটা বিৱৰণৰ মাজেদি। সেইবোৰ বিষয়বস্তু ও মূল বক্তব্য একেই আৰু লিপিবদ্ধ কৰিছে চাৰিজন লিখক ঃ মথি, মাৰ্ক, লুক আৰু ইউহোন্না। মথি আৰু ইউহোন্না ঈছা-মছীহৰ ১২ জন চাহাবাৰ ভিতৰত আছিল। মাৰ্ক আছিল হজৰত পিতৰৰ চাহাবা আৰু লুক হজৰত পৌলৰ। মাৰ্ক আৰু লুকে লিখিছিল, যথা ক্ৰমে হজৰত পিতৰ আৰু পৌলৰ তত্ত্বৱধানত।



ইহুদী বালকৰ দৰেই একে জীৱন ধাৰণ কৰিছিল। তেওঁ মুছাৰ চৰিয়ত **পালন** কৰিছিল, বন্ধুবৰ্গৰ লগত পঢ়াশালিত গৈছিল, পঢ়াশুনা ও চলা ফুৰা ব্যৱহাৰত তেওঁ আছিল অতুলনীয়। সহপাঠীসকলৰ প্ৰলোভন-পৰীক্ষাৰ অভিজ্ঞতাও তেওঁ লাভ কৰিছিল, কাৰণ তেওঁলোকৰ দৰে তেওঁৰ সন্মুখলৈও প্ৰলোভন আহিছিল, তথাপি তেওঁ পাপ মুক্ত আছিল।

**বাৰ বছৰ বয়সত**

ঈছা মছীহৰ বয়স যেতিয়া বাৰ বছৰ তেতিয়া তেওঁ পিতৃ-মাতৃ (মৰিয়ম ও ইউচুফ)ৰ লগত জেৰুচালেমৰ এবাদত খানালৈ গৈছিল। এই ঘটনাৰ পিছত ওঁঠৰ বছৰ পাৰ হৈ গৈছিল। এই ওঠৰ বছৰ নীৰৱ হৈ আছিল। ইয়াক অন্ধকাৰ যুগ কব পাৰি। কোনো কোনো মছীহী উন্মতে অন্ধকাৰ যুগৰ নীৰৱতাক পছন্দ নকৰে। তেওঁলোকে এই যুগত তেওঁলোকৰ কল্পনা ভিত্তিত বিভিন্ন গল্প (হাদিছ) সৃষ্টি কৰিবলৈ আৰু কাল্পনীক ইঞ্জিলৰ বিৱৰণ লিখিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকে ভাৱিছিল যে, সেয়া কৰিলে তেওঁলোকৰ সন্মান বাঢ়িব। বাস্তৱিকতে এইবোৰ গল্পই তেওঁলোকৰ প্ৰচেষ্টাৰ মুৰ্খামিহে পৰিচিত কৰিছিল।

মানুহবিলাকৰ অনুসৰণৰ কাৰণে এটি আদৰ্শ হোৱাটোৱে আছিল মছীহৰ অন্যতম লক্ষ্য। তেওঁ নাচৰতত মিস্ত্ৰি হিচাবে স্বাভাৱিক জীৱন নিৰ্বাহ কৰি সেই আদৰ্শ ৰছুল বা অনুসৰণকাৰী সকলৰ বাবে ৰাখি থৈ গৈছে।

ইঞ্জিলৰ বৰ্ণনাসমূহ যিসকলে লিখিছে, মছীহৰ ঐতিহাসিক জীৱন চৰিত্ৰ লিখা তেওঁলোকৰ লক্ষ্য নাছিল। তেওঁলোকৰ লক্ষ্য আছিল সংস্কাৰক ও নাজাতদাতা হিচাবে মছীহক ঘোষণা কৰা। এইকাৰণে তেওঁলোকে তেওঁৰ প্ৰকাশ কৰিবলগা পৰিচৰ্যা মিশ্ৰিত জীৱনৰ ইতিহাস প্ৰমাণযোগ্য কৰিয়ে সন্তুষ্ট আছিল।

নাচৰত এখন সামান্য গাঁও হ'লেও সেয়া আছিল ঈছা-মছীহৰ বসবাসৰ বাবে আদৰ্শৰ ঠাই। মুৰব্বীসকলৰ বিভিন্ন দলে নাচৰতক মিলনৰ ঠাইত পৰিণত কৰিছিল; যাৰ পৰা তেওঁলোক জেৰুচালেমৰ এবাদতখানাত গৈছিল। যিসকল সেই যাত্ৰাত চামিল হ'ব পৰা নাছিল, সেইসকলে ধৰ্মীয় দায়িত্ব পালন কৰি নাচৰতত দিন কটাইছিল। ঈছা মছীহে সঁচাকৈয়ে

*নিজ পুত্ৰক আল্লাহে পঠালে"* (গালাতীয়া ৪:৪)

শান্তিৰ ৰজা ঈছা-মছীহ এটা ভাল দিনত আৱিৰ্ভূত হৈছিল। গোটেই ৰোমান সাম্ৰাজ্যত যাতায়ত ব্যৱস্থা সহজ হৈছিল, যিয়ে ৰছুল সকলৰ দ্বাৰা ইঞ্জিলৰ বাণী বিয়পি যাবলৈ সহজ কৰি তুলিছিল। ৰোমান নীতিৰ অধীনত ধৰ্মীয় স্বাধীনতা আছিল। গ্ৰীক আৰু ইব্ৰী ভাষা গোটেই সাম্ৰাজ্যত আছিল। ইহুদীসকলে ইতিমধ্যে তৌৰাত ও জবুৰ শ্বৰীফ হীব্ৰুৰ পৰা গ্ৰীক ভাষাত অনুবাদ কৰি প্ৰচাৰত অৰিহনা যোগাইছিল।

মানৱ জাতিৰ এজন উদ্ধাৰকৰ্তাৰ আৱশ্যকতা আছিল। নিম্ন শ্ৰেণীৰ ধৰ্মপ্ৰাণ ইহুদীসকলৰ অন্তৰত তেতিয়াও হতাশাই দেখা দিছিল। তেওঁলোক আছিল সেইসকল ব্যক্তি যিসকলে তেতিয়াও খোদাক অন্তৰেৰে মানিছিল আৰু তেওঁলোকে ঈছা-মছীহৰ চাহাবা সকলৰ শুভ সংবাদ প্ৰচাৰ কৰাৰ ব্যাপক সুবিধা কৰি দিছিল। ইয়াৰ পিছত তেওঁলোক অনা-ইহুদীসকলৰ ওচৰলৈ গৈছিল।

ইঞ্জিল বিস্তাৰৰ বাবে ইহুদীসকলৰ পৰা আৰম্ভ কৰি পৌত্তলিক সকলোৰে ইঞ্জিল প্ৰচাৰত সহায়ক হৈছে। আৰম্ভণিৰ সময়ছোৱাত ৰোমীয় শাসনে আলপ হ'লেও মছীহী উন্মতসকলৰ শিশু সংগঠনক ইহুদীসকলৰ অন্ধবিশ্বাসৰ কবলৰ পৰা ৰক্ষা কৰিছিল।

# ঈছা-মছীহৰ শৈশৱকাল

ই এটা চিন্তাৰ বিষয় যে, মছীহৰ জন্মৰ ১২ বছৰ বয়সলৈ চাৰিটা ইঞ্জিলৰ (মথি, মাৰ্ক, লূক, ইউহোন্না) বৰ্ণনাৰ কোনোটোতেই ঈছা-মছীহৰ জীৱন সম্বন্ধে উল্লেখ নাই। ইয়াৰ পিছৰ কাহিনী আকৌ আৰম্ভ হৈছে ত্ৰিশ (৩০) বছৰ বয়সৰ পৰা যেতিয়া মছীহে শিক্ষাদান আৰু অলৌকিক কৰ্মৰ মাজেৰে নিজকে প্ৰকাশ কৰিছিল।

ঈছা মছীহে শৈশৱত কি কৰিছিল বা কি কৈছিল, সেয়া জানিবলৈ আমি কিমান যে আগ্ৰহী হৈছিলো! কিন্তু, তেওঁৰ ১২ বছৰ নোহোৱালৈ সেই বছৰসমূহ গোপনে ৰাখিছে। এইবোৰক আমি 'গুপ্ত বছৰ' বুলি আখ্যা দিব খুজিছো। আমি অনুমান কৰি ল'ব পাৰো যে, তেওঁ আন যিকোনো



মথি তেওঁৰ বিৱৰণ লিখিছিল নিজৰ জাতি ইহুদীসকলক উদ্দেশ্য কৰি। তৌৰাতৰ ভৱিষ্যত বাণীবোৰ ঈছা-মছীহে কিভাৱে পৰিপূৰ্ণতা কৰিছিল, এই বিষয়েই মথিয়ে ইহুদীলোকক জনাবলৈ বিশেষভাৱে আগ্ৰহী আছিল। মাৰ্কে তেওঁৰ বিৱৰণ লিখিছিল ৰোমত থকা মছীহীসকলৰ উদ্দেশ্যে। মাৰ্কে ৰোমীয়সকললৈ মূলতঃ মছীহৰ ক্ষমতা ও মহত্বৰ বিষয়টোকে বিশেষভাৱে তুলি ধৰিছে। হজৰত লুকে গুৰুত্ব আৰোপ কৰিছিল ঈছা মছীহৰ শক্তি আৰু অলৌকিক ক্ষমতাৰ ওপৰত। খোদাৰ মহত্ত্ব যেন সকলোলৈকে প্ৰকাশিত হয় সেয়াই আছিল তেওঁৰ উদ্দেশ্য। তেওঁৰ লিখা ইঞ্জিলক 'ৰহমতৰ ইঞ্জিল' বুলিও কোৱা হয়। মছীহীয়াত বিস্তাৰ লাভ কৰাৰ পাছত লূকে সেইবোৰ লিখিছিল।

## হজৰত মথিয়ে লিখা ইঞ্জিল

*ঈছা-মছীহৰ খান্দান নামা এনেকুৱাঃ তেওঁৰ পূৰ্ব পিতৃ আছিল দাউদ যাৰ আদি পিতৃ ইব্ৰাহীম* (মথি ১ঃ১)।

মছীহৰ বাৰজন চাহাবাৰ ভিতৰত অন্যতম মথি তেওঁৰ সু-খবৰ ইহুদী বংশৰ পৰা হোৱা মছীহীসকলক উদ্দেশ্য কৰি লিখিছিল। এইবাবে তেওঁ মছীহৰ বাস্তৱ জীৱনৰ পৰিচালিত ঘটনা হিচাবে বৰ্ণনা কৰা নাই, কিন্তু ঐতিহাসিক আৰু ভৱিষ্যতবাণীসমূহৰ পৰিণতি আৰু পৰিপূৰ্ণতা হিচাবে বৰ্ণনা কৰিছে। এয়া হ'ল ইব্ৰাহিমৰ সন্তান দাউদ আৰু দাউদৰ সন্তান ঈছা-মছীহৰ জন্ম ইতিহাস। তৌৰাতৰ ভৱিষ্যতবাণীসমূহ কিদৰে মছীহত পূৰ্ণতা লাভ কৰিছিল সেয়া দেখুৱাই দিবলৈ মথিয়ে বাৰে বাৰে তৌৰাতৰ উক্তি ব্যৱহাৰ কৰিছে। মছীহেই সেইজন ব্যক্তি যিজনে সমস্ত নেকী বা ধাৰ্মিকতাৰ পূৰ্ণতা সাধন কৰিছে। আন কথাত, মুছা আৰু নবীসকলৰ লেখনীত অদৃশ্য আল্লাহৰ কালাম তেওঁৰেই পূৰ্ণ কৰিছে। মথিয়ে তৌৰাতৰ পয়সত্তৰটা আয়াত উদ্ধৃত কৰিছে যিয়ে নিৰ্দেশ কৰে যে, ঈছা মছীহেই ইব্ৰাহিম ও তেওঁৰ বংশধৰসকলৰ বাবে উক্ত আচমানী প্ৰতিজ্ঞাসমূহৰ পূৰ্ণতা সাধক। ইহুদীসকলে ধাৰণা কৰি আছিল মছীহই জেৰুজালেমক কেন্দ্ৰ কৰি এটা ৰাজনৈতিক ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ আহিব। কিন্তু মছীহ তেওঁলোকৰ ধাৰণা খণ্ডন কৰি তৌৰাতৰ ভৱিষ্যৎ বাণী পূৰ্ণ কৰি

বেহেস্তী ৰাজ্যৰ ভেটি স্থাপন কৰিবলৈ আৱিৰ্ভাৱ হৈছিল।

## মাৰ্কে লিখা ইঞ্জিল

*এয়া ইব্‌নুল্লাহ ঈছা-মছীহৰ ইঞ্জিলৰ আৰম্ভণি* (মাৰ্ক ১ঃ১)।

মাৰ্ক মছীহৰ বাৰজন চাহাবাৰ ভিতৰৰ নাছিল। ইঞ্জিলৰ চাৰিটা বিৱৰণৰ ভিতৰত তেওঁৰ নাম এবাৰো উল্লেখ নাই। তেওঁৰ ইহুদী নাম ইউহোন্না আৰু গ্ৰীক বা ৰোমান নাম মাৰ্ক। মছীহৰ বেহেস্ত আৰোহণৰ কেইবা বছৰ পিছত তেওঁৰ নাম উল্লেখ কৰা দেখা যায়। তেওঁ মৰিয়মৰ পুত্ৰ মছীহক বিশ্বাস কৰা এগৰাকী মহিলাৰ সন্তান (প্ৰেৰিত ১২ঃ১২)। মৰিয়ম আছিল লেবীয় বংশৰ আৰম্ভনি কৃপ্ৰ দ্বীপত বাস কৰা সেই বাৰ্ণবাৰ ভনী যি সু-খবৰ প্ৰচাৰৰ কাৰণে বিখ্যাত আছিল। ৰচুল পিতৰ মাৰ্কক 'আমাৰ সন্তান মাৰ্ক' বুলি উল্লেখ কৰিছে (১ পিতৰ ৫ঃ১৩)। ই এটা ইঙ্গিত যে, মাৰ্কে হজৰত পিতৰৰ মাধ্যমত ঈছা মছীহত ঈমান আনিছিল। আৰম্ভণিৰ মছীহী ইমামসকল একমত যে, মাৰ্ক হজৰত পিতৰৰ অনুসৰণকাৰী আছিল আৰু তেওঁৰ অধীনতে ইঞ্জিল লিপিবদ্ধ কৰিছিল। এই কাৰণেই, পিতৰৰ নিজৰ নামত ইঞ্জিলত কোনো বিৱৰণ লিখা নাই।

মাৰ্কৰ সূচনাত লিখা আছে, "ঈছা-মছীহৰ ইঞ্জিলৰ আৰম্ভ, তেওঁ ইব্‌নুল্লাহ"। মছীহৰ কাহিনীয়ে ইঞ্জিল, যি তিনি খলপীয়া শুভ বাৰ্তা বা সু-খবৰঃ ঈছা, মছীহ আৰু ইব্‌নুল্লাহ— এই তিনিটা নামৰ মাজৰ ব্যৱধান সুষ্পষ্ট। ইয়াক এইদৰে বাখ্যা কৰিব পাৰিঃ-

**ঈছা** ঃ জিব্ৰাইল (আঃ) এ মছীহক এই নাম দিছিল। ইয়াৰ অৰ্থ হ'ল নাজাত দাতা। তেওঁৰ জন্মৰ ওচৰা-ওচৰি সময়ত ইউচুফৰ ওচৰত অৰ্থ বাখ্যা কৰি ফিৰিস্তাই কৈছিল, "...তেওঁৰ এটি পুত্ৰ হ'ব। তুমি তেওঁৰ নাম ঈছা ৰাখিবা কাৰণ তেওঁ তেওঁৰ মানুহবিলাকক সিহঁতৰ গুণাহৰ পৰা নাজাত কৰিব" (মথি ১ঃ২১)। তেওঁৰ নাজাত হ'ব অনন্ত কালৰ বাবে গুণাহৰ মুক্তি।

**মছীহ** ঃ ঈছা'ই-মছীহ, কাৰণ তেওঁ দায়ুদৰ সন্তান, যিজন আদম (আঃ) **সময়ৰ** পৰাই প্ৰতিজ্ঞাবদ্ধ। তেওঁ আছিল খোদাৰ প্ৰতিজ্ঞাৰ নবী, ইমাম ও ৰজা। তেওঁয়েই প্ৰতিশ্ৰুত নাজাতদাতা আৰু নবীসকলৰ



ভয় খাইছিল। এই ৰজাও আৰম্ভণিতে ভাল আছিল যদিও পিছত হেৰোদৰ দৰেই নিষ্ঠুৰ হৈ উঠিছিল। ইউচুফৰ মনত কিছু সন্দেহ আছিল যদিও অন্য এটা অদৃশ্য শক্তিৰ ফলত তেওঁ নাচৰতত বাস কৰিবলৈ গৈছিল। ইয়াত মথিয়ে আন এটা ভৱিষ্যত বাণীৰ সফলতা লক্ষ্য কৰিছে—"তেওঁক নাচৰতীয় বুলি মতা হ'ব" (মথি ২ঃ২৩)।

## এটি সুন্দৰ শৈশৱ

ঈছা-মছীহৰ শৈশৱ আছিল বহু**ফালৰ** পৰাই সুন্দৰ। তেওঁৰ জন্মৰ নিদিষ্ট সময়, প্ৰাচীন ভৱিষ্যদ্বাণীসমূহ, বাস্তৱ ও অলৌকিক ঘটনাৱলী: এনে অসাধাৰণ ঘটনাৰ সমাবেশ আছিল তেওঁৰ জীৱন।

ঘটনাবোৰৰ সম্পৰ্কে ফিৰিস্তাবোৰে দিয়া জাননীবোৰ, পিছত এলিজাবেত, জাকাৰিয়া আৰু মৰিয়মক দেখা কৰা লগতে এই আটাইবোৰ জাননী আৰু তৌৰাত শ্বৰীফৰ ভৱিষ্যতবাণীসমূহ এটাৰ পিছত আনটো পূৰণ হৈছিল।

ঈছা-মছীহৰ জন্মৰ আগত বহুত অসাধাৰণ ঘটনা ঘটিছিল। যেনেদনে জাকাৰিয়াক ফিৰিস্তাই দেখা দিয়া আৰু তেওঁ বোবা হৈ থকা, তেওঁৰ পত্নীৰ অস্বাভাৱিক গৰ্ভধাৰণ, ইউচুফক সপোন দিয়া, খোদাৰ নিৰ্দেশত নৱজাতক শিশুৰ জন্মৰ সময় নিৰ্ধাৰণ আদি। বেথলেহেম ইউচুফৰ পূৰ্বপুৰুষৰ বসত্তিস্থল (মছীহৰ জন্মস্থান), ভেড়াৰখীয়াসকলৰ আগত ফিৰিস্তাৰ আৱিৰ্ভাৱ, পূৰ্ব দেশৰ পণ্ডিত সকলৰ পৰিদৰ্শন, এবাদতখানাত কোৰবাণী দিয়া ইত্যাদি।

মছীহক শুভেচ্ছা জনাবলৈ সকলো জীৱই অংশগ্ৰহণ কৰিছিল। ফিৰিস্তাসকল আছিল বেহেস্তৰ প্ৰতিনিধি, ভেড়াৰখীয়াসকল আছিল দৰিদ্ৰৰ প্ৰতিনিধি, মৰিয়ম ও এলিজাবেত বালক আৰু বৃদ্ধসকলৰ, চামাউন ধৰ্মপ্ৰাণ ইহুদীসকলৰ, হান্নাহ নবীবংশৰ, পশ্চিমৰ তৰাটি সৃষ্টিৰ আৰু পণ্ডিতসকল আছিল ধনী, সম্ভ্ৰান্ত আৰু জ্ঞানী অনা-ইহুদীসকলৰ প্ৰতিনিধি।

মছীহৰ জন্মৰ দিনা তৌৰাত শ্বৰীফৰ ভৱীষ্যতবাণী সমূহ পূৰ্ণ হৈছিল। হজৰত পৌলে কৈছে, কিন্তু "*কাল সম্পূৰ্ণ হলত, শ্বৰীয়তৰ অধীন হোৱাবিলাকক মুক্ত কৰিবলৈ আৰু আমি তোলনীয় পুত্ৰৰ বাব পাবলৈ তিৰোতাত জন্ম পোৱা আৰু শ্বৰীয়তৰ অধীনত জন্ম পোৱা*

হেৰোদৰ এই নৃশংস হত্যাকাণ্ডৰ বিষয়ে মথিয়ে জাৰমিয়া নবীৰ এটা ভৱীষ্যত বাণীৰ পূৰ্ণতা দেখিছে: "ৰামাত ভীষণ কন্দা কটা কৰা শব্দ শুনা গৈছে" (জাৰমিয়া ৩১ঃ১৫)।

**নাচৰতলৈ যাত্ৰা কৰা**

হেৰোদৰ মৃত্যুৰ পিছত খোদাৰ ফিৰিস্তা এগৰাকী মিচৰত থকা সময়ত ইউচুফক সপোনত দেখা দি ক'লে, "উঠা, ল'ৰাটি আৰু তেওঁৰ মাকক লৈ ইস্ৰায়েললৈ ঘূৰি যোৱা। ল'ৰাটিক যিজনে মাৰি পেলাব বিচাৰিছিল, তেওঁৰ মৃত্যু হ'ল।"

তেতিয়া ইউচুফ উঠিল আৰু ল'ৰাটিৰ লগত তাৰ মাকক লৈ ইস্ৰায়েল দেশলৈ গ'ল। ইহুদীয়া ৰাজ্যত সেই সময়ত হেৰোদৰ পুত্ৰ আৰ্খিলাই ৰজা হৈছিল। এই কথা শুনি ইউচুফে তালৈ যাবলৈ ভয় খাইছিল। পিছত সপোনত আদেশ পাই তেওঁ গালীল দেশলৈ গুছি গ'ল আৰু নাচৰত নামৰ এখন গাৱত গৈ বাস কৰিব ল'লে। নবীসকলৰ দ্বাৰা যি কথা কোৱা হৈছিল, সেইয়া সফল হৈছিল: "তেওঁক নাচৰতীয় বুলি মতা হ'ব" (মথি ২ঃ১৯-২৩)।

উপযুক্ত পুৰস্কাৰ পাওঁতে, নিষ্ঠুৰ ও একনায়কত্ববাদী হেৰোদৰ বেছি পলম হোৱা নাছিল। তেওঁ ভাবিছিল, ল'ৰা সন্তানবোৰক মাৰি তেওঁ নিজে ৰজা হৈ থাকিব, কাৰণ তাৰ সিংহাসনৰ দাবী কৰোতা শিশুটো মৰি গৈছে। কিন্তু, কিছুদিন পিছতেহে হেৰোদ নিজেই কবৰত সোমাইছিল। অথচ ঈছা মছীহে জীৱিত ও নিৰাপদ আছিল। সেই সময়ৰ পৰা ঈছা মছীহৰ খ্যাতি ও সন্মান অবিৰাম গতিৰে বাঢ়িছে আছে আৰু আগলৈও বাঢ়িব।

মিচৰত এই পৰিয়ালটো কম সময়ৰ বাবেহে আছিল । এজন ফিৰিস্তাই সপোনত দেখা দি ইউচুফক ল'ৰাটি ও তাৰ মাকক লৈ ইস্ৰায়েল দেশলৈ উভতি যাবলৈ কৈছিল। ইউচুফে তৎকালে সেয়া মানি লৈছিল।

ইউচুফ ও মৰিয়ম তেওঁলোকৰ পূৰ্বপুৰুষ দাউদৰ সুন্দৰ গাঁও বেথলেহেমত নিগাজীকৈ বসতি কৰিব বিচাৰিছিল। সেইয়া আছিল জেৰুচালেমত থকা এবাদত খানাৰ ওচৰা-ওচৰি। ইয়াতে দাউদৰ সিংহাসনৰ উত্তৰাধিকাৰী হিচাবে শিশুটিক প্ৰতিপালন কৰাৰ আশা তেওঁলোক কৰিছিল। কিন্তু হেৰোদৰ পুত্ৰ আখিলাই তাৰ পিতৃৰ স্থানত ৰজা হোৱাত ইউচুফে



ওচৰলৈ অহা ভৱিষ্যতবাণীৰ পূৰ্ণতা।

**ইব্‌নুল্লাহ** ঃ তেওঁ ইব্‌নুল্লাহ কাৰণ কোনো মানুহৰ পৰা নহয়, এই ৰাজকীয় নাম তেওঁ লাভ কৰিছিল এগৰাকী ফিৰিস্তাই কুমাৰী মৰিয়মক জনোৱা আগজাননীৰ দ্বাৰা। খোদাই তেওঁক শ্ৰেষ্ঠ কৰিব, যিদৰে তেওঁৰ পূৰ্বপুৰুষ দাউদক কৰিছিল (লুক ১ঃ৩২)। মৰিয়মে যেতিয়া ভয়াৰ্তভাৱে এই অসম্ভৱ ঘটনাৰ বিশ্বাসযোগ্য প্ৰমাণ বিচাৰিছিল, তেতিয়া জিব্ৰাইলে আগত কোৱাখিনিকে পুণৰাবৃত্তি কৰিছিল। ঈছা-মছীহৰ আগমণ এটি শ্ৰেষ্ঠতম সু-খবৰ। সমগ্ৰ মানৱ ইতিহাসত আন কাৰো আগমন ইমান সুখবৰ নহয়। সামগ্ৰীকভাৱে ঈছা মছীহই সু-খবৰ বা ইঞ্জিল। ই বিস্ময়জনক যে নবী ইশাইয়াই মছীহৰ জন্মৰ প্ৰায় ৭০০ বছৰৰ আগতেই তেওঁৰ সম্পৰ্কে কৈছিলঃ *"আল্লাহৰ আত্মা মোত স্থিতি হৈছে, কিয়নো নম্ৰবিলাকৰ আগত শুভৱাৰ্ত্তা প্ৰচাৰ কৰিবলৈ আল্লাহে মোক অভিষেক কৰিলে; ভগ্নচিত্তীয়াবিলাকৰ ঘা বান্ধিবলৈ, বন্দী লোকবিলাকলৈ মুক্তি আৰু বন্দীয়াৰবিলাকলৈ বন্দীশাল মুকলি কৰা কথা ঘোষণা কৰিবলৈ, আল্লাহৰ অনুগ্ৰহ বছৰ আৰু আমাৰ আল্লাহৰ প্ৰতিফল দিয়া দিন ঘোষণা কৰিবলৈ...... আৰু বেজাৰ মনৰ সলনি প্ৰশংসাৰ বস্ত্ৰ দান কৰিবলৈ তেওঁ মোক পঠালে....।"* যিচয়া ৬১:১-৩)

এই বাণী পূৰ্ণ কৰি বেথ্‌লেহামৰ নাতি দূৰত মেৰ ৰখীয়াবিলাকৰ ওচৰত তেওঁৰ জন্মৰ খবৰ জনোৱাৰ সময়ত ফিৰিস্তাসকলে এই কথা কৈছিল, *"ভয় নকৰিবা, কাৰণ আমি তোমালোকৰ কাৰণে অতিকৈ আনন্দৰ খবৰ লৈ আনিছো। এই আনন্দ সকলো মানুহৰ কাৰণে"* (লূক২ঃ১০)। ঈছা মছীহ সম্বন্ধে আমাক যিবোৰ জনাৰ আৱশ্যক সেইবোৰ মাৰ্কৰ ইঞ্জিলৰ পাতনিতে আমাক কোৱা হৈছে।

**লূকে লিখা ইঞ্জিল**

মাননীয় থিয়ফিল,

*"যিবিলাক আদিৰে পৰা দেখা সাক্ষী আৰু বাক্যৰ প্ৰচাৰকহৈছিল তেওঁবিলাকে আমাক শিক্ষা দিয়াৰ দৰে আমাৰ মাজত সিদ্ধ হোৱা কথাবোৰৰ বৃত্তান্ত ৰচনা কৰিবলৈ অনেকে হাত দিলে;*

*এই হেতুকে আপুনি যি যি শিক্ষা পালে, সেইবোৰৰ অলৰতা আপুনি জানিবলৈ মইয়ো আৰম্ভণিৰে পৰা সেইবোৰ বিষয় নিশ্চয়কৈ অনুসন্ধান কৰি, আপোনালৈ ক্ৰমেৰে লিখিবলৈ উচিত দেখিলোঁ"* (লূক ১:১-৪)।

মাৰ্কৰ দৰে প্ৰচাৰক লূকৰ নামটিও ইঞ্জিলৰ বিৱৰণসমূহত উল্লেখ নাই। দ্বিতীয় কিতাবত, অৰ্থাৎ ৰছুলসকলৰ কাৰ্য্য বিৱৰণীত তেওঁৰ জীৱনৰ কিছু পৰিচয় পোৱা যায়। ইয়াৰ ভিতৰত দেখা যায় যে, কোনো কোনো শুভবাৰ্তা প্ৰচাৰ অভিযানত তেওঁ পৌলৰ লগত আছিল। হজৰত পৌলে বিশ্বাসী সকলৈলৈ লিখা পত্ৰ এখনৰ পৰা আমি জানিব পাওঁ যে, তেওঁ আছিল 'প্ৰিয় চিকিৎসক লূক' (কলচীয়া ৪ঃ১৪)। তেওঁ অতি সুশিক্ষিত আছিল বুলি ভাৱ হয়, কাৰণ তেওঁৰ ব্যৱহাৰিত গ্ৰীক ভাষা অতিকৈ প্ৰসংশনীয়। তেওঁৰ ভূমিকাটি তেওঁৰ বন্ধু থিয়ফিলৰ প্ৰতি লিখিত এটি চিঠি য'ত তেওঁ প্ৰকাশ কৰিছে যে, তেওঁৰ এই বিৱৰণ লিখাৰ উদ্দেশ্য হ'ল থিয়ফিলৰ নতুন বিশ্বাসক দৃঢ়কৰণ কৰা। তেওঁ তেখেতক এই ধৰণৰ নিশ্চয়তা দিছে যে, মছীহ সম্পৰ্কীয় সকলো তথ্য তেওঁ অত্যন্ত সতৰ্কতাৰে পুঙ্খানুপুঙ্খকৈ অনুসন্ধান কৰিছে। তেওঁ কৈছে "...ইয়াৰ দ্বাৰাই আপুনি যি জানিব পাইছে সেয়া সঁচা হয়নে নহয় জানিব পাৰিব" (লূক ১ঃ৪)।

## ইউহোন্না লিখিত ইঞ্জিল

*"প্ৰথমে কালাম আছিল, কালাম খোদাৰ লগত আছিল আৰু কালাম নিজে খোদা আছিল। প্ৰথমে তেওঁ খোদাৰ লগত আছিল। তেওঁৰ দ্বাৰাই সকলোৰেই হ'ল আৰু যি যি হ'ল, সেইবোৰৰ এটাও তেওঁৰ বিনে নহ'ল। জীৱন তেওঁতেহে, সেই জীৱনেই মানুহৰ নুৰ'* (ইউহোন্না ১ঃ১-৪)।

ইঞ্জিল **লেখক**সকলৰ চতুৰ্থজন হ'ল ইউহোন্না। আগতে তেওঁ তুৰীকাদাতা ইয়াহিয়াৰ অনুসৰণকাৰী আছিল আৰু পিছত ঈছা-মছীহৰ ১২ জন চাহাবাৰ ভিতৰৰ এজন হৈছিল; 'যাক ঈছা-মছীহে মহব্বত কৰিছিল'। (ইউহোন্না ১৩ঃ২৩)। তেওঁ এজন মাছমৰীয়া আছিল যদিও তেওঁ গৰীব নাছিল, কাৰণ তেওঁৰ পিতা চিবদিয়ৰ বহুতো জাহাজ ও কৰ্মচাৰী আছিল।



বহন কৰাটো ইউচুফৰ পক্ষে সম্ভৱ নাছিল। তেওঁৰ শুদ্ধ অন্তৰৰ আশা পূৰণ কৰাৰ প্ৰয়োজনত খোদায় এই উপহাৰবোৰ পঠিয়াইছিল।

## বেথলেহেমত শিশু বধ

পণ্ডিতসকলে তেওঁক ঠগিছে বুলি জানিব পাৰি হেৰোদ ভীষণ খঙাল হৈ পৰিল। পণ্ডিতসকলৰ পৰা যি সময়ৰ কথা তেওঁ জানি লৈছিল, সেই সময়ৰ হিচাব মতে দুই বছৰ বয়সৰ ভিতৰত যিমান ল'ৰা বেথলেহেম আৰু তাৰ ওচৰে পাজৰে আছিল সকলোকে মাৰি পেলাবলৈ হেৰোদ আদেশ দিলে। তেতিয়াই নবী জাৰমিয়াৰ দ্বাৰা যি কোৱা হৈছিল, সেয়া পূৰণ হ'ল—

"ৰামাত ভীষণ কন্দা-কটাৰ শব্দ শুনা গৈছে,
ৰাহেলে তেওঁৰ সন্তানবিলাকৰ কাৰণে কান্দিছে,
একোৰে তেওঁ শান্তনা ল'ব পৰা নাই,
কাৰণ তেওঁলোক আৰু নাই।" (মথি ২ঃ১৬-১৮)

পণ্ডিতসকল ৰাজপ্ৰাসাদৰ পৰা যোৱাৰ পিছত হেৰোদ তেওঁলোক ঘূৰি অহাৰ অপেক্ষাত অধৈৰ্য্য হৈ পৰিল। কিন্তু পণ্ডিতসকল ঘূৰি নাহিল। যেতিয়া হেৰোদক বুজি পালে যে পণ্ডিতসকল তেওঁৰ লগত প্ৰতাৰণা কৰিছে, তেতিয়া অত্যন্ত খঙত জ্বলি উঠিছিল, কাৰণ শিশুটিক চিনাক্ত কৰাৰ তেওঁৰ কোনো উপায় নাছিল।

বেথলেহেমৰ মানুহবিলাকৰ পৰা তেওঁ জানিবলৈ চেষ্টা কৰিছিল যে, পণ্ডিতসকল কোনফালে কাৰ ঘৰত প্ৰৱেশ কৰিছিল।তেওঁ যি জানিব পাইছিল সেয়া আছিল এনে ধৰণৰ: পৰিয়ালটো আছিল গালীলীয় আৰু তেওঁলোক অজ্ঞাত ঠাইলৈ গুছি গৈছে। ইয়াৰ পৰা তেওঁ আৰু খঙাল হৈ পৰিছিল, কাৰণ তেওঁ সন্দেহ কৰিছিল যে তেওঁলোকে ৰজাৰ পৰা কিবা লুকাব বিচাৰিছে। যি কোনো উপায়ে শিশুটিক মাৰি পেলাবলৈ তেওঁ প্ৰতিজ্ঞাবদ্ধ হ'ল আৰু তেওঁলোকৰ প্ৰৱঞ্চনা ও পণ্ডিতসকলৰ লগত হোৱা বিফলতাৰ বাবে বেথলেহেমৰ মানুহবিলাকক শাস্তি দিব বিচাৰিলে। কোনেও ৰেহাই নাপাওক বুলি তেওঁ দুই বছৰ বা তাতকৈ তলৰ বয়সৰ সকলো ল'ৰা সন্তানক মাৰি পেলাবৰ কাৰণে তেওঁৰ সৈন্যবিলাক বেথলেহেম আৰু তাৰ ওচৰৰ ঠাইবোৰলৈ পঠাইছিল।

এই কথাও জনা গৈছে যে, সেই সময়ত এটা অসাধাৰণ উজ্জ্বল তৰাৰ আৱির্ভাৱ ঘটিছিল যিটো কম সময়তে অন্তৰ্ধ্যান হৈছিল। ইয়াৰ পৰা বহুতে বিশ্বাস কৰিবলৈ ধৰিছে যে, এইটোৱে সেই তৰাটো যিটোৱে পণ্ডিতসকলক বেথলেহেমলৈ ধাৱিত কৰাইছিল। আন বহুতে আকৌ এনে মত পোষণ কৰিছে যে, সেইটো আছিল এটা ধুমকেতু যিটো কেৱল এবাৰে দেখা গৈছিল, সেইটো সৰু কক্ষপথ সদৃশ আৰু বৰ্ত্তমান সময়ৰ ভিতৰত দেখা দিয়া ধূমকেতুৰ দৰে নাছিল। কিন্তু, এই তৰাটিৰ বিষয়ে কোনোৱে সঠিক বৰ্ণনা দিব নোৱাৰে।

যিহওঁক, তেওঁলোকে এক সপোনযোগে জানিব পাইছিল যাতে তেওঁলোক হেৰোদৰ ওচৰলৈ ঘূৰি নাযায় আৰু পিছত তেওঁলোক অন্য ৰাস্তাৰে নিজৰ দেশলৈ উভতি গৈছিল।

**মিচৰলৈ পলায়ন**

পণ্ডিতসকল গুছি যোৱাৰ পিছত খোদাৰ এজন ফিৰিস্তাই ইউচুফক সপোনত দেখা দি ক'লে, "উঠা, ল'ৰাটো আৰু মাকক লৈ মিচৰ দেশলৈ পলাই যোৱা। আমি নোকোৱা লৈকে তুমি সেই ঠাইতে থাকিবা, কাৰণ ল'ৰাটিক মাৰি পেলাবৰ বাবে হেৰোদে বিচাৰিব।"

তেতিয়া ইউচুফে উঠি ল'ৰাটি ও মাকক লৈ সেই ৰাতিয়ে মিচৰলৈ যাত্ৰা কৰিলে আৰু হেৰোদৰ মৃত্যু নোহোৱালৈকে তাতে থাকিল। এই ঘটনা ঘটিল যা'তে নবীৰ যোগেদি খোদাই যি কথা যে কৈছিল সেয়া পূৰ্ণ হয়—"আমি মিচৰৰ পৰা পুত্ৰক মাতি আনিলো" (মথি ২ঃ১৩-১৫)।

মথিয়ে লিখা ইঞ্জিল শ্বৰীফত বৰ্ণিত আছে, যে পণ্ডিতসকল গুছি যোৱাৰ পিছ মুহূৰ্ততে দ্বিতীয়টো সপোনত ফিৰিস্তাই ইউচুফক মিচৰলৈ পলাই যাবলৈ সকিয়াই দিছিল। ইউচুফে ল'ৰাটিৰ বিপদ সংকুল অৱস্থাক অনুমান কৰি সেই আদেশ মানি লৈছিল আৰু সোনকালে মিচৰ অভিমুখে যাত্ৰা কৰিছিল।

শিশুটি ইস্ৰায়েলৰ নতুন শাসক এই ধাৰণা দিওঁতা পণ্ডিতসকলৰ বাবে বেথলেহেমবাসী সকলে এই পৰিয়ালটিক শ্ৰদ্ধা কৰিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকেওঁ শিশুটিৰ কাৰণে মূল্যবান উপহাৰ লৈ আহিছিল। শিশুটিৰ প্ৰয়োজনীয় সামগ্ৰী অবিহনে মিচৰলৈ যোৱা পথৰ যাৱতীয় খৰচ



তেওঁৰ মা ছালমা ঈছা আৰু তেওঁৰ চাহাবাসকলৰ লগে লগে ঘূৰিছিল আৰু ধনেৰে তেওঁলোকক সহায় কৰিছিল। বহু ধৰণে মছীহে ইউহোন্নাৰ ক্ষেত্ৰত সুখী আছিল। শেষ নৈশ ভোজনৰ সময়ত তেওঁ ঈছা-মছীহৰ কোলাত আউজি বহিছিল (ইউহোন্না ১৩ঃ২৩) আৰু মৃত্যুৰ আগত ঈছা-মছীহে তেওঁৰ মাকক চোৱা চিতা কৰাৰ দায়িত্ব ইউহোন্নাৰ ওপৰত অৰ্পন কৰিছিল (ইউহোন্না ১৯ঃ২৭)। তেওঁ লিখা ইঞ্জিলৰ বিৱৰণত মহব্বত আৰু দয়াই প্ৰাধান্য লাভ কৰিছে।

হজৰত মথি, মাৰ্ক আৰু লূকৰ তুলনাত ২০-৩০ বছৰ পিছত ইউহোন্নাই তেওঁৰ ইঞ্জিল লিপিবদ্ধ কৰিছিল। ঈছা-মছীহৰ মানৱীয়তা বিশ্বাসীসকলৰ মাজত ভালকৈয়ে প্ৰতিষ্ঠিত হৈছিল। সেইবোৰ বিপৰ্যস্ত হোৱাৰ আৰু কোনো ভয় নাছিল যদিও ধৰ্মীয় গোড়ামি মানুহৰ এটা স্বাভাৱিক প্ৰৱণতা। বহুতে ঈছা-মছীহৰ দৈৱিকতা সম্পৰ্কে ভ্ৰূল ধাৰণাৰ অৱতাৰনা কৰিছিল। সেয়ে যোহনে তেওঁৰ বিৱৰণত এই বিষয়বোৰৰ স্পষ্ট উত্তৰ দিব লগা হৈছিল। মছীহী জামাতত যিবোৰ ভূল ধাৰণা বিয়পি পৰিছিল তেওঁ সেইবোৰ সংশোধন কৰাৰ আশা কৰিছিল।

ইউহোন্না লিখিত ইঞ্জিলৰ প্ৰস্তাৱনা বা ভূমিকাটোকে ইঞ্জিল শ্বৰীফৰ আটাইতকৈ আচঁৰিত বা আন আয়াত সমূহৰ ভিতৰত অন্যতম। যিকোনো ধৰ্মানুৰাগীৰ ওপৰত ইয়ে গভীৰ প্ৰভাৱ পেলায়। "আৰম্ভণিতে আল্লাহই আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিলে"। তৌৰাত শ্বৰীফৰ (আদি পুস্তক ১ঃ১)ত যদিও ওপৰোক্ত আয়াত উল্লেখ হৈছে, তথাপি হজৰত ইউহোন্না এনেভাৱে আৰম্ভণিৰ কথা লিখিছে যাৰ অৰ্থই প্ৰথম আয়াতক অতিক্ৰম কৰি যায়। তেওঁ কৈছে, *"প্ৰথমে কালাম আছিল, কালাম খোদাৰ লগত আছিল আৰু কালাম নিজেই খোদা আছিল। আৰম্ভণিতে তেওঁ খোদাৰ লগত আছিল। তেওঁৰ দ্বাৰাই সকলোৱেই হ'ল ; আৰু যি যি হ'ল সেইবোৰৰ এটাও তেওঁৰ বিনে নহ'ল"*। (ইউহোন্না ১ঃ১-৩)।

# ঈছা-মছীহৰ বংশৰ তালিকা

হজৰত মথি আৰু লূকে ঈছা-মছীহৰ বংশ তালিকা যিদৰে লিপিবদ্ধ কৰিছে তাৰ মাজত সতৰ্ক পাঠকে এটি পাৰ্থক্য দেখা পাব। ইউহোন্না আৰু মাৰ্কে তেওঁলোকৰ বিৱৰণৰ পৰা মছীহৰ বংশ তালিকা বাদ দিছে আৰু ইউহোন্না ঘূৰি গৈছে মছীহৰ আৰু অনন্তকলীয়া অস্তিত্বৰ বিষয়ত।

## ইউহোন্না লিখিত মছীহৰ বংশতালিকা

ইউহোন্নাই ঈছা-মছীহক এটা নতুন উপাধি দিছে। তেওঁ আল্লাহৰ 'কালাম'। ই এটা অৰ্থৱহ শব্দ, কাৰণ কালাম বা উক্তিয়েই ব্যক্তিৰ চিন্তাৰ প্ৰকাশ ঘটায়। এইদৰেই, মাংসত আবিৰ্ভূত ঈছা-মছীহ খোদাক প্ৰকাশ কৰিছে যিয়ে দেখা পাই অথচ নিজে অদৃশ্য। পৰাক্ৰম, আদৰ্শ, দয়া আৰু পৱিত্ৰতাৰ দৰে আলৌকিক গুণাৱালী ঈছা-মছীহে তেওঁৰ উক্তিত প্ৰকাশ কৰিছে। সেয়ে আচঁৰিত হ'বলৈ একো নাই যে, তেওঁৰ উপাধিসমূহৰ ভিতৰত কালাম অন্যতম। আৰবীত কলিমা (গ্ৰীক 'Logos') শব্দটি ব্যাকৰণমতে স্ত্ৰী লিংগত। তথাপি, ইউহোন্নাই ইয়াক পুৰুষ ঈছা-মছীহৰ ক্ষেত্ৰত প্ৰয়োগ কৰিছে।

ইউহোন্না তেওঁৰ ভূমিকা শেষ কৰিছে এই ঘোষণাৰ দ্বাৰাই "খোদা অদৃশ্য, কিন্তু তেওঁৰ ৰূহানী পুত্ৰ, তেওঁৰ কালামৰ দ্বাৰাই প্ৰকাশিত হৈছে। তেওঁ খোদাক প্ৰকাশ কৰিবলৈ মানৱৰূপ গ্ৰহণ কৰি মানুহৰ মাজত বসবাস কৰিছিলঃ "....*সেই কালাম মাংস হ'ল আৰু অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ হৈ আমাৰ মাজত বসতি কৰিলে; আৰু পিতৃৰ একমাত্ৰ পুত্ৰৰ উপযুক্ত যি প্ৰভাৰ, সেই প্ৰভাৰ আমি দেখিলোঁ।*" (ইউহোন্না ১ঃ১৪)।

## মথিয়ে লিখা মছীহৰ বংশ তালিকা

ঈছা মছীহ দাউদৰ বংশৰ আৰু দাউদ ইব্ৰাহিমৰ বংশৰ। ঈছা মছীহৰ বংশ তালিকা এই—

ইব্ৰাহিমৰ পুত্ৰ ইচাহাক; ইচাহাকৰ পুত্ৰ ইয়াকুব;

ইয়াকুবৰ পুত্ৰ এহুদা ও তাৰ ভাইবিলাক,



নাজানে; তেতিয়া পণ্ডিতসকলৰ মনত কেনে চিন্তা জাগিছিল সেয়া জানিব পাৰিলে আমি সুখী হলোহেঁতেন। তেওঁলোকে কিয় বাৰু উভটি ঘৰ অভিমুখী নহ'ল? তেওঁলোকে এইটোও বিশ্বাস নকৰিলে যে তৰাটোৱে তেওঁলোকক ভূল ৰাস্তাত চলাইছে। তেওঁলোকে হেৰোদৰ কথা শুনি শান্তনা পাইছিল যে তেওঁৰো গৈ নৱজাত শিশুটিক সেৱা জনাব বিচাৰে, যিটো নেকি তেওঁলোকৰ হৃদয়ৰ ভাৰখিনিয়ে প্ৰকাশ কৰিছিল। এইবাবে ৰজাৰ হাবিয়াস পূৰাবৰ নিমিত্তে তেওঁলোক যাত্ৰা কৰিছিল।

বেথলেমলৈ যোৱাৰ পথত তেওঁলোকে আকৌ দেখা পালে যে তৰাটিয়ে তেওঁলোকৰ পথত আগুৱাই গৈছে আৰু পিছত শিশুটি য'ত আছিল সেই ঠাইৰ ওপৰত ৰৈ গৈছে। আনন্দত তেওঁলোক আত্মহাৰা হৈ পৰিল। আৰম্ভণিতে তৰাটোৱে জেৰুচালেমৰ পিনে তেওঁলোকক পথ দেখুৱাইছিল, যদিও এইখন ঠাইৰ ফালে তেওঁলোকক পথ দেখুওৱা নাই। পিছত যেতিয়া সেইটো পুণৰ আহি তেওঁলোকক তেওঁলোকৰ গন্তব্যস্থানত লৈ গৈছিল তেতিয়া তেওঁলোক আনন্দিত হৈছিল।

পৰিয়ালটো অথবা শিশুটিৰ বিষয়ত যিদৰে অলৌকিক ও বেহেস্তীৰ উৎস সম্পৰ্কে ইঙ্গিত বহন নকৰিছিল, সেইদৰে তেওঁৰ পিতৃ-মাতৃয়েও হয়তো বেথলেহেমৰ বাসীন্দাসকলৰ ওচৰত গুপুত ৰহস্যৰ একোৱে খুলি কোৱা নাছিল। এই কাৰণে তৰাটিৰ পথ নিৰ্দেশনাৰ বাহিৰেও পণ্ডিতসকলে শিশুটিৰ ওচৰলৈ যোৱা পথ বিচাৰি পোৱাটো অসম্ভৱ কথা আছিল। সেই ঘৰত সোমোৱাৰ পিছত তেওঁলোকে শিশুটিক সেৱা জনোৱাৰ লগতে তেওঁলোকৰ উপহাৰ দিছিল। আতঁৰৰ সুগন্ধ আছিল ৰছূলৰ মৰ্য্যাদা, সুগন্ধি ধূপবাতি আছিল তেওঁৰ ইমামতি কৰাৰ অৰ্থ আৰু সোণ আছিল তেওঁৰ ৰাজকীয় মৰ্য্যাদা।

জ্যোতিষীসকলে এই তৰাটিক লৈ গৱেষণা কৰিছে। এই তৰাটিয়ে সুন্দৰ ও স্পষ্টকৈ পথ দেখুওৱাৰ কাৰণ কেন্দ্ৰ কৰি তেওঁলোকে মহাকাশৰ নক্ষত্ৰবোৰৰ আৱিৰ্ভাৱৰ তাৰিখ অনুসন্ধান কৰিছে। জনা গৈছে যে, ঈছা মছীহৰ জন্মৰ ওচৰা-ওচৰি সময়ত কেবাটাও গ্ৰহ একেলগে মিলিত হৈছিল যিটো শ শ বছৰৰ মূৰত এবাৰ ঘটে। ইয়াৰ পৰা কোনো কোনোৱে ধাৰণা কৰে যে, এনে কাৰণতে, পণ্ডিতসকল বেথলেমৰ পিনে গমন কৰিছিল।

শুনিছিল। ইহুদীসকলৰ দেশত আগন্তুক সকলৰ পৰিদৰ্শন বেচ উৎসাহজনক আছিল। জেৰুচালেম আছিল পৰ্যটন আৰু বেপাৰ-বাণিজ্যৰ বাবে জনপ্ৰিয়। এনে পৰিবেশত যেতিয়া তেওঁলোকে প্ৰশ্ন কৰিছিল, “ইহুদীসকলৰ যিজন অধিপতি জন্ম হৈছে তেওঁ ক'ত? পূব ফালৰ আকাশত আমি তেওঁৰ তৰা দেখি তেওঁক সেৱা কৰিবলৈ আহিছো।”

এই কথা যিসকলে শুনিছিল তেওঁলোকৰ মনত ভাৰ সোমাইছিল। হেৰোদৰ ঠাইত এজন নতুন ৰজা জন্ম গ্ৰহণ কৰিব, এনে সম্ভৱনাৰ কথাত তেওঁলোক ভয় খাই উঠিছিল। খঙাল ৰজা কেতিয়া কাক আক্ৰমণ কৰিব কোনেও নাজানে। সকলো ঠাইতে ৰজাৰ গুপ্তচৰ আছিল। এইবাবেই পণ্ডিতসকলে খবৰটো ৰজাৰ ওচৰত দিয়াৰ পিছত ৰজাই সিংহাসন হেৰুৱাৰ ভয়ত অস্থিৰ হৈ পৰিল। মছীহে ক'ত জন্মগ্ৰহণ কৰিব, এই কথা ৰাজ্যৰ পণ্ডিতসকলক সোধাৰ পিছত তেওঁলোকে ৰজাক মীখা নবীৰ কিতাপৰ পৰা উত্তৰ দিছিল;

*“কিন্তু তুমি হে বেথলেহেম ইফ্ৰাথা, তুমি এহুদাৰ হাজাৰ জনৰ মাজত অতি ক্ষুদ্ৰ হিচাবৰ বাহিৰত। তোমাৰ পৰা ইস্ৰায়েলৰ মাজত অধিপতি হ'বলৈ মোৰ উদ্দেশ্যৰে এজন ব্যক্তি জন্ম হ'ব; অনাদি কালৰ পৰা তেওঁৰ উৎপত্তি।’* (মীখা ২ঃ২)

সন্দেহ কৰি হেৰোদে তাৰ ৰাজ প্ৰাসাদত পণ্ডিতসকলক নিমন্ত্ৰণ কৰি সন্মান জনাইছিল—যদিওঁ তাৰ অন্তৰত ভীষণ অস্থিৰতা আছিল। তাৰ উদ্দেশ্য আছিল তেওঁলোকৰ পৰা তৰাটি আৱিৰ্ভাৱ হোৱাৰ সঠিক সময়টো জানি লোৱা। অনুমান হয়, ৰজাই হয়তো তেওঁলোকক অপমান, শাস্তি আনকি হত্যাও কৰিলেহেঁতেন। কিন্তু তাৰ খং লুকাই ৰাখি তেওঁলোকক শিশুটিৰ বিষয়ে বিতং তথ্য জানিবলৈ আৰু ঘূৰি আহি তাক সকলো জনাবলৈ ক'লে। চতুৰালি কৰি তেওঁ কৈছিল “...যাতে ময়ো গৈ তেওঁক চিজদা কৰিব পাৰো।” তেওঁ মনত ভাৰিছিল যে শিশুটিক মাৰি পেলাবলৈ বেথলেহেমৰ ফালে খবৰ আহি পাবলৈ মাত্ৰ ২-১ দিন লাগিব। তাক অস্থিৰ কৰি তোলাৰ বাবে হয়তো পণ্ডিতসকলো সাৰি নাযাব।

ইহুদীসকলৰ ৰাজধানী গৈ পণ্ডিতসকলে যেতিয়া গম পালে যে ৰাজপ্ৰসাদৰ পৰা পথৰ ভিক্ষাৰীলৈকে কোনোৱে সেই মহামানৱৰ কথা



এহুদাৰ পুত্ৰ পেৰচ ও চেঁৰহ—তেওঁলোকৰ মাক আছিল তামাৰ;
পেৰচৰ পুত্ৰ হিব্ৰোণ; হিব্ৰোণৰ পুত্ৰ ৰাম;
ৰামৰ পুত্ৰ অস্মিনাদব; অস্মিনাদবৰ পুত্ৰ নহছোন;
নহছোনৰ পুত্ৰ চলেমান;
চলেমানৰ পুত্ৰ বোৱাজ—তেওঁৰ মা আছিল ৰাহাৱ;
বোৱাজৰ পুত্ৰ ওবেদ—তেওঁৰ মা আছিলত ৰূথ;
ওবেদৰ পুত্ৰ যিচয়; যিচয়ৰ পুত্ৰ ৰজা দাউদ।

দাউদৰ পুত্ৰ ছোলেইমান বাদছাহ—তেওঁৰ মা আছিল উৰিয়াৰ বিধৱা স্ত্ৰী।

ছোলেইমানৰ পুত্ৰ ৰহবিয়াম, ৰহবিয়ামৰ পুত্ৰ অবিয়,
অবিয়ৰ পুত্ৰ আছা, আছাৰ পুত্ৰ যিহোচাফত,
যিহোচাফতৰ পুত্ৰ যোৰাম, যোৰামৰ পুত্ৰ উছিয়,
উছিয়ৰ পুত্ৰ যোথম, যোথমৰ পুত্ৰ আহছ,
আহজৰ পুত্ৰ হিষ্কিয়, হিষ্কিয়ৰ পুত্ৰ মনছি,
মনছীৰ পুত্ৰ আমোন, আমোনৰ পুত্ৰ যোছীয়,

যোছীয়ৰ পুত্ৰ যেখণীয় লগতে তেওঁৰ ভাইবিলাক— ইস্ৰায়েল জাতিক বাবিল দেশত বন্দী হিচাবে লৈ যোৱাৰ সময়ত এইসকল জীৱিত আছিল।

যেখণীয়ৰ পুত্ৰ চল্‌টিয়েল— ইস্ৰায়েল জাতিক বাবিল দেশত বন্দী কৰি লৈ যোৱাৰ পিছত এওঁৰ জন্ম হৈছিল;

চল্‌টিয়েলৰ পত্ৰ জৰুব্বাবিল, জৰুব্বাবিলৰ পুত্ৰ অবীহুদ,
অবিহুদৰ পুত্ৰ ইলীয়াকীম, ইলীয়াকীমৰ পুত্ৰ আছোৰ,
আছোৰৰ পুত্ৰ ছাদোক, ছাদোকৰ পুত্ৰ আখীম,
আখীমৰ পুত্ৰ ইলিহুদ, ইলিহুদৰ পুত্ৰ ইলিয়াজৰ,
ইলিয়াজৰৰ পুত্ৰ মত্তন, মত্তনৰ পুত্ৰ ইয়াকুব
ইয়াকুবৰ পুত্ৰ ইউচুফ— এওঁৰেই মৰিয়ৰ স্বামী।

এই মৰিয়মৰ গৰ্ভত ঈছা যিজনক খ্ৰীষ্ট, অৰ্থাৎ মছীহ কোৱা হয়, তেওঁৰ জন্ম হৈছিল।

এইদৰে ইব্ৰাহিমৰ পৰা দাউদ লৈ চৈধ্য পুৰুষ, দাউদৰ পৰা বাবিলত

বন্দী কৰি লৈ যোৱাৰ সময়লৈ চৈধ্য পুৰুষ, বাবিলত বন্দী হোৱাৰ পিছৰ পৰা মছীহলৈকে চৈধ্য পুৰুষ। (মথি ১ঃ১-১৭)।

হজৰত মথি মূলত এজন ইহুদী কৰ আদায়কাৰী আছিল। তেওঁৰ ইহুদী নাম লেবী আৰু গ্ৰীক নাম আছিল মথি। তেওঁৰ পিতাৰ নাম আছিল আলফেয়। ৰোম চৰকাৰ অধীনত তেওঁ কৰ আদায়কাৰীৰ চাকৰি কৰিছিল। এই কাৰণে অৰ্থনৈতিক আৰু ব্যৱসায়িক সম্পৰ্কে তেওঁৰ যথেষ্ট জ্ঞান আছিল। তেওঁ এজন সম্পদশালী ব্যক্তিও আছিল।

মথি তেওঁৰ ইঞ্জিলৰ প্ৰস্তাৱনা আৰম্ভ কৰিছে এইদৰে: “ঈছা-মছীহ দাউদৰ বংশৰ আৰু দাউদ ইব্ৰাহিমৰ বংশৰ লোক। ইছা-মছীহৰ বংশৰ তালিকা এই—ইব্ৰাহিমৰ পুত্ৰ ইচাহাক, ইচাহাকৰ পুত্ৰ ইয়াকুব, ইয়াকুবৰ পুত্ৰ এহুদা লগতে তেওঁৰ ভাইবিলাক...।” তাৰ পিছত তেওঁ ৪০ জন পুৰুষ ও স্ত্ৰী লোকৰ উল্লেখ কৰিছে যাৰ শেষত কোৱা নামটি হ’ল ইউচুফ যিয়ে মৰিয়মক গ্ৰহণ কৰিছিল। মৰিয়মৰ গৰ্ভত গৰ্ভত মছীহ ঈছাৰ জন্ম হৈছিল। এজন উদ্দেশ্যহীন পাঠকৰ ওচৰত এই তালিকা এক অদৰকাৰী বিষয় হব পাৰে, কিন্তু এজন জ্ঞানী পাঠকৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব অপৰিসীম। কাৰণ এই আশ্চৰ্য্য ব্যক্তি যিয়ে মানৱৰূপ গ্ৰহণ কৰি আমাৰ মাজত বাস কৰিছিল, তেওঁৰ মাংসিক উৎস সম্বন্ধে ইয়াত তাৎপৰ্য্যপূৰ্ণ বিষয় নিহিত হৈ আছে। তেওঁৰেই একমাত্ৰ ব্যক্তি যাৰ প্ৰমাণিত বংশ তালিকা আদমলৈ ব্যাপ্ত হৈ আছে। তেওঁ দাউদৰ সন্তান অৰ্থাত দাউদৰ বংশৰ পৰাই মছীহৰ আগমণ।

**উৰ্দ্ধলোকত মাৰুদৰ মহিমা
আৰু দুনিয়াত মহব্বৰ পাত্ৰ
মানুহবিলাকৰ মাজত শান্তি
(লূক ২:১৪ আয়াত)**



কৰি সেই শিশুটিক মৰিয়মৰ ওচৰত দেখা পালে। তেতিয়াই তেওঁলোকে শিশুটিক সেৱা কৰিলে আৰু তেওঁলোকৰ লগত লৈ যোৱা বাকচ খুলি শিশুটিক সোণ, সুগন্ধি ধূপ, আতৰ উপহাৰ দিলে। পিছত খোদাই সপোনত তেওঁলোকক সতৰ্ক কৰি দিলে, যাতে তেওঁলোক হেৰোদৰ ওচৰলৈ ঘূৰি নাযায়। তেতিয়া তেওঁলোক অন্য ৰাস্তাৰে নিজৰ দেশলৈ উভতি গ’ল (মথি ২ঃ১-১২)।

মানৱ ইতিহাসৰ জন্মলগ্নত এদেন উদ্যানত আমাৰ পিতা মাতা আদম, হাৱাক চয়তানে সুখী ও সুন্দৰ দেখি সহ্য কৰিব পৰা নাছিল। সেই বাবেই চয়তানে বুদ্ধি সাজি তেওঁলোক দুয়োজনকে পাপত পতিত কৰাইছিল। প্ৰথম জনতকৈ শ্ৰেষ্ঠ দ্বিতীয় আদমৰ জন্মত সি জানো নীৰৱে থাকিব পাৰিব? চয়তান এইজনৰ ঘোৰ শত্ৰু নহয়নে? হজৰত ইউহোন্নাই কৈছে, “...চয়তানৰ কাৰ্য্য ধ্বংশ কৰাৰ বাবেই খোদাৰ পুত্ৰৰ আগমণ হৈছিল” (১ ইউহোন্না ৩ঃ৮)।

এই শিশুটিক শেষ কৰিবলৈ চয়তানৰ বহুত শক্তিৰ প্ৰয়োজন নাছিল। কাৰণ মানৱজাতি তাৰ হাতৰ মুঠিতে আছিল। তেওঁলোকক সি নিজৰ ইচ্ছামতে ব্যৱহাৰ কৰিবলৈ পাৰিছিল। বিশ্বাস ঘাটক, হত্যাকাৰী নিষ্ঠুৰ হেৰোদ আছিল এজন দুষ্ট মানুহ আৰু চয়তানৰ শক্তিৰ লগত মিলি থকা অস্ত্ৰ।

পূব দেশৰ কেইজনমান পণ্ডিতৰ আগমণৰ কাৰণে জেৰুচালেম আৰু ৰাজপ্ৰসাদত এক মহা আলোড়ন সৃষ্টি হৈছিল। যিমান দূৰ বিশ্বাস, তেওঁলোক জ্ঞানী আৰু উচ্চ সন্মানিত ব্যক্তি। বিশ্বাস হয় যে তেওঁলোক পাৰস্য, ভাৰত আৰু আৰবৰ পৰা আহিছিল। তেওঁলোক তিনিজন বুলি ধাৰণা কৰা হৈছে, কাৰণ— শিশুটিৰ বাবে তিনি প্ৰকাৰ উপহাৰৰ কথা উল্লেখ আছে। নূহৰ তিনিজন পুত্ৰ চেম, হাম আৰু যেফতৰ পৰা উৎপত্তি হোৱা মানৱজাতি তিনিটা ভাগৰ নেতা হিচাপে কোনো কোনোৱে তেওঁলোকক বিবেচনা কৰে। আকৌ কোনো কোনোৱে ভাৱে তেওঁলোক আছিল যৌৱন, প্ৰাপ্তবয়স্ক আৰু বৃদ্ধ বয়সৰ নেতা।

ধাৰণা কৰা হয় তেওঁলোক আছিল জ্যোতিষ শাস্ত্ৰৰ ছাত্ৰ। গোটেই বিশ্বৰ বিপথগামী ইহুদীসকলৰ বাবে আহিবলগা মছীহৰ কথা তেওঁলোকে

সেই সময়ৰ ভিতৰত নৰজাতকৰ কাৰণে আগে আগে বহুত মানুহ গৈছিল আৰু নিৰ্দিষ্ট স্থান বিচাৰি পোৱাত সহজ হৈছিল।

# পণ্ডিতসকলে শিশু ঈছাক দেখা কৰা

এহুদিয়া ৰাজ্যৰ বেথলেহেম গাৱঁত ঈছাৰ জন্মৰ সময়ত তাত ৰজা আছিল হেৰোদ। পূব দেশৰ পৰা কেইজনমান পণ্ডিতে জেৰুচালেমলৈ আহি ক'লে, "ইহুদীসকলৰ যি ৰজা জন্মিছে তেওঁ ক'ত আছে? পূবফালৰ আকাশত আমি তৰা দেখি তেওঁক সেৱা জনাবলৈ আহিছো।" এই কথা শুনি ৰজা হেৰোদ আৰু তেওঁৰ সৈতে জেৰুচালেমৰ আন বহুতেই অস্থিৰ হৈ উঠিল। হেৰোদে সকলো পণ্ডিত আৰু ইমামক মাতি আনি সুধিলে, মছীহে ক'ত জন্ম গ্ৰহণ কৰিব ? তেওঁলোকে ৰজাক ক'লে, "এহুদিয়া ৰাজ্যৰ বেথলেহেম গাঁৱত। কাৰণ নবীয়ে এই কথা লিখিছে ঃ

"এহুদা ৰাজ্যৰ বেথলেহেম
এহুদা ৰাজ্যৰ মাজত
তুমি কোনো কাৰণত সৰু নোহোৱা,
কাৰণ তোমাৰ ভিতৰত পৰা
এনেকুৱা এজন অধিপতি আহিব
যিয়ে আমাৰ ইস্ৰায়েল জাতিক
শুদ্ধ পথত পৰিচালনা কৰিব।"

তেতিয়া হেৰোদ ৰজাই সেই সকল পণ্ডিতক গোপনে মাতিলে আৰু জানি ল'লে, কোন সময়ত তৰাটি দেখা গৈছিল। তেওঁ পণ্ডিতসকলক এইকথা কৈ বেথলেহেমলৈ পঠিয়াই দিলে, "আপোনালোকে গৈ ভাল কৈ সেই শিশুটি বিচাৰ কৰক। তেওঁক বিচাৰি পালে পিছত মোক জনাব, যাতে ময়ো গৈ তেওঁক সেৱা জনাব পাৰো।" ৰজাৰ কথা শুনি পণ্ডিতসকল গুছি গ'ল। তেওঁলোকে পূব দিশত যিটো তৰা দেখিছিল সেই তৰাটো তেওঁলোকৰ আগে আগে গৈ থাকিল। শিশুটি যি ঠাইত আছিল সেই ঘৰৰ ওপৰত আহি ৰৈ নোযোৱালৈকে তৰাটি গৈয়ে থাকিল। তৰাটি ৰৈ যোৱাৰ পিছত পণ্ডিতসকল খুব সুখী হ'ল আৰু ঘৰৰ ভিতৰলৈ প্ৰৱেশ



# লূকে লিখা মছীহৰ বংশ তালিকা

প্ৰায় ত্ৰিশ বছৰ বয়সত ঈছাই তেওঁৰ কৰ্ম আৰম্ভ কৰিলে। মানুহে ভাৱে, তেওঁ ইউচুফৰ সন্তান।

ইউচুফ এলিৰ পুত্ৰ, এলি মত্তৰৰ পুত্ৰ,
মত্তৰ লেবিৰ পুত্ৰ, লেবি মল্কিৰ পুত্ৰ,
মল্কি য়ান্নায়ৰ পুত্ৰ, যান্নায় ইউচুফৰ পুত্ৰ,
ইউচুফ মত্তথিয়ৰ পুত্ৰ, মত্তথিয় আমোছৰ পুত্ৰ,
আমোছ নহুমৰ পুত্ৰ, নহুম ইচ্‌লিৰ পুত্ৰ,
ইচ্‌লি নগিৰ পুত্ৰ, নগি মাটেৰ পুত্ৰ,
মাটে মত্তথিয়ৰ পুত্ৰ, মত্তথিয় চিমিয়িৰ পুত্ৰ,
চিমিয়ি যোচেফৰ পুত্ৰ, যোচেখ ইহুদাৰ পুত্ৰ,
ইহুদা ইউহানাৰ পুত্ৰ, ইউহানা ৰীচাৰ পুত্ৰ,
ৰীচা জৰুব্বাবিলৰ পুত্ৰ, সৰুব্বাবিল চল্টিয়েলৰ পুত্ৰ,
চল্টিয়েল নেৰিৰ পুত্ৰ, নেৰি মল্কিৰ পুত্ৰ,
মল্কি আদ্দীৰ পুত্ৰ, আদ্দী কাচেমৰ পুত্ৰ,
কাচেম ইল্‌মাদমৰ পুত্ৰ, ইল্‌মাদম এৰৰ পুত্ৰ,
এৰ ইউচাৰ পুত্ৰ, ইউচা ইলিয়াচৰ পুত্ৰ,
ইলিয়াচ যোৰামৰ পুত্ৰ, যোৰাম মত্ততৰ পুত্ৰ,
মত্তত লেবীৰ পুত্ৰ, লেবী চামাউনৰ পুত্ৰ,
চামাউন যুদাৰ পুত্ৰ, যুদা ইউচুফৰ পুত্ৰ,
ইউচুফ যোনমৰ পুত্ৰ, যোনম ইলিয়াকিমৰ পুত্ৰ,
ইলিয়াকিম মিলেয়াৰ পুত্ৰ, মিলেয়া মিন্নাৰ পুত্ৰ,
মিন্না মত্তথৰ পুত্ৰ, মত্তথ নাথনৰ পুত্ৰ,
নাথন দাউদৰ পুত্ৰ, দাউদ যিচয়ৰ পুত্ৰ,
যিচয় ওবেদৰ পুত্ৰ, ওবেদ বোৱচৰ পুত্ৰ,
বোৱাচ ছোলেইমানৰ পুত্ৰ, ছোলেইমান নহচোনৰ পুত্ৰ
নহচোন অম্মীনাদবৰ পুত্ৰ, অম্মীনাদব আদমানৰ পুত্ৰ,
আদমান অৰ্ণিৰ পুত্ৰ, অৰ্ণি হিদ্ৰোনৰ পুত্ৰ,

হিদ্ৰোণ পেৰছৰ পুত্ৰ, পেৰচ এহুদাৰ পুত্ৰ,
এহুদা ইয়াকুবৰ পুত্ৰ, ইয়াকুব ইচাহাকৰ পুত্ৰ,
ইচাহাক ইব্ৰাহিমৰ পুত্ৰ, ইব্ৰাহিম তেৰহৰ পুত্ৰ,
তেৰহ নাহোৰৰ পুত্ৰ, নাহোৰ চৰুগৰ পুত্ৰ,
চৰুগ বিয়ইৰ পুত্ৰ, বিয়ই পেলগৰ পুত্ৰ,
পেলগ এবৰৰ পুত্ৰ, এবৰ চেলহৰ পুত্ৰ,
চেলহ কৈননৰ পুত্ৰ, কৈনন অৰ্ফকৃচনৰ পুত্ৰ
অৰ্ফকৃচন চেমৰ পুত্ৰ, চেম নুহৰ পুত্ৰ,
নুহ লেমকৰ পুত্ৰ, লেমক মথুচেলহৰ পুত্ৰ,
মথুচেলহ হনুকৰ পুত্ৰ, হনুক যেৰদৰ পুত্ৰ,
যেৰদ মহললেলৰ পুত্ৰ, মহললেল কৈননৰ পুত্ৰ,
কৈনন ইনুচৰ পুত্ৰ, ইনুচ চেথৰ পুত্ৰ,
চেথ আদমৰ পুত্ৰ, আদম খোদাৰ পুত্ৰ (লূক ঃ ২৩-৩৮)

লূকে লিখা বংশ তালিকাত মথিয়ে লিখা বংশ তালিকাৰ বহুকেইটা নাম বেলেগ বুলি ভাৱিব পাৰি। কিন্তু আমি ক'ব পাৰো, তেওঁলোক উভয়েই শেষ যোগসূত্ৰ ইউচুফৰ ক্ষেত্ৰত একমত, যিজন ঈছাৰ মা মৰিয়মৰ স্বামী। তাৰ বাহিৰে ইব্ৰাহিমৰ পৰা দাউদলৈকে সম্পৰ্ক থকা আৰু বাবিল দেশত বন্দীত্ব অৱস্থাত চল্টিয়েল আৰু জৰুব্বাবিলৰ নাম সম্বন্ধত তেওঁলোক দুয়োজনেই একমত। উদাহৰণ স্বৰূপে, মথিয়ে ঈছা-মছীহৰ বংশ তালিকা আৰম্ভ কৰিছে ইব্ৰাহিমৰ পৰা, কিন্তু লূকে মৰিয়মৰ পৰা আৰম্ভ কৰি আদমত অন্ত পেলাইছে। দাউদৰ পুত্ৰ ছোলায়মানৰ পৰা আৰম্ভ কৰি মথিয়ে বংশসূত্ৰ অনুসৰণ কৰিছে, যি ক্ষেত্ৰত লূকে কৰিছে দাউদৰ তোলনীয় পুত্ৰ নাথনৰ পৰা। মথিয়ে ইউচুফক (মৰিয়মৰ ভাবী স্বামী) ইয়াকুবৰ পুত্ৰ বুলি উল্লেখ কৰিছে, লূকে তেওঁক এলিৰ (মৰিয়মৰ পিতা) পুত্ৰ বুলি কৈছে। দাউদৰ পৰা ইউচুফলৈকে বংশ ক্ৰমণিকা লূকতকৈ মথিৰ বৰ্ণনা বহুখিনি চুটি। ইয়াৰ কাৰণ 'পুত্ৰ' বা 'পিতা' শব্দটো কেতিয়াবা বহল অৰ্থত ব্যৱহাৰ কৰা হৈছে, যেনে ঈছা দাউদৰ পুত্ৰ বা ইব্ৰাহিমৰ সন্তান। ইয়াৰ বাহিৰে লূকৰ বংশ তালিকাত মৰিয়মক প্ৰাধান্য



কৰিছিল যেনেকৈ ডাঙৰে সৰুক আশীৰ্বাদ কৰে। তাৰ পিছত তেওঁ মৰিয়মক উদ্দেশ্যি মছীহৰ কৰ্মসূচী ও ব্যক্তিত্বৰ বিষয়ে তাৎপৰ্য্যপূৰ্ণ ও নিখুট ৱাখ্যা প্ৰকাশ কৰিছিল যে নাজাতদাতা হিচাবে তেওঁ অনেক লোকৰ উত্থান-পতনৰ কাৰণ হ'ব। তেওঁ শাস্তিৰ পাত্ৰ হ'ব আৰু অৱশেষত মা-হিচাবে নিজেও তেওঁৰ দুখৰ ভাগ পাব যেনেকৈ চোকা তৰোৱালে হৃদয়ত বিন্ধে।

**এজনী মহিলা নবী দেখা কৰা**

হান্না নামৰ এগৰাকী মহিলা নবী আছিল। তেওঁ আচেৰ বংশৰ পনুৱেলৰ জীয়ৰী আছিল। তেওঁৰ বয়স বহুত হৈছিল। সাত বছৰ স্বামীৰ লগত সংসাৰ কৰাৰ পিছত চৌৰাশি (৮৪) বছৰ বয়সলৈ তেওঁ বিধবা জীৱন কটাইছিল। এবাদত খানা এৰি তেওঁ ক'লৈকো যোৱা নাছিল। ৰোজা ও মোনাজাতৰ মাজতে ৰাতি দিনে খোদাৰ নাম গুণ কৰিছিল। সেই সময়তে তেৰো ভিতৰলৈ আহি খোদাক ধন্যবাদ দিবলৈ ধৰিলে আৰু জেৰুচালেমৰ মুক্তিৰ অপেক্ষাত থকা মানুহৰ বিলাকৰ আগত ল'ৰাটিৰ বিষয়ে ক'বলৈ ধৰিলে (লূক ২ঃ৩৬-৩৮)।

চামাউনৰ কথা শেষ হোৱাৰ পিছত বৃদ্ধা মহিলা নবী হান্নায়ো খোদাৰ প্ৰশংসা কৰি কৰি আগবাঢ়ি আহিছিল। এইদৰেই তেওঁৰ নাম ইতিহাসৰ সৰ্বপ্ৰথম মহিলা ৰূপে লিপিবদ্ধ হৈছিল, যিয়ে মছীহৰ জন্মৰ পিছতে তেওঁক বিশ্বাস কৰিছিল। যুগে যুগে মছীহৰ আৰাধনাকাৰী সন্মানীতা মহিলাসকলৰ ভিতৰত তেৰেঁই আছিল সৰ্বপ্ৰথম।

এবাদত খানা পৰিদৰ্শন কৰাৰ পিছত তিনিজন সদস্যৰ এই পৰিয়ালটি তেওঁলোকৰ পূৰ্বপুৰুষৰ জন্মস্থান বেথলেহেমলৈ ঘূৰি আহিল।

***তেওঁৰ নাম হ'ব ঈছা-আল-মছীহ। কাৰণ তেওঁ তেওঁৰ নিজ লোকসকলক গুণাহৰ পৰা নাজাত কৰিব।***

(মথি ১:২১ আয়াত)

সকলোৰে চকুৰ আগত
তুমি যি ব্যৱস্থা কৰিছা
আমি সেইবোৰ দেখিব পাইছো।
পৰজাতিবিলাকৰ আগত
এইয়া পথ দেখুৱাৰ পোহৰ,
আৰু তোমাৰ ইস্ৰায়েল জাতিৰ কাৰণে
এইয়া গৌৰৱৰ কাৰণ।”

চামাউনে শিশুটিৰ বিষয়ে যিবোৰ ক'লে তাত শিশুটিৰ পিতৃ-মাতৃয়ে আচঁৰিত হ'ল। ইয়াৰ পিছত চামাউনে তেওঁলোকৰ কাৰণে দোৱা কৰিলে আৰু ঈছাৰ মা মৰিয়মক ক'লে, ইস্ৰায়েলৰ অনেক লোকৰ উত্থান-পতন হ'বলৈ এই ল'ৰাটিক মনোনীত কৰা হৈছে। তেওঁ এনে এটা প্ৰতীক হ'ব, যাৰ বিৰুদ্ধে অনেক কথা ক'ব আৰু অনেকৰ মনৰ ভাৱনা প্ৰকাশ কৰিব। শোকত তোমাৰ হৃদয় চোকা তৰোৱালৰ দৰে বিন্ধিব” (লূক ২ঃ২৫-৩৫)।

ইউচুফ আৰু মৰিয়মে শৰীয়ত অনুসৰি ঈছাক জেৰুচালেমৰ এবাদত খানালৈ লৈ গৈছিল। খোদা ভক্ত বৃদ্ধ চামাউন পাক ৰূহুত পৰিপূৰ্ণহৈ ৰহী পাইছিল যে, সমগ্ৰ পৃথিৱীৰ নাজাতদাতা মছীহক নেদেখালৈ তেওঁৰ মৃত্যু নহ'ব। সেই মৰ্মেই সেইদিনা তেওঁ এবাদত খানাৰ ফালে পাক ৰূহৰ দ্বাৰাই গমণ কৰিলে। তাত গৈ তেওঁ ইউচুফ, মৰিয়ম আৰু ঈছাক দেখা পালে যাক তেওঁ খোদাৰ পৰম ধন্য ব্যক্তি হিচাবে চিনিব পাৰিছিল। তেওঁ শিশু ঈছাক কোলাত তুলি লৈ খোদাক উদ্দেশ্য কৰি কৈছিল, “...তুমি তোমাৰ বান্দাক কোৱাৰ দৰে মোক এতিয়া শান্তিৰে বিদায় কৰা, কাৰণ মানুহক গুণাহৰ পৰা নাজাত কৰিবলৈ তুমি যি ব্যৱস্থা কৰিছা, মই সেইয়া দেখা পাইছো...।” এই নাজাত হ'ব সমগ্ৰ জাতিৰ বাবে, এই কথা তেওঁ নিজৰ মোনাজাতৰ ভাষাত প্ৰকাশ কৰিছিল, কাৰণ তেওঁ এনে ধৰণে কৈছিল, “পৰজাতি বিলাকৰ আগত এইয়া পথ দেখুওৱাৰ পোহৰ।”

“চামাউন শিশুটিৰ গুণাগুণ জানিছিল, সেয়ে প্ৰকাশ কৰা কথাবোৰ শুনি ইউচুফ ও মৰিয়ম তবধ মানিছিল। চামাউনে তেওঁলোকক আশীৰ্বাদ



দিয়াৰ বিপৰীতে মথিৰটোত দিয়া হৈছে ইউচুফক। যি হওঁক দুয়োটিয়ে প্ৰয়োজনীয়।

ইঞ্জিলৰ এই দুটি বিৱৰণতে মছীহৰ উৎস যে বেহেস্ত সেয়া সু-স্পষ্ট কৰাত সহায় কৰে। মথি এই কথা লিখা নাই যে, ইউচুফে ঈছাৰ জন্ম দিছিল, কিন্তু তেওঁ লিখিছে, “ইয়াকুবৰ পুত্ৰ ইউচুফ— এওঁৱেই মৰিয়মৰ স্বামী। এই মৰিয়মৰ গৰ্ভত ঈছা, যিজনক খ্ৰীষ্ট, অৰ্থাৎ মছীহ বোলা হয়,তেওঁৰ জন্ম হৈছিল।” লূকত মছীহৰ বংশ তালিকা আৰম্ভ কৰিছে এই কথাৰে, “মানুহে মনত কৰিব, তেওঁ ইউচুফৰ পত্ৰ।”

এই দুটি বংশ তালিকাত আসোৱাহ বা আপত্তি কৰাৰ কাৰণ থকাহেঁতেন, ইহুদীসকলে আৰম্ভনিৰ পৰাই ৰেহাই নিদিলেহেঁতেন; বিশেষকৈ এই কাৰণেই যে, বংশ তালিকা দুটি দাউদলৈকে বিস্তৃত আৰু ঈছা-মছীহক সঁচাকৈয়ে মছীহ ৰূপে প্ৰকাশ কৰিছে। এই বিষয়ত ইহুদীসকলৰ মৌনতাই বংশ তালিকা দুটিৰ নিৰ্ভৰযোগ্যৰ প্ৰমান।

**বংশ তালিকাৰ পৰা শিক্ষা**

মোৱাবিয়া ৰূথৰ উল্লেখৰ পৰা এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে ইজৰাইলত দৰিদ্ৰ আৰু বিদেশীসকলেও মছীহৰ বংশ ক্ৰমণিকাত এটি দৰকাৰী অংশ আছিল। নৈতিকতাহীন মহিলা ৰাহাব, তামাৰ আৰু বেৎচেবা— এইবোৰ নামে এই কথা দেখুৱাই যে, মন পৰিৱৰ্তন কৰা পাপীসকলো এই তালিকাত অন্তৰ্ভুক্ত হৈছে। যিসকল সুস্থ, তেওঁলোকৰ কাৰেণ ডাক্তৰৰ দৰকাৰ, অসুস্থ সকলৰ কাৰণেহে ডাক্তৰৰ দৰকাৰ” (মথি ৯ঃ২২)। “যিসকলে হেৰাই গৈছে তেওঁলোকক বিচাৰি, পাপৰ পৰা উদ্ধাৰ কৰিবৰ কাৰনেই মানৱ পুত্ৰ আহিছে” (লূক ১৯ঃ১০)।

আটাইকেইটা ইঞ্জিল হজৰত ইউহোন্নাৰ এই অনুপ্ৰাণিত কালামত নিৰ্ভৰশীল, “সেই কালামেই মানুহ হৈ জন্ম গ্ৰহণ কৰিলে আৰু আমাৰ মাজত বাস কৰিলে” (ইউহোন্না ১ঃ১৪)। যিহেতু ইঞ্জিল শ্বৰীফ মছীহৰ কাহিনীৰ একমাত্ৰ উৎস আৰু চাৰিওটাই বিৱৰণ তেওঁৰ খোদাত্ব সম্বন্ধে একমত; সেইহেতু মছীহৰ জীৱনৰ ঘটনাসমূহ তেওঁৰ প্ৰকৃতিৰ পোহৰত বাখ্যা কৰা উচিত।

# জিব্রাইলে জাকাৰিয়াৰ ওচৰত সু-খবৰ ঘোষণা কৰিলে

হেৰোদ যেতিয়া এহুদীয়া প্ৰদেশৰ ৰজা আছিল সেই সময়ত জাকাৰিয়া নামৰ ইহুদীসকলৰ এজন ইমাম আছিল। তেওঁৰ স্ত্ৰীৰ নাম আছিল এলিজাবেথ। তেওঁ আছিল ইমাম হাৰুনৰ এগৰাকী বংশধৰ। তেওঁলোক দুয়োজনেই ধাৰ্মিক আছিল। খোদাৰ সকলো হুকুম তেওঁলোকে নিৰ্ভূলকৈ পালন কৰিছিল। তেওঁলোকৰ কোনো ল'ৰা-ছোৱালী হোৱা নাছিল, কাৰণ এলিজাবেত বন্ধ্যা আছিল। ইয়াৰ ওপৰতো তেওঁলোকৰ বয়সো বেছি হৈছিল।

এবাৰ নিজৰ দলৰ ৰীতি অনুসাৰে পাল পৰা সময়ত জাকাৰিয়া ইমাম হিচাবে খোদাৰ সেৱা কৰি আছিল। ভাগ্য পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ প্ৰভূৰ এবাদত খানাৰ পবিত্ৰ স্থানত জ্বলাই আছিল। বাহিৰত বহু মানুহ মোনাজাত কৰি আছিল। এনে সময়তে ধূপ-বেদীৰ সোঁফালে প্ৰভূৰ এজন ফিৰিস্তা হঠাতে আহি জাকাৰিয়াক দেখা দিলে। ফিৰিস্তাগৰাকীক দেখি তেওঁৰ মন অস্থিৰ হৈ উঠিল আৰু তেওঁ ভয় খালে।

ফিৰিস্তাই তেওঁক ক'লে, "জাকাৰিয়া ভয় নকৰিবা, কাৰণ খোদা তোমাৰ মোনাজাত কবুল কৰিছে। তোমাৰ স্ত্ৰী এলিজাবেতৰ এটি পুত্ৰ হ'ব। তুমি তাৰ নাম ৰাখিবা ইয়াহিয়া। সিয়ে তোমাৰ জীৱনত মহা আনন্দৰ কাৰণ হ'ব। তেওঁৰ জন্মৰ কাৰণে বহুতে আনন্দিত হ'ব; কাৰণ প্ৰভূৰ পথত সি মহান হ'ব। সি কেতিয়াও আংগুৰ ৰস বা কোনো ধৰণৰ মদ নাখাব। মাকৰ গৰ্ভত থকা অৱস্থাতে তেওঁ খোদাৰ ওচৰলৈ লোকসকলক ঘূৰাই আনিব। তেওঁৰে পিতাৰ মন সন্তানৰ ফালে ঘূৰাব আৰু অবাধ্যসকলৰ মন সলাই খোদা ভক্তৰ দৰে কৰিব। প্ৰভূৰ কাৰণে এইদৰে তেওঁ সকলোকে সম্পূৰ্ণকৈ প্ৰস্তুত কৰিব।"

তেতিয়া জাকাৰিয়াই ফিৰিস্তাক ক'লে, "কি দৰে আমি সেইটো বিশ্বাস কৰিম? কাৰণ আমিতো বৃদ্ধ হৈছো আৰু আমাৰ স্ত্ৰীৰ বয়সও বহুত বেছি হৈছে।"



### ঈছাৰ চুন্নত কৰা

জন্মৰ আঠদিনৰ দিনা ইহুদীসকলৰ নিয়ম অনুসৰি শিশুটি চুন্নত কৰি তেওঁৰ নাম ৰখা হ'ল ঈছা। মাকৰ গৰ্ভত আহিবৰ আগতে ফিৰিস্তাই তেওঁৰ এই নাম দিছিল।

মুছাৰ শৰীয়ত মতে তেওঁলোক পাক পৱিত্ৰ হ'ল। তেতিয়া ইউচুফ ও মৰিয়মে ঈছাক খোদাৰ আগত হাজিৰ কৰাবৰ কাৰণে তেওঁক জেৰুচালেমৰ এবাদতখানালৈ লৈ গ'ল। মুছাৰ শৰীয়তত লিখা আছে "প্ৰথম জন্ম হোৱা প্ৰত্যেকজন পুৰুষ সন্তানক খোদাৰ বুলি ধৰা হ'ব"। ইয়াৰ বাহিৰেও "পাৰ চৰাইৰ এযোৰ পোৱালী" কোৰবানী দিয়াৰ কথা যেনেকৈ মুছাৰ শৰীয়তত লিখা আছে, সেইদৰে তেওঁলোকে সেই কোৰবানী দিবলৈ গ'ল (লূক ২ঃ২১-২৪)।

ইব্ৰাহিমৰ আগত খোদাৰ হুকুম হোৱাৰ দৰে জন্মৰ অষ্টম দিনৰ দিনা শিশু ঈছাক চুন্নত কৰা হৈছিল। এই নিয়ম আজিও মছীহি ঈমানৰ লোকসকলে পালন কৰে। এনেদৰেই মছীহই নিজৰ মাজেৰেই সৃষ্টিকৰ্তা আৰু সৃষ্টি এই দুয়োজনৰ বৈশিষ্টক একত্ৰিত কৰিছিল।

### খোদাৰ **নাজাত** চামাউনে দেখা পোৱা

তেতিয়া জেৰুজালেমত চামাউন নামৰ এজন খোদা ভক্ত ব্যক্তি আছিল। খোদাই কেতিয়া ইস্ৰায়েলীসকলৰ দুখ দুৰ্গতি দুৰ কৰিব, তেনে সময়লৈ তেওঁ অপেক্ষা কৰিছিল। পাক ৰুহ তেওঁৰ ওপৰত আহি প্ৰকাশ কৰিছিল যে, খোদাৰ অভিষিক্তজনক নেদেখে মানে তেওঁৰ মৃত্যু নহ'ব।

পাক ৰুহুত পৰিচালিত হৈ চামাউন সেইদিনা ইহুদীসকলৰ এবাদত খানাত আহিল। মুছাৰ শৰীয়ত মতে যি কাম কৰা দৰকাৰ তাকে কৰিবৰ কাৰণে ঈছাৰ পিতৃ-মাতৃ যেতিয়া শিশু ঈছাক লৈ আহিল, তেতিয়া চামাউনে ঈছাক কোলাত ল'লে। তাৰ পিছত তেওঁ খোদাৰ গুন-গান কৰি ক'লে—

"হে খোদা, তুমি তোমাৰ কালামৰ দৰে
তোমাৰ বান্দাক এতিয়া
শান্তিৰে বিদায় কৰিছা;
কাৰণ মানুহক গুণাহৰ পৰা নাজাত কৰিবৰ বাবে

দল তাত আৱিৰ্ভাৱ হ'ল। তেওঁলোকে কোনো নতুন ঘোষণা কৰিবলৈ নহয়, কিন্তু প্ৰথম খবৰটি নিশ্চিত কৰিবলৈহে আহিছিল। "বেহেস্তত খোদাৰ গৌৰৱ হওঁক, দুনিয়াত শান্তি হওঁক আৰু মানুহৰ ওপৰত খোদাৰ মঙ্গল হওঁক।" আন্তৰিক ফালৰ পৰা এই চমৎকাৰ উক্তিটি হজৰত পৌলৰ এই কথাৰ লগত মিল থকা, "খোদাৰ ৰাজ্যত খোৱা লোৱা ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল, পৱিত্ৰ আত্মাৰ দ্বাৰা সৎ পথত চলা আৰু শান্তি ও সুখ লাভ" (ৰোমীয় ১৪ঃ৭)।

ফিৰিস্তাসকল বেহেস্তলৈ উভতি গ'ল। তেওঁলোকৰ সাক্ষাৎৰ পাছত ভেড়া ৰখীয়াসকল সেই গাঁৱৰ অভিমুখে ফিৰিস্তাসকলৰ নিৰ্দেশমৰ্মে ৰাওনা হ'ল। তেওঁলোকে নিজ চকুৰে শিশু ঈছাৰ মহিমা আৰু সৰলতা প্ৰত্যক্ষ কৰিছিল। এনেদৰে, ফিৰিস্তাসকলৰ পৰিদৰ্শনৰ আৰু শিশুটিৰ জন্ম লাভৰ বাস্তৱ সত্যতাৰ তেওঁলোক আছিল প্ৰমানযোগ্য ব্যক্তি। কোনো ৰাজকীয় মহলত যদি ঈছা-মছীহ জন্ম গ্ৰহণ কৰিলেহেঁতেন, তেতিয়াহ'লে এইবোৰ গৰীব ভেড়া ৰখীয়াই কেতিয়াও এই মহা-সন্মান নাপালেহেঁতেন। মৰিয়ম, ইউচুফ আৰু আন বহুতৰ আগত তেওঁলোকৰ দৰ্শনৰ কাৰণ কোৱাৰ পিছত সকলোৱে আচঁৰিত হৈ পৰিছিল। মৰিয়মৰ ক্ষেত্ৰত এই খবৰ আছিল বেছি তাৎপৰ্যপূৰ্ণ, কাৰণ তাৰ আগতে এই আশ্চৰ্য শিশুটিৰ জন্মৰ কথা তেওঁক ফিৰিস্তাই কৈছিল।

কল্পনা কৰা হয় যে, সেই ৰখীয়াসকল আছিল ধাৰ্মিক আৰু দৰিদ্ৰ। কিন্তু তেওঁলোকৰ বহুতেই ধৰ্মীয় অনুষ্ঠানক গুৰুত্ব নিদি, নিজৰ দায়িত্বকে মানি চলিছিল। এনে কাৰণো হ'ব পাৰে, তেওঁলোকে জেৰুজালেমৰ এবাদত খানাত পৱিত্ৰ কোৰবানীৰূপে উৎসৰ্গ কৰা ভেড়াৰ পোৱালীৰ যত্ন লৈছিল। এবাদতখানাত ভেড়াৰ কোৰবানী কৰাৰ লগত এই নৱজাত শিশুটিৰ আন্তৰিক সম্পৰ্ক এটা আছে যাক তৃৰীকাদাতা ইয়াহিয়াই "খোদাৰ ভেড়া পোৱালী" বুলি আখ্যা দিছিল (ইউহোন্না ১ঃ২৯)। ৰচুল ইউহোন্নাই তেওঁক 'ভেড়া পোৱালী' বুলি কৈছিল, যাক মানুহৰ বাবে বধ কৰা হৈছিল (প্ৰকাশিত কালাম ৫ঃ৬)।



ফিৰিস্তাই তেওঁক ক'লে, "মোৰ নাম জিব্ৰাইল, মই খোদাৰ সন্মুখত ৰৈ থাকো। তোমাৰ লগত কথা কোৱাৰ কাৰণে ও তোমাক এই শুভ সংবাদ দিয়াৰ কাৰণে খোদাই মোক পঠাইছে। চোৱা, মোৰ কথা সময়মতে পূৰণ হ'ব, কিন্তু তুমি মোৰ কথা বিশ্বাস নকৰা কাৰণে বোবা হৈ থাকিব লাগিব। যিমান দিন এই ঘটনা নঘটিব, সিমানদিন তুমি কথা ক'বলৈ নোৱাৰিবা।"

ইফালে মানুহবিলাক জাকাৰিয়াৰ কাৰণে অপেক্ষা কৰি আছিল। এবাদত খানাৰ পৱিত্ৰস্থানত তেওঁৰ পলম হৈ থকাৰ বাবে তেওঁলোকে ভাৱিব ধৰিলে। পিছত জাকাৰিয়া যেতিয়া বাহিৰলৈ আহিল, তেতিয়া মানুহবিলাকৰ লগত কথা ক'ব নোৱাৰিলে। এনেতে মানুহবিলাকে বুজি পালে যে, পৱিত্ৰ স্থানত তেওঁ কোনো দৰ্শন পাইছে। তেওঁ মানুহৰ বিলাকৰ ওচৰত ইঙ্গিত কৰি থাকিল আৰু বোবা হৈ ৰ'ল।

ইমামতি কামৰ পাল শেষ হোৱাৰ পিছত জাকাৰিয়া ঘৰলৈ গুছি গ'ল। ইয়াৰ পিছত তেওঁৰ পত্নী এলিজাবেত গৰ্ভৱতী হ'ল আৰু পাঁচ মাহলৈ ঘৰ এৰি বাহিৰ নহ'ল। তেওঁ ক'লে, "এয়া প্ৰভূৰে কৰ্ম। মানুহৰ ওচৰত আমাৰ লাজ দূৰ কৰাৰ কাৰণে তেওঁ এতিয়া আমাৰ ফালে চকু মেলি চাইছে" (লূক ১ঃ৫-২৫)।

তৰাৰ দৰে মহান পণ্ডিতসকলে কোনো আগজাননী অবিহনেই সাধাৰণভাৱেই আৱিৰ্ভূত হৈছে। ইব্ৰাহিম, মুছা, দাউদ অথবা ইলিয়াছৰ আৱিৰ্ভাৱৰ আগতে কোনো ভৱিষ্যতবাণী কৰা হোৱা নাই। কিন্তু মছীহ যাৰ আছে 'ধাৰ্মিকতাৰ সূৰ্য' উপাধি আৰু বহুতো উচ্চ স্থান, তেওঁৰ আগমন কাহানিও কোনো হঠাৎ ঘটিবলগা নাছিল। অসংখ্য ভৱিষ্যতবাণী ঊষাৰ জন্মৰ দৰে আগৰ পৰাই তেওঁৰ আগমণৰ জাননী দিছিল। তেওঁৰ আগমনৰ আগমুহূৰ্ত্যত নৈতিক আৰু আত্মিক অজ্ঞানতাই মানুহৰ জীৱনধাৰা গ্ৰাস কৰিছিল। পৃথিৱীৰ সকলোবোৰ দিশ চাই যেতিয়াই অত্যন্ত প্ৰয়োজন আৰু যেতিয়াই ধৰ্ম্ম প্ৰাণ সকলে সেইটো আশা কৰিছিল; তেতিয়াই সেই বেহেস্তী নুৰ আৱিৰ্ভূত হৈছিল।

সকলোবোৰ আগজাননী এই কিতাপত বৰ্ণনা কৰা সম্ভৱ নহয়। সেয়ে আমি মাত্ৰ সেই ভৱিষ্যতবাণী লৈয়ে সন্তুষ্ট থাকিম যিবোৰে দেখুৱাই

যে, তেওঁৰ আগমণ নিশ্চিত আছিল। বেহেস্তৰ ফিৰিস্তাসকলৰ পৰিদৰ্শন পাঁচ শতাদিক বছৰৰ ভিতৰত দেখা পোৱা নাযায়। মছীহৰ মানৱ ৰূপ ধাৰণ যেতিয়া নিশ্চিত হৈ আহিছিল, তেতিয়া ফিৰিস্তাসকলৰ আগমন ঘটিছিল।পৃথিৱীত তেওঁলোকৰ অলৌকিক বিচৰণ সৃষ্টিৰ সময়ৰ পৰা আৰম্ভ কৰি ইতিহাসত কেতিয়াও ঘটা নাছিল। এই ঘটনা সম্বন্ধে ইঞ্জিল শ্বৰীফে সাক্ষী দিয়ে "....খোদাৰ সকলোবোৰ ফিৰিস্তা তেওঁকে চিজদা কৰক" (ইব্ৰাণী ১ঃ৬)। এইজনেই সেইজন মছীহ যিজনৰ বিষয়ে দানিয়েল নবীয়ে কৈছিলঃ *"আৰু সকলো জাতিৰ, দেশৰ আৰু ভাষাৰ লোকবিলাকে তেওঁৰ সেৱা কৰিবৰ নিমিত্তে তেওঁক ৰাজশাসন, মহিমা আৰু ৰাজ্যভাৰ দিয়া হ'ল; তেওঁৰ ৰাজশাসন চিৰকাললৈকে থকা ৰাজশাসন, সেয়ে কেতিয়াও লুপ্ত ন'হব আৰু তেওঁৰ ৰাজ্য অবিনাশী"* (দানিয়েল ৭:১৪)

এই দৈৱবানী পৃথিৱীৰ আদমৰ কাণত বাজি উঠাত স্বৰ্গবাসী আতংকত কম্পমান হৈছিল।

সেইদিনা জেৰুজালেমৰ এবাদত খানাত ধূপ জ্বলোৱাৰ পাল আছিল জাকাৰিয়াৰ। তেওঁৰ কৰ্তব্য পালন কৰিবলৈ সময়মতে জাকাৰিয়াই পৰ্দাৰ ভিতৰলৈ প্ৰৱেশ কৰিলে। সুগন্ধি ভৰা ধোৱা ওপৰলৈ গৈছিল আৰু জাকাৰিয়াই ধুপ বেদীৰ সন্মুখত আঠু লৈ মোনাজাত কৰি আছিল। হঠাৎ তেওঁ বেদীৰ সোঁ-দিশে ফিৰিস্তাসকলৰ মুৰব্বী জিব্ৰাইলক থিয় হৈ থকা দেখা পালে। তেওঁ বিচলিত ও ভয়াৰ্ত হ'ল; কাৰণ তেওঁ যিমানেই ধাৰ্মিক নহওঁক কিয়, তেওঁৰ অন্তৰত তেওঁ নিজকে পাপী বুলি জানিছিল। জাকাৰিয়া জিব্ৰাইলৰ সন্মুখত থাকি ভিতৰি অলপ লাজ পালে, কাৰণ তেওঁ ভাৱিছিল যে, নিশ্চয় তেওঁৰ পাপৰ শাস্তি দিবৰ কাৰণেই খোদাৰ ফিৰিস্তা তেওঁৰ ওচৰত আহিছে। ইয়াৰ আগত ফিৰিস্তাৰ শেষান্ত আগমণ হৈছিল দানিয়েলৰ ওচৰত। জিব্ৰাইল দানিয়েলৰ ওচৰলৈ প্ৰায় পাঁচশ বছৰ আগতে আৱিৰ্ভাৰ হৈছিল। দানিয়েল এ ফিৰিস্তাৰ বৰ্ণনা দিছে এইদৰে ঃ *"তেওঁৰ শৰীৰ বৈদুৰ্য্যমনি দৰে গঠিত, তেওঁৰ মুখ বিদ্যুৎৰ দৰে, তেওঁৰ চকু জ্বলি থকা নক্ষত্ৰৰ দৰে, তেওঁৰ হাত আৰু ভৰি পৰিষ্কাৰ পিতলৰ আভাৰ দৰে আৰু তেওঁৰ মুখৰ শব্দ বহু মানুহৰ শব্দ উঠাৰ দৰে"* (দানিয়েল ১০ঃ৬১)।



তেওঁলোকে সেইবোৰ ক'বলৈ ধৰিলে। ভেড়া ৰখীয়াসকলৰ কথা শুনি সকলোৱে আচঁৰিত হ'ল; কিন্তু মৰিয়মে সকলোবোৰ শুনি মনে সেই বিষয়ত চিন্তা কৰি থাকিল। ফিৰিস্তাসকলে ভেড়া ৰখীয়াসকলৰ আগত যি যি কৈছিল সকলো তেনেই দেখি তেওঁলোকে খোদাৰ প্ৰশংসা ও গৌৰৱ কৰি কৰি ঘূৰি গ'ল (লূক ২ঃ৮-২০)।

ফিৰিস্তাসকল দেখাৰ আৰু তেওঁলোকৰ গান শুনাৰ এই সুযোগ লাভৰ ভাগ্যৱান বা অধিকাৰী ব্যক্তি কোন আছিল! এইবোৰ ধনী বা শিক্ষিত নাছিল, হেৰোদা ৰজাও নাছিল, বা নিয়োগ কৰি ৰখা মহা মহা ইমামো নাছিল। আচঁলতে খোদাই দৰিদ্ৰসকলকহে মনোনীত কৰিছিল, যিসকলৰ পাৰ্থিৱ অৱস্থা আছিল নৱজাত শিশুটিৰ সদৃশ।

জগত সৃষ্টিৰ সময়ত উজ্জ্বল তৰাবোৰে একেলগে গান গাইছিল (আইয়ুব ৩৮ঃ৭), কিন্তু তেওঁলোকৰ গান শুনিবলৈ তাত মানুহ নাছিল। যি হওঁক, যেতিয়া নাজাতদাতা অৰ্থাত মানৱ ৰূপত খোদাৰ ৰূহানী পুত্ৰ আহিল, তেতিয়া, বেথলেহেমৰ চুবুৰীয়া ঠাইত এটি গান শুনা গৈছিল। সেয়া আছিল ফিৰিস্তাসকলৰ প্ৰশংসা গীত যিবোৰ ৰাতিৰ ভাগত ভেড়া ৰখীয়াবিলাকৰ কাণত বাজি উঠিছিল। খোদাৰ মহিমা তেওঁলোকৰ চাৰিওফালে পোহৰৰ আবৃত্ত হোৱাৰ পিছত তেওঁলোক ভয় খাই উঠিছিল; কিন্তু ফিৰিস্তাই তেওঁলোকক কৈছিল, "ভয় নকৰিবা, কাৰণ আমি তোমালোকৰ ওচৰত বহুত সুখৰ খবৰলৈ আহিছো।" জাকাৰিয়া আৰু মৰিয়মৰ খবৰৰ তুলনাত এই খবৰ আছিল শ্ৰেষ্ঠ বিধৰ, কাৰণ ইয়াৰ জৰিয়তে খোদাৰ সৃষ্টি সকলো মানুহে নাজাত পাব।

ফিৰিস্তাই শিশুটিক 'নাজাতদাতা' বুলি উল্লেখ কৰি মৰিয়ম ও ইউচুফক কোৱাৰ দৰে, সেই একেদৰেই ভেড়া ৰখীয়াবিলাককো কৈছিল। "আজি দাউদৰ গাঁৱত তোমালোকৰ নাজাতদাতাৰ জন্ম হৈছে।" ফিৰিস্তাই সিহঁতক বুজাইছিল যে, নাজাতদাতা আহিছে দাউদৰ গাৱৰ পৰা, এই কাৰণেই তেওঁক দাউদৰ বংশ বুলি কোৱা হৈছিল। তাৰ পিছত, সিহঁতক এটা প্ৰমাণ দিছিল যাতে তেওঁলোকে শিশুটিক দেখা পালে চিনিব পাৰে।

ফিৰিস্তাৰ এইবোৰ কথা শেষ হোৱাৰ লগে লগেই ফিৰিস্তাৰ এটি

যোগেদি এই শিশুটিৰ জন্মৰ কথা জানিছিল। দানা পাত্ৰৰ ওপৰত চিন্তা কৰি আমি এটা প্ৰশ্ন হৃদয়ঙ্গম কৰিব পাৰোঃ “সেই শিশুটিয়ে এজন অলৌকিক মানৱ যিজনক দুই হাজাৰ বছৰৰ পিছতো আজিও বিশ্বৰ অলেখ ধন কুবেৰৰ পৰা বিখ্যাত পণ্ডিতলৈকে সকলোৱে শ্ৰদ্ধাৰ পাত্ৰ।” সকলোৱে তেওঁৰ সন্মুখত মুৰদোৱাই তেওঁৰ জ্ঞান ধাৰাৰ পৰা শিক্ষা লবলৈ গৌৰৱবোধ কৰে!

ঈছা-মছীহক ‘দ্বিতীয় আদম’ কোৱা হয়। তেওঁ পিতা অবিহনেই দুনিয়ালৈ বিনা পাপে আহিছিল। পাপত পতিত প্ৰথম আদমক উদ্ধাৰ কৰিবলৈ তেওঁ আহিছিল। (১ কৰিন্থীয় ১৫ঃ৪৫-৪৯)। পাপত ডুবি থকা দুনিয়াক বাট দেখুৱাবলৈ আৰু নাজাত দিবলৈ তেওঁ আহিছিল।

**ফিৰিস্তাসকলে ৰখীয়াসকলক শুভ সংবাদ দিয়া**

বেথলেহমৰ ওচৰত এখন ঠাইত ভেড়া ৰখীয়াসকলে তেওঁলোকৰ ভেড়াৰ জাক ৰাতি পহৰা দি আছিল। তেনে সময়তে এগৰাকী ফিৰিস্তা আহি তেওঁলোকৰ আগত উপস্থিত হ’ল। ভেড়া ৰখীয়াবোৰে ভয় খাই উঠিল। ফিৰিস্তাজনে তেওঁলোকক ক’লে, “ভয় নকৰিবা, কাৰণ আমি তোমালোকৰ কাৰণে খুউব ভাল খবৰ লৈ আহিছো। এই খবৰ সকলোৰে বাবে সুখৰ বিষয় হ’ব। আজি দাউদৰ গাৱঁত তোমালোকৰ নাজাতদাতা জন্মিছে। তেওঁৱেই হ’ল মছীহ। এই কথা যে সত্য, তোমালোকৰ আগত তেওঁৰ এটি প্ৰমান থাকিল—তোমালোকে কাপোৰেৰে মেৰিওৱা আৰু দানা পাত্ৰত শুই থকা এটি শিশুক দেখা পাবা।” এনে সময়তে সেইজন ফিৰিস্তাৰ লগত আৰু বহুতো ফিৰিস্তাক দেখা গ’ল। তেওঁলোকে খোদাৰ প্ৰশংসা কৰিবলৈ ধৰিলে।

ফিৰিস্তা কেইজন তেওঁলোকৰ আগৰ পৰা গুছি যোৱাৰ পিছত ভেড়া ৰখীয়াসকলে এজনে আনজনক ক’বলৈ ধৰিলে, আমি বেথ্লেহেমলৈ যাওঁ আৰু যি ঘটনাৰ কথা খোদাই আমাক জনালে সেয়া চাই আহো।

তেওঁলোক আটায়ে ততাতৈয়াকৈ গৈ মৰিয়ম, ইউচুফ আৰু দানাপাত্ৰত শুই থকা শিশুটি বিচাৰি উলিয়ালে। তেওঁলোকৰ ওচৰত ফিৰিস্তাসকলে শিশুটিৰ বিষয়ে যি জনাইছিল, শিশুটি চোৱাৰ পিছত



খোদাই জিব্ৰাইলক পঠালে জাকাৰিয়াৰ লগত কথা হ’বলৈ। ইয়াৰ পৰাই মছীহ এই পৃথিৱীলৈ অহাৰ উমান পায়। তেতিয়া জাকাৰিয়া ভয় খাইছিল, কিন্তু ফিৰিস্তাই তেওঁক শান্তনা দি কৈছিল, “ভয় নকৰিবা”। তাৰ পিছত তেওঁ জাকাৰিয়াক কৈছিল যে, জাকাৰিয়া আৰু পত্নীৰ দোৱা কবুল হৈছে। তেওঁলোকৰ বুঢ়া বয়সতো খোদাই তেওঁলোকক এটি সন্তান দিব।

যি সন্তানৰ জন্ম হ’ব জিব্ৰাইলে তাৰ এটি নাম দিছিল। সন্তানটিৰ ভৱিষ্যত সম্বন্ধে তেওঁ জাকাৰিয়াক কৈছিল, শিশুটি তেওঁলোকৰ বাবে আৰু আন বহুতৰ বাবেও আনন্দৰ কাৰণ হ’ব। মানুহ আৰু খোদাৰ সন্মুখত তেওঁ হ’ব মহান কাৰণ গৰ্ভৰ পৰাই তেওঁ হ’ব পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ, তেওঁ মাবুদৰ উদ্দেশ্যত দানী বা ত্যাগী হ’ব, চিৰ জীৱন আনন্দিত হৈ থাকিব আৰু সকলোকে তেওঁলোকৰ মাবুদৰ পথলৈ ঘূৰাই অনাৰ চেষ্টা কৰিব।

তেওঁ আৰু কিছুমান ঘটনাৰ কথা জাকাৰিয়াৰ ওচৰত খুলি ক’লে। ভৱিষ্যদ্বাণীৰ পূৰ্ণতা দিবলৈ বালকজন প্ৰতিশ্ৰুতিৰে মছীহৰ আগত আহিব। প্ৰত্যেকজন ইহুদীৰ বিশ্বাস মছীহ অহাৰ আগতে ইলিয়াছৰ আগমণ ঘটিব।

যদিও জাকাৰিয়া ইব্ৰাহিম ও ছাহেৰা বিবিৰ অলৌকিক ঘটনাৰ কথা জানিছিল, তথাপি তেওঁ ফিৰিস্তাৰ কথা বিশ্বাস কৰিবলৈ টান পাইছিল। তেওঁৰ বিশ্বাস, তেওঁৰ স্ত্ৰীৰ দৰে বৃদ্ধসকলৰ ক্ষেত্ৰত গৰ্ভধাৰণ কৰা অসম্ভৱ। সেইবাবেই খোদাই তেওঁক ন মাহলৈ বোবা কৰি ৰাখিছিল, যিমান দিনলৈ তেওঁ নিজ চকুৰে আৰু নিজ কাণেৰে জিব্ৰাইলৰ কথা বাস্তৱত দেখা আৰু শুনা নাছিল।

জিব্ৰাইলৰ অভাৱনীয় পৰিদৰ্শনৰ বাবেই, আশীৰ্বাদৰ কাৰণে ৰৈ থকা এবাদাতকাৰীসকলৰ ওচৰত ঘূৰি আহিবলৈ জাকাৰিয়াৰ দুৰ্গতি হৈছিল। তেওঁলোক আচঁৰিত আৰু মুগ্ধ হৈ গ’ল, যেতিয়া তেওঁ কথা ক’ব নোৱাৰা হৈ তেওঁলোকৰ ওচৰলৈ ঘূৰি আহিল। তেওঁ মানুহবোৰক চালাম নিদি ইংগিত সূচক ভাষা প্ৰয়োগ কৰিলে।

জাকাৰিয়া তেওঁৰ খেদমতৰ প্ৰতি একান্ত বিশ্বাসী আছিল। তেওঁৰ খেদমত শেষ হোৱালৈকে তেওঁ থাকিল আৰু তাৰ পিছত তেওঁ নিজৰ গাৱঁলৈ গ’ল। বোবা স্বামী ঘৰলৈ উভতি অহাত এলিজাবেত অস্থিৰ হৈছিল।

তেওঁ যেতিয়া জিব্ৰাইল ফিৰিস্তাৰ লগত হোৱা অভিজ্ঞতাৰ কথা লিখি জনালে তেতিয়াহে এলিজাবেত বেছি আঁচৰিত হ'ল। দৰাচলতে তেওঁ নিজৰ অবিশ্বাস সম্পৰ্কে পত্নীক সতৰ্ক কৰিছিল যাতে তাইও তেওঁৰ দৰে শাস্তি নাপায়।

তেওঁলোকৰ পুত্ৰ হ'ব ফিৰিস্তাৰ এই সংবাদে জাকাৰিয়া আৰু তেওঁৰ পত্নীৰ মন আছন্ন কৰি ৰাখিছিল। তেওঁলোকৰ মনত প্ৰশ্ন উদয় হৈছিলঃ "তেওঁ কেতিয়া আৱিৰ্ভূত হ'ব? কেতিয়া আৰু কিদৰে হ'ব? অতি সোনকালেই তেওঁলোকে সেইটো জানিব পাৰিব, কিন্তু জিব্ৰাইলৰ পৰা নহয়, তেওঁলোকৰ নিজৰ বংশৰ পৰাই।

খোদাৰ ৰূহানী পুত্ৰ ঈছা-মছীহৰ মানৱৰূপ গ্ৰহণ এটি অলৌকিক ঘটনা। জাকাৰিয়াৰ ওচৰত জিব্ৰাইলৰ আগমণ, তেওঁৰ শাস্তি আৰু এলিজাবেতৰ অলৌকিক গৰ্ভধাৰণ; এই সকলোবোৰ আছিল মৰিয়মৰ পুত্ৰ ঈছা-মছীহৰ আগমণৰ পূৰ্ব ইংগিত। এই সকলোবোৰ অলৌকিক ঘটনা কম সময়ৰ ভিতৰত ঘটি গৈছিল। এইবোৰে অবিবাহিত গাভৰু মৰিয়মৰ গৰ্ভত ঈছাৰ জন্ম:এয়া বিশ্বাস কৰাত সকলোকে সহায় কৰিছিল। এই মায়াবী জন্মৰ দ্বাৰা পূৰ্বতে প্ৰকাশিত ভবিষদ্বাণী পূৰণ হৈছিল আৰু অসংখ্য চিন্তা ভাৱনাৰ বাস্তৱ ৰূপায়ন হৈছিল। এই সকলোবোৰ ভবিষদ্বাণী আৰু প্ৰমাণিত চিন মানৱ ইতিহাসত আন কোনো ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। সেয়ে আমি সত্যতাৰ ওপৰত নিৰ্ভৰ কৰি কওঁ যে, নাচৰতীয় ঈছাই সেই নাজাতদাতা যাৰ আগমন সম্বন্ধে কিতাবুল মোকাদ্দছত নবীসকলে আগজাননী দিছিল। ইহুদীসকলৰ তৌৰাত শ্বৰীফ ভালদৰে অধ্যয়ন কৰিলে দেখা পাব যে, ঐশ্বৰীক কিতাপখনত মছীহক এজন সাধাৰণ মানুহ বা নবীসকলৰ এজন বুলি কোৱা নাই, বৰঞ্চ খোদাৰ ৰূহানী পুত্ৰ ৰূপেই বৰ্ণনা কৰা হৈছে।



খোদাই নিজৰ ইচ্ছা পূৰণ কৰিবলৈ কেৱল ফিৰিস্তাসকলকে নহয়, ৰজা সকলকো ব্যৱহাৰ কৰে। নবী চোলেমানে এই কথাকে লিখিছিল ঃ "মাবুদৰ হাতত ৰজাৰ মন, প্ৰাণ, কাম-কাজ সকলো, তেওঁ যিফালে ইচ্ছা কৰে, সেইফালেই সেই সকলক ঘূৰাই" (মেসাল ২১ঃ১)। এটা সাধাৰণ শ্ৰেণীৰ মানুহক আদেশ দিবলৈ খোদাই শক্তিশালী ৰোম ৰজাক ব্যৱহাৰ কৰিছিল। সেই সময়ত তেওঁলোক যিয়ে যি ঠাইত নাথাকক; পেলেষ্টাইনৰ ইহুদীসকলৰ নিয়মৰ লগত সঙ্গতি ৰাখি তেওঁ সেইসকলৰ জাতি বা পৰিয়ালৰ বংশ চিনাক্ত আৰু বাসস্থানৰ ভিত্তিত নাম পঞ্জীয়ন কৰিবলৈ নিৰ্দেশ দিছিল। ইউচুফ আৰু মৰিয়ম দুয়োজনেই দাউদৰ বংশধৰ আছিল কাৰণে তেওঁলোকে দাউদৰ জন্মস্থান বেথলেহেমত নাম লিখাব লগা হৈছিল।

# বেথলেহেমত জন্ম

ৰজা দাউদৰ পৰা ঈছা-মছীহলৈকে কেইবা শ বছৰৰ ভিতৰতে ইহুদীসকল গোটেই পৃথিৱী জুৰি বিয়পি পৰিছিল। সম্ৰাট আগস্ত কৈছৰৰ লোক-গণনাৰ নিৰ্দেশজাৰীৰ সময়ত, ৰোমান সাম্ৰাজ্যৰ চিৰিয়া ৰাজ্যত বসবাস কৰা গোটেই ইহুদীসকল তেওঁলোকৰ নিজৰ চহৰ বেথলেহেমলৈ ঘূৰি আহিছিল। সেই ঠাইত ইমানেই জনসংখ্যা বৃদ্ধি হৈছিল যে, তেওঁলোকে থাকিবৰ কাৰণে কোনো ঠাই খালী নাপালে। আনহাতে নৱ-দম্পতি আছিল গালীলীয় যাক এহুদা বাসীসকলে গুৰুত্ব দিয়া নাছিল। সেইবাবে, এটি ৰাজহুৱা বিচাৰ গৃহৰ ওচৰতে এখন ঠাইত কিছু সংখ্যক জন্তুৰ লগতে তেওঁলোকে ৰাতি কটাব লগা হৈছিল।

সেই ৰাতি মৰিয়মে তেওঁৰ সন্তান প্ৰসৱ কৰিলে আৰু সন্তানটি এটা দানা পাত্ৰত ৰাখিলে। ইয়াতকৈ দুখৰ বিষয় আৰু কি হ'ব পাৰে। কিন্তু এইটো আছিল তেওঁৰ মানৱ ৰূপ গ্ৰহণত বেহেস্তী পৰিকল্পনা। খোদাই ইচ্ছা কৰিয়েই পাপীসকলক নাজাত কৰিবলৈ মছীহক তেনে ঠাইত মানুহ আকাৰে জন্ম লোৱাৰ পৰিকল্পনা কৰিছিল।

সেই সময়ত কেইজনমান দুখীয়া মেৰ ৰখীয়াইহে ফিৰিস্তাৰ

মৰিয়মৰ গৌৰৱৰ মুহূৰ্ততো কৈছিল, "...তেওঁ পৱিত্ৰ"। খোদা যি কৰিছে তাতেই সুখী হৈ তেওঁ কেৱল খোদাৰ কথাই ভাৱিছিল। তেওঁ ঘোষণা কৰিছিল, খোদা মানুহবিলাকৰ প্ৰতি ব্যৱহাৰত নিষ্ঠুৰ নহয়। তেওঁ সকলোৰ প্ৰতি প্ৰেমৰ ভিত্তিত কাম কৰে যিবোৰ মানুহৰ চিন্তাৰ দৰে নহয়। তেওঁ বিনয়ীসকলক সফল কৰে, কিন্তু অহংকাৰীক ধ্বংশ কৰে। নিজকে বৰ বোলাজনক খোদায় বিমুখ কৰে আৰু যিসকলে নিজকে সৰু বুলি ভাৱে, তেওঁলোকক তেওঁ উন্নত কৰে।

# মছীহৰ জন্ম

সেই সময়ত সম্ৰাট আগস্ত কৈছৰ কৰ আদায়ৰ উদ্দেশ্যত তেওঁৰ শাসিত ৰাজ্যৰ সকলো ঠাইতে লোক গণনা কৰিবলৈ আদেশ দিলে। চিৰিয়াৰ শাসনকৰ্তা কুৰীণিৰ সময়ত এইয়া প্ৰথম লোক-গণনা হয়। নাম পঞ্জীয়ণৰ কাৰণে প্ৰত্যেক নিজ নিজ গাৱঁলৈ যাবলৈ ধৰিলে। ইউচুফ আছিল ৰজা দাউদৰ বংশৰ মানুহ। ৰজা দাউদৰ জন্মস্থান আছিল এহুদিয়া ৰাজ্যৰ বেথলেহেম গাঁৱত। সেয়ে ইউচুফে নাম লিখোৱাৰ কাৰণে গালীল ৰাজ্যৰ নাচৰত গাঁৱৰ পৰা বেথলেহেম গাঁৱলৈ গ'ল। মৰিয়মো তেওঁৰ সৈতে সেই ঠাইলৈ গ'ল। এখেতৰ সৈতে ইউচুফৰ বিবাহ ঠিক হৈ আছিল। সেই সময়ত মৰিয়ম গৰ্ভৱতী আছিল আৰু বেথলেমেহত থকাৰ সময়তে তেওঁৰ প্ৰথম ল'ৰাৰ জন্ম হ'ল। মৰিয়মে ল'ৰাটিক কাপোৰ মেৰিয়াই দানাপাত্ৰত শুৱাই থলে, কাৰণ আলহী ঘৰত তেওঁলোকৰ বাবে আন ঠাই নাছিল (লূক ২ঃ১-৭)।

প্ৰায় সাতশ বছৰ আগেয়ে মীখা নবীয়ে ভৱীষ্যদ্বাণী কৰিছিল যে, মছীহৰ জন্ম হ'ব বেথলেহেমত, যি আছিল নাচৰতৰ পৰা কিছু দূৰত (মীখা ৫ঃ২)। নবী ইচাইয়াই কৈছিল "তোমালোকে আল্লাহৰ কালাম বিচাৰ কৰা আৰু সেইয়া পাঠ কৰা....তেওঁ নিজেই নিজৰ আত্মাৰ দ্বাৰা সেইবোৰ প্ৰস্তুত কৰিছে (ইচাইয়া ৩৪ঃ১৬)। জন্মৰ পাছত মছীহে কৈছিলঃ "আকাশ আৰু পৃথিৱী লুপ্ত হ'ব, কিন্তু মোৰ কথা লুপ্ত নহ'ব, সেয়া চিৰদিন থাকিব" (মথি ২৪ঃ৩৫)।



# জিব্ৰাইলে মৰিয়মক শুভ সংবাদ জনোৱা

এলিজাবেতৰ ছয় মাহৰ গৰ্ভৱস্থাত খোদায় গালীল প্ৰদেশৰ নাচৰত গাওৰ মৰিয়ম নামৰ এজনী সুন্দৰী গাভৰু ছোৱালীৰ কাষলৈ জিব্ৰাইল ফিৰিস্তাক পঠালে। ৰজা দাউদৰ বংশৰ ইউচুফ নামৰ এজন মানুহৰ লগত তেওঁৰ বিবাহ ঠিক হৈ আছিল। ফিৰিস্তা মৰিয়মৰ কাষলৈ আহি তেওঁক চালাম জনাই ক'লে, "প্ৰভূ তোমাৰ লগত আছে আৰু তোমাক বহুত আশীৰ্বাদ কৰিছে।"

এই কথা শুনি মৰিয়মৰ মন প্ৰাণ অস্থিৰ হৈ পৰিল। তেওঁ ভাৱিব ধৰিলে, এইদৰে চালাম দিয়াৰ অৰ্থ কি! ফিৰিস্তাই তেওঁক ক'লে, "মৰিয়ম, ভয় নকৰিবা, কাৰণ খোদাই তোমাক বহুত ৰহমত কৰিছে। শুনা, তুমি গৰ্ভৱতী হবা আৰু তোমাৰ এটি ল'ৰা সন্তান হ'ব। তুমি তেওঁৰ নাম ঈছা ৰাখিবা। তেওঁ মহান হ'ব। তেওঁক খোদাতালাৰ পুত্ৰ কোৱা হ'ব। খোদায় তেওঁৰ পূৰ্বপুৰুষ ৰজা দাউদৰ সিংহাসন তেওঁকে দিব। তেওঁ ইয়াকুবৰ বংশৰ মানুহবোৰৰ ওপৰত চিৰকাল ৰাজত্ব কৰিব। তেওঁৰ শাসন কেতিয়াও শেষ নহব।"

তেতিয়া মৰিয়মে ফিৰিস্তাক ক'লে, "এইটো কেনেকৈ হ'ব? মোৰতো বিয়া হোৱাই নাই।"

ফিৰিস্তাই ক'লে, "পক-ৰুহ তোমাৰ ওপৰত আহিব আৰু খোদাতালাৰ শক্তিৰ প্ৰভাৱ তোমাৰ ওপৰত পৰিব। এই কাৰণে যি পৱিত্ৰ সন্তান জন্ম গ্ৰহণ কৰিবা তেওঁক খোদাৰ পুত্ৰ কোৱা হ'ব। চোৱা, এই বুঢ়া বয়সত তোমাৰ নিজৰ বংশৰ এলিজাবেতৰ গৰ্ভতো ল'ৰা সন্তান ধাৰণ কৰিছে। মানুহে জানে, তেওঁৰ ল'ৰা-ছোৱালী নহ'ব, কিন্তু এতিয়া তেওঁৰ ছয় মাহ চলি আছে। খোদাৰ ওচৰত অসম্ভৱ বুলিবলৈ একোৱে নাই।"

"মৰিয়মে ক'লে, "মই প্ৰভূৰ বিশ্বাসী, আপুনি কোৱাৰ দৰেই মোলৈ হওঁক।" ইয়াৰ পিছত ফিৰিস্তা মৰিয়মৰ ওচৰৰ পৰা গুছি গ'ল (লূক ১ঃ২৬—৩৮)।

ফিৰিস্তা জিব্ৰাইল গালীলীয় ইমাম জাকাৰিয়াক দেখা দি কৈছিল যে, তেওঁৰ বন্ধ্যা স্ত্ৰী এলিজাবেতে এটি সন্তান জন্ম দিব। মানুহৰ মাজত

তেওঁ ন্যায় পৰায়ণ আৰু সন্মানীয় নেতা আছিল।

আনহাতে গাভৰু মৰিয়মক খোদাই সৰ্ব্বোচ্চ সন্মান দিছিল। এই কাৰণেই জিব্ৰাইলে তেওঁক এনেভাৱে সম্বোধন কৰিছিল, "প্ৰভু তোমাৰ লগত আছে আৰু তোমাক বহুত আশীৰ্বাদ কৰিছে" (লূক ১ঃ২৮)। ইয়াৰ দ্বাৰা খোদা মানৱজাতিক দেখুৱাইছিল যে, সত্যতাৰ মহৎ পদমৰ্যাদা অসাধাৰণ বুদ্ধিমত্তাৰ পৰা নাহে, আহে মাত্ৰ বিশুদ্ধ অন্তৰৰ পৰা।

ফিৰিস্তাক দেখি গাভৰুজনী অশান্ত হৈ উঠিছিল, কাৰণ ফিৰিস্তায় তেওঁক সম্বোধন কৰি এনে এটা খবৰ শুনালে যিটো তেওঁ সপোনতো ভৱা নাছিল। তেওঁ গৰ্ভৱতী হ'ব যিটো তেওঁৰ আত্মীয় এলিজাবেতকৈয়ো আশ্চৰ্যজনক। গাভৰু থকা অৱস্থাতেই তেওঁ পাকৰুহৰ দ্বাৰা গৰ্ভৱতী হ'ব। তেওঁৰ সন্তান মাত্ৰ মহানেই নহয়, যাক কোৱা হ'ব খোদাৰ পুত্ৰ। দাউদৰ বংশধৰ। এইদৰে, ইউচুফলৈ কন্যাদানৰ প্ৰস্তাৱ হৈ থকা সময়তে এই বিশেষ সুযোগ তেওঁলৈ আহিছিল।

এই মহান পদমৰ্যাদাৰ কাৰণে খোদাই মৰিয়মক তেওঁৰ জাতিৰ আন সকলো গাভৰুবোৰৰ মাজৰ পৰা বাছি লৈছিল, যাতে তেওঁ তেওঁৰ দায়িত্ব সম্পাদন কৰাৰ যোগ্য হৈ উঠে। ফিৰিস্তাই তেওঁক নিৰ্ভয় দিছিল, "পাক-ৰুহ তোমাৰ ওপৰত আহিব আৰু খোদা তালাৰ শক্তিৰ প্ৰভাৱ তোমাৰ ওপৰত পৰিব। এই কাৰণে, যি পৱিত্ৰ সন্তান জন্মি জন্ম গ্ৰহণ কৰিবা তেওঁক খোদাৰ পুত্ৰ কোৱা হ'ব" (লূক ১ঃ৩৫)।

ফিৰিস্তাৰ অসাধাৰণ ঘোষণাটি অলৌকিক, শাৰীৰিক মিলনৰ অৱকাশ নাই। জিব্ৰাইলৈ নিশ্চয়তাৰ কৈছিল যে, শিশুটি গৰ্ভত আহি'ব অতি সহজ উপায়ে, যিটো আগতে ঘটা নাই আৰু পিছতো নঘটিব। তেওঁ আৰু কৈছিল যে, বালকজন হ'ব পৱিত্ৰ, যিটো এতিয়ালৈ কোনো মানুহৰ ক্ষেত্ৰত নাখাটে।

মৰিয়মৰ প্ৰতিক্ৰিয়া আছিল জাকাৰিয়াতকৈ বেলেগ ধৰণৰ। মৰিয়মে মাত্ৰ এটা বাখ্যা বিছাৰিছিল। জিব্ৰাইলে তেওঁক তেওঁৰ আত্মীয় এলিজাবেতৰ গৰ্ভধাৰণৰ কথা কৈছিল। তেওঁ শেষ কৰিছিল এই কথা কৈ যে, খোদাৰ কাৰণে একোৱে অসম্ভৱ নহয়। শূন্যতাৰ পৰা যিয়ে আকাশ



যিসকলে তেওঁক ভয় কৰে
তেওঁলোকক তেওঁ ৰহম কৰে,
বংশৰ পিছত বংশ সকলোকে কৰে।
তেওঁ হাত আগবঢ়াই মহত কৰ্ম কৰিছে,
আৰু যিসকলৰ মন অহংকাৰেৰে ভৰা,
তেওঁলোকক চাৰিওফালৰ পৰা দূৰ কৰি দিছে।
ৰাজসিংহাসনৰ পৰা ৰজাসকলক নমাই দিছে
কিন্তু সাধাৰণ লোকসকলক তুলি ধৰিছে।
যিসকলৰ অভাৱ আছে,
ভাল ভাল বস্তু দি
তেওঁ সেইসকলক অভাৱ পূৰাই দিছে,
কিন্তু ধনীসকলৰ খালী হাতে-বিদায় কৰিছে।
তেওঁ আমাৰ পূৰ্বপুৰুষসকলৰ ওচৰত
যি প্ৰতিজ্ঞা কৰিছিল,
সেইমতে তেওঁ তেওঁৰ দাস
ইস্ৰায়েলক সহায় কৰিছে।
ইব্ৰাহিম ও তেওঁৰ লোকসকলৰ প্ৰতি
চিৰদিন ৰহম কৰাৰ কথা
তেওঁ মনত ৰাখিছে। (লূক ১ঃ৪৬-৫৫)

পাক কিতাবৰ ৰুহানী গীতৰ মাধ্যমত মৰিয়ম অন্যতম সুন্দৰ ও উৎকৃষ্ট গান গাইছিল। এইটো সেই বুদ্ধিমত্তা যিটো খোদাই তেওঁক দান কৰিছিল। গাভৰু মৰিময় এনেকৈ সকলো মনোৰম ভাষা ব্যৱহাৰ কৰিছিল। আনসকলৰ দৰে তেওঁকো এজন উদ্ধাৰকৰ্তাৰ প্ৰয়োজন আছিল। সেয়ে তেওঁ নিজৰ নাজাতৰ কাৰণে খোদাৰ আশ্ৰয় আশা কৰিছিল।

মৰিময়ে কৈছিল, "আমাৰ হৃদয়ে প্ৰভুৰ প্ৰশংসা কৰিছে।" এনেদৰে অন্তৰিকতাৰে তেওঁ খোদাৰ প্ৰশংসা কৰিছিল। তেওঁ স্বীকাৰ কৰি কৈছিল, "খোদায় তেওঁৰ নিঃকিন দাসীৰ ফালে মনোযোগ দিছে।" এই কথাবোৰ মৰিয়মৰ মহত্বৰ প্ৰকাশভঙ্গী। তেওঁ কেতিয়াও কোনো ধৰণৰ অলৌকিক কাম কৰা নাই বা এই ঘটনাৰ পিছত কোনো গুৰুত্বপূৰ্ণ বক্তব্যও ৰখা নাই।

স্ত্ৰীৰ মাজত তুমি ধন্যা, তোমাৰ যি সন্তান হ'ব সেই সন্তানো ধন্য! আমাৰ প্ৰভূৰ মা আমাৰ ওচৰলৈ আহিছে, এয়া কিমান আনন্দৰ কথা! যেতিয়াই মই তোমাৰ মাত শুনিলো তেতিয়াই মোৰ গৰ্ভৰ শিশুটি নাচি উঠিল। তুমি ধন্যা, কাৰণ তুমি বিশ্বাস কৰিছা যে, প্ৰভূই তোমাক যিবোৰ কৈছে সেইবোৰ ৰূপায়িত হ'ব। (লূক ১ঃ৩৯-৪৫)।

এলিজাবেতৰ বৃদ্ধ বয়সত তেওঁ গৰ্ভৱতী হোৱাৰ সম্পৰ্কত ফিৰিস্তাই যিবোৰ কৈছিল সেয়া সঁচা নে মিছা সেয়া নিজ চকুৰে প্ৰমান কৰাৰ বাবে আৰু ব্যক্তিগতভাৱে তেওঁৰ আগত দিয়া সু-খবৰৰ সত্যতা সুনিশ্চিত কৰাৰ বাবে মৰিয়ম এলিজাবেথক সাক্ষাৎ কৰিবলৈ গৈছিল।

নাচৰতৰ পৰা এহুদিয়াত যাওঁতে পাঁচদিন লাগিছিল। মৰিয়মে এলিজাবেতক ছয় মাহৰ গৰ্ভৱতী দেখিবলৈ পাইছিল। তেতিয়া তেওঁৰ সন্তানহীনতাৰ লাজ দূৰ হৈ গৈছিল বুলিয়ে সমাজত তেওঁৰ সম্পৰ্কে ভাল আলোচনা হৈছিল। মৰিয়মে তেওঁক চালাম জনোৱা মাত্ৰকে তেওঁৰ গৰ্ভৰ শিশুটি সাৰ পাই উঠিল। তাৰ পিছত তেওঁ চালাম জনালে যিটো আছিল ফিৰিস্তাৰ চালাম স্বৰূপ, "তোমাৰ যি সন্তান হ'ব সেই সন্তানো ধন্য।"

এলিজাবেতে মৰিয়মক আন্তৰিক মোবাৰক জনাইছিল। তেওঁৰ কথাবোৰ আল্লাহৰ বাণীৰ পৰা প্ৰকাশিত। তেওঁ কৈছিল "...আমাৰ প্ৰভূৰ মা আমাৰ ওচৰলৈ আহিছে, এয়া কিমান আনন্দৰ কথা!" এলিজাবেতে মৰিয়মৰ গৌৰৱ কৰা নাছিল, কিন্তু গৌৰৱ কৰিছিল শিশুটিৰ বেহেস্তী অধিকাৰক। এলিজাবেতে তেওঁৰ অভিনন্দন শেষ কৰাৰ পিছত পাক-ৰূহে মৰিয়মক পৰিপূৰ্ণ কৰিলে। মৰিয়মে ক'লে ঃ

আমাৰ হৃদয়ে মাৰুদৰ প্ৰশংসা কৰি আছে,<br>
আমাৰ নাজাতদাতা আল্লাহৰ প্ৰতি<br>
আমাৰ অন্তৰ আনন্দত উপচি উঠিছে<br>
তেওঁৰ এই নিকিন দাসীৰ ফালে<br>
তেওঁ মনোযোগ দিছে।<br>
এতিয়াৰ পৰা সকলো মানুহে মোক ধন্য বুলিব,<br>
কাৰণ খোদাতা'লাই আমাৰ কাৰণে মহৎ কাম কৰিছে।<br>
তেওঁ পৱিত্ৰ।



ও পৃথিৱী সৃষ্টি কৰিছে তেওঁৰ কাৰণে এজনী গাভৰুৰ শাৰীৰিক সম্বন্ধৰ অবিহনে এটি সন্তান দান কৰাটো টান হবনে?

যদিও জিব্ৰাইলৰ কথাবোৰ মানি ল'বলৈ মৰিয়মৰ কাৰণে কঠিন আছিল, কিন্তু তেওঁ আত্মসম্পৰ্ন ও বিশ্বাস কৰিছিল এই কথাৰে, "আমি প্ৰভূৰ পুতলা, আপোনাৰ কোৱাৰ দৰেই আমাৰ ওপৰত সকলোবোৰ হওঁক।" খোদাৰ প্ৰতি এইদৰে সম্পূৰ্ণ আত্মসম্পৰ্ন কৰাই হ'ল জ্ঞান।

এইজনী মনোনীত গাভৰুৰ জানো ভীষণ আনন্দ হোৱা নাছিল! তেৰেই সেই মনোনীত নাৰী যাৰ মাজেদি খোদাই ঈছা-মছীহক তেওঁৰ বংশধৰৰ ওচৰলৈ লৈ আহিছিল। তেওঁৰ সেই আনন্দ সচাঁকৈয়ে আছিল সীমাহীন।

যি হওঁক, এই অপাৰ আনন্দৰ লগত হয়তো মৰিয়মৰ কিছু ভয়ৰ কাৰনো যুক্ত হৈ আছিল। তেওঁৰ গোপন তথ্য প্ৰকাশ মাত্ৰই হ'ব লগা স্বামীৰ খং আৰু তেওঁৰ পৰা বিচ্ছেদৰ ভয় নিশ্চয় তেওঁৰ আছিল। তেওঁৰ বৰ্ণনা প্ৰমান কৰাৰ কোনো উপায় নাছিল, কাৰণ কোনোৱে সেইটো বিশ্বাস নকৰিব। তেওঁ ভয় পাইছিল যে, তেওঁ হয়তো মাকৰ দায়িত্ব পালন কৰিব নোৱাৰিব। সঁচাকৈয়ে, এই নতুন পৰিস্থিতিত খোদাৰ অনুগ্ৰহই তেওঁৰ মনৰ দূৰ্বলতাক সবল কৰিছিল।

***এহুদা ৰাজ্যৰ বেথলেহেম,<br>
এহুদা ৰাজ্যৰ মাজত<br>
তুমি কোনো কাৰণত সৰু নোহোৱা,<br>
কাৰণ তোমাৰ ভিতৰত পৰা<br>
এনেকুৱা এজন অধিপতি আহিব<br>
যিয়ে আমাৰ ইস্ৰায়েল জাতিক<br>
শুদ্ধ পথত পৰিচালনা কৰিব।***

# ইউচুফৰ অন্তৰৰ দুৰ্বলতা

ঈছা-মছীহৰ জন্ম এইদৰে হৈছিল— ইউচুফৰ লগত ইছাৰ মা মৰিয়মৰ বিবাহৰ ঠিক হৈছিল; কিন্তু তেওঁলোকে একেলগে বাস কৰাৰ আগতেই পাক ৰূহৰ শক্তিত মৰিয়ম গৰ্ভৱতী হৈছিল। মৰিয়মৰ স্বামী ইউচুফ সৎ লোক আছিল। তেওঁ  মানুহৰ আগত মৰিয়মক লাজত পেলাব নিবিচাৰিলে; এইবাবে তেওঁ গোপনে তেওঁক এৰি পেলাব বুলি ঠিক কৰিলে।

যেতিয়া ইউচুফ এইবোৰ ভাৱিছিল তেতিয়া প্ৰভূৰ এগৰাকী ফিৰিস্তা সপোনত দেখা দি তেওঁক ক'লে, "দাউদৰ বংশধৰ ইউচুফ! মৰিয়মক বিয়া কৰিবলৈ ভয় নকৰিবা, কাৰণ তেওঁৰ গৰ্ভত যি আছে সেইয়া পাক-ৰূহৰ শক্তিতে জন্ম হ'ব। তেওঁৰ এটি ল'ৰা হ'ব। তুমি তাৰ নাম ৰাখিবা ঈছা। কাৰণ তেওঁ মানুহবিলাকক সিহঁতৰ গুণাহৰ পৰা নাজাত কৰিব।"

এই সকলোবোৰ হৈছিল যেন ঈশায়া নবীৰ যোগেদি প্ৰভূৱে যি কথা কৈছিল সেইয়া সফল হয়, "*চোৱা, এজনী গাভৰু ছোৱালী গৰ্ভৱতী হ'ব আৰু তেওঁৰ এটি ল'ৰা হ'ব: তেওঁৰ নাম ৰখা হ'ব ইম্মানুৱেল।" এই নামৰ অৰ্থ, "আমাৰ লগত খোদা।" প্ৰভূৰ ফিৰিস্তাই ইউচুফ যিদৰে আদেশ দিছিল, টোপনিৰ পৰা উঠি তেওঁ তেনেকৈয়ে কৰিলে। তেওঁ মৰিয়মক বিবাহ কৰিলে, কিন্তু ল'ৰাটিৰ জন্ম নোহাৱালৈকে তেওঁৰ লগত মিলিত নহ'ল। পিছত ইউচুফে ল'ৰাটিৰ নাম ঈছা ৰাখিলে*" (মথি ১ঃ১৮-২৫)।

তেওঁৰ ভাৱী পত্নী গৰ্ভৱতী, এই কথা ইউচুফে জনাৰ পাছত তেওঁৰ মনত কেনে চিন্তা আহিছিল? ই অসম্ভৱ যেন লাগিলেও তেওঁ ঘটনাটি বিশ্বাস কৰিছিল। ফিৰিস্তাৰ পৰা জনাৰ পাছত মৰিয়মৰ চৰিত্ৰৰ পৱিত্ৰতাৰ ক্ষেত্ৰত তেওঁৰ কোনো সন্দেহ নাছিল।

ভাবী স্বামী হিচাপে তেওঁক যিকোনো অসন্মানৰ পৰা ৰক্ষা কৰাৰ দায়িত্ব ইউচুফৰ আছিল। তেওঁ যদি মানুহৰ আগত তেওঁক ত্যাগ কৰিলেহেঁতেন তেন্তে তেওঁ মৰিয়মৰ প্ৰতি অন্যায় কৰা হ'লহেঁতেন। কিন্তু তেওঁৰ ঘৰত নাজাতদাতাৰ জন্ম হোৱা তেওঁৰ বাবে হ'ব শ্ৰেষ্ঠতম সন্মান।



এই সময়ত আছমানী নিৰ্দেশ আহিল। এজন ফিৰিস্তা (নিশ্চয় জিব্ৰাইল) সপোনত তেওঁক দেখা দি সকলো সত্য ব্যক্ত কৰিলে।  ইয়াতে তেওঁৰ জ্ঞান আহিল "মৰিয়মক এৰাতকৈ বিয়া কৰোৱাই ভাল হ'ব। যিটো তেওঁ মনতে অসম্ভৱ বুলি ভাবিছিল, সেইটোৱে হ'ব তেওঁলোক দুজনৰ বাবে শ্ৰেষ্ঠ সন্মান। খোদা ভক্ত মানুহবোৰৰ ক্ষেত্ৰতো এইকথা প্ৰায়েই সত্য হয়"।

ইতিমধ্যে মৰিয়মক ফিৰিস্তাই পুণৰ ব্যক্ত কৰিছিল, শিশুটিৰ নাম হ'ব ঈছা। স্বাভাৱিক নিয়মত শিশুৰ নাম বাচনি কৰাৰ অধিকাৰ আছিল পিতৃৰ, কিন্তু এই নামটিৰ ক্ষেত্ৰত খোদাৰ ইচ্ছাৰ বিষয়টো ইউচুফে মানি ল'ব লগা হৈছিল।

ঈছা-মছীহ নামটি ইউছা নামৰ দৰে। দুয়োটাই পুৰণা আৰু সন্মানীয় ইহুদী নাম যাৰ অৰ্থ নাজাতদাতা। সকলো মানুহৰ বাবে নামটো পছন্দনীয়, কাৰণ ইয়াৰ অৰ্থ পাপৰ পৰা মানুহক নাজাত কৰা। ঈছা-মছীহ নামৰ সেই মহান ব্যক্তিজনে মানুহৰ সকলো ৰোগ সুস্থ কৰিছিল।

ইউচুফে ফিৰিস্তাৰ কথাবোৰ মানি লৈছিল। মৰিয়মক শুদ্ধ নীতিৰে পত্নী হিচাবে গ্ৰহণ কৰিছিল। প্ৰথম সন্তান জন্ম হোৱাৰ আগতে তেওঁ মৰিয়মৰ সঙ্গ লোৱা নাছিল। সকলোৱে ঈছা-মছীহক ইউচুফ আৰু মৰিয়মৰ ল'ৰা বুলি জানিছিল। এইদৰে নাচৰতত বসবাস কৰা সময়ত ইউচুফে তেওঁৰ পত্নী আৰু শিশুটিৰ সন্মান ৰক্ষা কৰিছিল। মৰিয়মৰ কোনো পাৰ্থিৱ সম্পদ নাথাকিলেও, ইমান ঐশ্বৰ্যময় চৰিত্ৰৰ এগৰাকী সঙ্গিনী নিৰ্বাচন কৰাত ইউচুফ কিমান যে ভাগ্যবান আছিল! ইউচুফ ধাৰ্মিক আছিল, সেয়ে আচমানী নিৰ্দেশ মানি লৈ তেওঁৰ পূৰ্ব পুৰুষ ইব্ৰাহিমৰ দৰেই খোদাক সন্তোষ্ট কৰিব পাৰিছিল।

# মৰিয়মে এলিজাবেতক সাক্ষাৎ কৰা

তাৰ পিছত মৰিয়ম এহুদিয়া ৰাজ্যৰ এখন গাঁৱত গ'ল। তাত জাকাৰিয়াৰ ঘৰত সোমাই এলিজাবেতক চালাম জনালে। এলিজাবেতে যেতিয়া মৰিয়মৰ কথা শুনিলে তেতিয়া তেওঁৰ গৰ্ভৰ শিশুটি নাচি উঠিল। তেওঁ পাক-ৰূহুৰ দ্বাৰা পৰিপূৰ্ণ হৈ জোৰ জোৰকৈ ক'লে, "সকলোবোৰ